# লোককলা

## ওজাপালী আৰু সমাজ





প্ৰভাত হালৈ (ডাইনাপালি)

# স্মৃতিৰ সুবাস








# লোককলা ওজাপালী আৰু সমাজ...

২০২০-২১ ৱৰ্ষ



শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী......................................................................................ৰ

হাতত অৰ্পন কৰিলোঁ।

প্ৰভাত হালৈ

ডাইনাপালী

# লোককলা ওজাপালী আৰু সমাজ...

*লিখক ঃ শ্ৰীপ্ৰভাত হালৈ (ডাইনাপালী)*
*দূৰভাষ ঃ ৯৮৬৪৮৫৬৪৪২/৯৩৬৫৪৫৪৬১৪*

প্ৰকাশক ঃ সুৰজিৎ হালৈ


গ্ৰন্থস্বত্ব ঃ লিখক

পৰিকল্পনা ঃ লিখক

ব্যৱস্থাপনা ঃ দিপজিত হালৈ

প্ৰকাশ কাল ঃ ১৮ চেপ্তেম্বৰ, ২০২১ চন

মূল্য ঃ ১২০ টকা মাত্ৰ



বেটুপাত পৰিকল্পনা ঃ ভাস্কৰ বৰুৱা

অক্ষৰ বিন্যাস/অংগসজ্জাঃ ভাস্কৰ বৰুৱা

ছপা ঃ ফ্ৰেইণ্ডচ্ অফ্‌ছেট প্ৰেছ,
বেলশৰ বজাৰ, নলবাৰী

# পাহৰণিৰ গৰ্ভত হেৰাই যোৱা ওজাপালী শিল্পী সকললৈ

## শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় নৰো বৰ্মন, ওজা (বেলশৰ)
স্বৰ্গীয় ৰঙো বৰ্মন, ডাইনাপালী (বেলশৰ)
স্বৰ্গীয় নিভাৰ্যা বৰ্মন, পালী (বেলশৰ)
স্বৰ্গীয় জন্টীৰাম বৰ্মন, পালী (বেলশৰ)
স্বৰ্গীয় দেবী বৰ্মন, পালী (বেলশৰ)
স্বৰ্গীয় কান্তিৰাম কুমাৰ (বেলশৰ)
স্বৰ্গীয় ধাতু ৰাজবংশী, ওজা (কৈহাটী)
স্বৰ্গীয় বিষ্ণু ৰাম হালৈ, ডাইনাপালী (বেলশৰ)
স্বৰ্গীয় গুদা বৰ্মন, পালী (বেলশৰ)
স্বৰ্গীয় সিদ্ধে ৰাজবংশী, পালী (কৈহাটী)
স্বৰ্গীয় নবিন মেধি, পালী (নলিচাা)
স্বৰ্গীয় সনোৰাম বৰ্মন, ওজা (কৈহাটী)
স্বৰ্গীয় ধনীৰাম ৰাজবংশী, ডাইনাপালী (কালদি)
স্বৰ্গীয় শিশু বৰ্মন, পালী (কৈহাটী)
স্বৰ্গীয় ৰতি বৰ্মন, পালী (কৈহাটী)
স্বৰ্গীয় দানো দাস, পালী (কৈহাটী)
স্বৰ্গীয় ঘনকান্ত ৰাজবংশী, পালী (কৈহাটী)
স্বৰ্গীয় ধৰণী দাস, পালী (কৈহাটী)
স্বৰ্গীয় ফনীধৰ ৰাজবংশী, পালী (কৈহাটী)
স্বৰ্গীয় ননী বৰ্মন, পালী (ককয়া)
স্বৰ্গীয় লক্কেশ্বৰ বৰ্মন, ওজা (ককয়া)

# শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় আনন্দি বৰ্মন, ডাইনাপালী
স্বৰ্গীয় পুৰ্ণা বৰ্মন, পালী (বেলশৰ)
স্বৰ্গীয় দেবেন্দ্ৰ বৈশ্য, ওজা (জাগাৰা)
স্বৰ্গীয় লক্ষেশ্বৰ শীল, ডাইনাপালী (জাগাৰা)
স্বৰ্গীয় যাদব শীল, পালী (জাগাৰা)
স্বৰ্গীয় লোচন বৈশ্য, পালী (বেলশৰ)
স্বৰ্গীয় ৰাজেন হালৈ, ডাইনাপালী (ককয়া)
স্বৰ্গীয় চন্দী শীল, ওজা (জাগাৰা)
স্বৰ্গীয় হনো তালুকদাৰ, পালী (জাগাৰা)
স্বৰ্গীয় হৰমোহন ৰাজবংশী, ওজা (বিল্বেশ্বৰ)
স্বৰ্গীয় উদয় ৰাজবংশী, পালী (বিল্বেশ্বৰ)
স্বৰ্গীয় বশিষ্ঠ ৰাজবংশী, পালী (বিল্বেশ্বৰ)
স্বৰ্গীয় বিপিন ডেকা, পালী (নলিচা)
স্বৰ্গীয় উপেন বৰ্মন, পালী (ককয়া)
স্বৰ্গীয় কল্যান ঠাকুৰীয়া, পালী (ককয়া)
স্বৰ্গীয় দুটি ডেকা, ওজা (জাগাৰা)
স্বৰ্গীয় সত্য বেজবৰুৱা, ভাওৰীয়া (জাগাৰা)
স্বৰ্গীয় সনেশ্বৰ শীল, পালী (জাগাৰা)
স্বৰ্গীয় গুণো ডেকা, পালী (জাগাৰা)
স্বৰ্গীয় হৰিদাস বৈশ্য, ভাওৰীয়া (জাগাৰা)
স্বৰ্গীয় দুৰ্গাকান্ত বৈশ্য,ডাইনাপালী (জাগাৰা)
স্বৰ্গীয় কাশী ওজা, (গামাৰীমুৰী)
স্বৰ্গীয় গন্ধো শীল, ভাওৰীয়া (জাগাৰা)
স্বৰ্গীয় কিঞ্চিতা বেজবৰুৱা, ভাওৰীয়া ডাইনাপালী (জাগাৰা)
স্বৰ্গীয় বাহীৰাম বৈশ্য, ভাওৰীয়া ডাইনাপালী (জাগাৰা)
স্বৰ্গীয় বংশী বৈশ্য, ভাওৰীয়া পালী (জাগাৰা)
স্বৰ্গীয় ৰাধা বৈশ্য, ভাওৰীয়া পালী (জাগাৰা)
স্বৰ্গীয় উপেন বৈশ্য, ভাওৰীয়া পালী (জাগাৰা)
স্বৰ্গীয় সনো বৈশ্য, ভাওৰীয়া পালী (জাগাৰা)
স্বৰ্গীয় কমলা তালুকদাৰ, ওজা (খখৰিশাল)

# শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় ধনেশ্বৰ ডেকা, ডাইনাপালী (দাগাপাৰা)
স্বৰ্গীয় শ্ৰীকান্ত হাজৰিকা, পালী (খখৰিশাল)
স্বৰ্গীয় ৰজনী নাথ, পালী (ভৰশাল)
স্বৰ্গীয় গজেন্দ্ৰ পাঠক, ডাইনাপালী (খখৰিশাল)
স্বৰ্গীয় উমেশ ওজা (বৰঘোপা)
স্বৰ্গীয় লাউ বড়ো, পালী (মুগদি)
স্বৰ্গীয় লিউ বড়ো, পালী (মুগদি)
স্বৰ্গীয় বালী বড়ো, পালী (বৰ্ণিবাৰী)
স্বৰ্গীয় জ্যোতিষ বৈশ্য, ডাইনাপালী (কালদি)
স্বৰ্গীয় উমা ওজা, (বড়ি;
স্বৰ্গীয় তাৰানাথ, ডাইনাপালী (বড়ি)
স্বৰ্গীয় হংস বৰ্মন, পালী (বড়ি)
স্বৰ্গীয় নবিন, ডাইনাপালী (ৰাউলী)
স্বৰ্গীয় জনাৰ্দন, ওজা (ব্যাসকুছি)
স্বৰ্গীয় ধনো বৈশ্য, ওজা (দৌলাশাল)
স্বৰ্গীয় সঞ্জয় মেধি, ডাইনাপালী (বৰধানতুলি)
স্বৰ্গীয় দেৱী পাঠক, ডাইনাপালী (বনমাজা)
স্বৰ্গীয় তাৰিণী ৰাজবংশী, ডাইনাপালী (মাখিবাহা)
স্বৰ্গীয় নৃপেন ৰাজবংশী, ওজা (মাখিবাহা)
স্বৰ্গীয় ৰজনী বৰ্মন (মাষ্টৰ), (ভোজকুছি)
স্বৰ্গীয় থানু দাস, ওজা (উলাবড়ি)
স্বৰ্গীয় ৰমেশ দাস, ডাইনাপালী (উলাবড়ি)
স্বৰ্গীয় গিৰীধৰ ডেকা, পালী (জাগাৰা)
স্বৰ্গীয় মেঘো দাস, পালী (উলাবড়ি)
স্বৰ্গীয় মাধব ৰয়, ডাইনাপালী (বদনকুছি)
স্বৰ্গীয় হৰেশ্বৰ ৰয়, ওজা (বদনকুছি)
স্বৰ্গীয় হৰেশ্বৰ ৰয়, ডাইনাপালী (পানবাড়ী)
স্বৰ্গীয় ৰতি ডাইনাপালী (বদনকুছি)
স্বৰ্গীয় সিদ্ধি ওজা (মানিকপুৰ)
স্বৰ্গীয় থানে বৈশ্য, পালী (পটেৰবড়ী)

# শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় সিদ্ধেশ্বৰ মেধি, পালী (পটেৰবড়ী)
স্বৰ্গীয় হেমচন্দ্ৰ বৈশ্য, পালী (পটেৰবড়ী)
স্বৰ্গীয় ভৰত বৰ্মন, পালী (জাগাৰা)
স্বৰ্গীয় কৰুণা বৰ্মন, ভাওৰীয়া (চামতা)
স্বৰ্গীয় পিখু ,ডাইনাপালী (বাদেশিলা)
স্বৰ্গীয় চানা বৈশ্য, ভাওৰীয়া (বাদেশিলা)
স্বৰ্গীয় বিদ্যা শীল, ডাইনাপালী (কাপলা)
স্বৰ্গীয় গঙ্গা শীল, (বৰনাপাৰ)
স্বৰ্গীয় শান্তী বৰ্মন, ডাইনাপালী (মুগদি)
স্বৰ্গীয় অৰবিন্দ ৰয়, ওজা (পানবাড়ী)
স্বৰ্গীয় অৰুন নাথ, ওজা (ৰামপুৰ)
স্বৰ্গীয় ৰাজেন বৈশ্য, পালী (ৰামপুৰ)
স্বৰ্গীয় ডাঙৰবাপু বৈশ্য, পালী (ৰামপুৰ)
স্বৰ্গীয় প্ৰবীন বৈশ্য, পালী (ৰামপুৰ)
স্বৰ্গীয় শ্ৰীকান্ত ডেকা, ওজা (ৰামপুৰ)
স্বৰ্গীয় কামেশ্বৰ তালুকদাৰ, ডাইনাপালী (লাউতোলা)
স্বৰ্গীয় বিপিন ডেকা, ডাইনাপালী (দাগাপাৰা)
স্বৰ্গীয় জয়কান্ত ডেকা, পালী (দাগাপাৰা)
স্বৰ্গীয় কামেশ্বৰ ডেকা, পালী (দাগাপাৰা)
স্বৰ্গীয় চজিন ডেকা, পালী (দাগাপাৰা)
স্বৰ্গীয় মোহন ডেকা, ডাইনাপালী (দৰঙ্গিপাৰা)
স্বৰ্গীয় হৰমোহন নাথ, ডাইনাপালী (দৰঙ্গিপাৰা)
স্বৰ্গীয় বসন্ত নাথ, ডাইনাপালী (ভকুৱাটেপা)
স্বৰ্গীয় নগেন তালুকদাৰ, পালী (ভকুৱাটেপা)
স্বৰ্গীয় গণেশ মেধি, পালী (ৰাউলী)
স্বৰ্গীয় নাথাৰাম বেজবৰুৱা, পালী (বেলবাৰী)
স্বৰ্গীয় শুকোৰাম ডেকা, পালী (বৰকাপলা)
স্বৰ্গীয় বিপিন বৰ্মন, পালী (ব্যাসকুছি)
স্বৰ্গীয় কনক ৰাজবংশী, ওজা (ব্যাসকুছি)
স্বৰ্গীয় শঙ্কৰ নাথ, ডাইনাপালী (ভকুৱাটোপা)

# শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় ললিত হালৈ, ওজা (বিশ্বেশ্বৰ)
স্বৰ্গীয় হৰকান্ত হালৈ, ওজা (বিশ্বেশ্বৰ)
স্বৰ্গীয় চক্ৰধৰ মেনা, ওজা (বেলশৰ)
স্বৰ্গীয় সিদ্ধি কলিতা, ওজা (মানিকপুৰ)
স্বৰ্গীয় প্ৰফুল্ল কলিতা, ডাইনাপালী (বনীয়াগাঁও)
স্বৰ্গীয় গুণেশ্বৰ ৰয়, ডাইনাপালী (বদনকুছি)
স্বৰ্গীয় ফনীধৰ ৰয়, পালী (মহাৰাণী)
স্বৰ্গীয় দিবাকৰ ৰয়, ওজা (শিমলা)
স্বৰ্গীয় অনন্তৰয়, ডাইনাপালী (শিমলা)
স্বৰ্গীয় হৰ্ষৰাম ৰয়, ডাইনাপালী (টুপলাই পানবাড়ী)
স্বৰ্গীয় মদন শালৈ, ডাইনাপালী (দৈশিঙৰী)
স্বৰ্গীয় আলীয়াৰাম ৰয়, ডাইনাপালী (পানবাড়ী)
স্বৰ্গীয় গোবিন্দ দত্ত, ওজা (পানবাড়ী)
স্বৰ্গীয় নৰেন ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় উমেশ ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় গজেন ৰয়, পালী (বদনকুছি)
স্বৰ্গীয় মনোহৰি ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় গমলু ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় কলা ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় শুখনা ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় দেবেন ৰয়, পালী (পানবাড়ী)
স্বৰ্গীয় কান্তেৰাম ৰয়, ডাইনাপালী (আঠীয়াবাৰী)
স্বৰ্গীয় কল্যান ৰয়, পালী (আঠীয়াবাৰী)
স্বৰ্গীয় কনক ৰয়, পালী (শিমলা)
স্বৰ্গীয় কুহিৰাম ৰয়, ওজা (টুপলাই পানবাড়ী)
স্বৰ্গীয় পবিন ৰয়, ডাইনাপালী (টুপলাই পানবাড়ী)
স্বৰ্গীয় অমৃত ৰয়, পালী (টুপলাই পানবাড়ী)
স্বৰ্গীয় পবিন ৰয়, পালী (টুপলাই পানবাড়ী)
স্বৰ্গীয় হুমেশ্বৰ ৰয়, ওজা (উলাৰটাৰী বগলাপাৰা)
স্বৰ্গীয় ভগবান কলিতা, ডাইনাপালী (মহিতৰা কলোগুৰী)

# শ্ৰদ্ধাঞ্জলি

স্বৰ্গীয় বিপিন কলিতা, ডাইনাপালী (মহিতৰা কলোগুৰী)
স্বৰ্গীয় বিপিন কলিতা, ডাইনাপালী (মহিতৰা কলোগুৰী)
স্বৰ্গীয় গোপাল ৰয়, পালী (বদনকুছি)
স্বৰ্গীয় নিংনা ওজা, ওজা (চুলিয়াপাৰা)
স্বৰ্গীয় আতহু ৰায়, ডাইনাপালী (চুলিয়াপাৰা)
স্বৰ্গীয় তঞ্চী শালৈ, ওজা (শালৈপাৰা)
স্বৰ্গীয় নৰো শালৈ, ডাইনাপালী (শালৈপাৰা)
স্বৰ্গীয় দিগাম্বৰ কলিতা, ওজা (নিত্যানন্দ)
স্বৰ্গীয় সুধো ডেকা, ওজা (হেলচা)
শ্ৰী. ৰৎ ডেকা, ডাইনাপালী (হেলচা)
স্বৰ্গীয় প্ৰভাত ডেকা, পালী (হেলচা)
স্বৰ্গীয় কাতিৰাম ডেকা, পালী (হেলচা)
স্বৰ্গীয় তাৰানাথ ডেকা, পালী (হেলচা)
স্বৰ্গীয় নিলাম্বৰ বৰ্মন, পালী (হেলচা)
স্বৰ্গীয় দিনবন্ধু বৰ্মন, ওজা (কৈহাটী)
স্বৰ্গীয় ভবেন চন্দ্ৰ বৈশ্য, ডাইনাপালী (বেচিমাৰী, জোৰাদ্দী)
স্বৰ্গীয় থানু ৰাজবংশী, পালী (কৈহাটী)
স্বৰ্গীয় ৰাইজা ৰাজবংশী, পালী (কৈহাটী)
স্বৰ্গীয় ৰজনী নাথ, পালী (ভৰশাল)
স্বৰ্গীয় শুখনাৰাম কলিতা, ওজা (টিলানা)
স্বৰ্গীয় ৰজত দাস, ওজা (টিলানা)
স্বৰ্গীয় নাৰায়ণ কলিতা, ওজা (টিলানা)
স্বৰ্গীয় জুৰমনী কলিতা, ডাইনাপালী (টিলানা)
স্বৰ্গীয় ধৰণী ৰাজবংশী, ওজা (উলুবাৰী)
স্বৰ্গীয় মথুৰ ৰাজবংশী, পালী (উলুবাৰী)
স্বৰ্গীয় চন্দ্ৰ হালৈ, ওজা (মাখিবাহা)
স্বৰ্গীয় মেঘো বৰ্মন, ওজা (দেউলাশালা)
স্বৰ্গীয় সদা নাথ, ডাইনাপালী (দেউলাশাল)
স্বৰ্গীয় মুকুন্দ নাথ, ডাইনাপালী (দেউলাশাল) ঃঃ

# অভিমত

লোক-কলা বা পৰিৱেশ্য কলাই অসমৰ লোক-সংস্কৃতিত বৈচিত্ৰ প্ৰদান কৰিছে। লোক-সংস্কৃতি হ'ল এক জীৱন্ত পৰম্পৰা, এক নিৰৱচ্ছিন্ন প্ৰৱাহ ধাৰা। এটা সম্প্ৰদায় বা নৃগোষ্ঠীৰ সামগ্ৰীক জীৱন পদ্ধতিৰ নামেই লোক-সংস্কৃতি। লোক-সংস্কৃতিৰ এক অন্যতম উপাদান হ'ল লোক পৰিৱেশ্য কলা। লোক পৰিৱেশ্য কলাৰ পুতলা নাচ, খুলীয়া, ঢুলীয়া, নাগাৰা নাম আদিৰ উপৰিও উল্লেখযোগ্য নাটকীয়া পৰিৱেশ্য কলা হ'ল ওজাপালী। অসমৰ বিভিন্ন লোকনাট্য অনুষ্ঠানত ওজাপালীৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। এই পৰিৱেশ্য কলা সমূহে অসমৰ সামাজিক, সাংস্কৃতিক পৰিৱৰ্ত্তনৰ আহিলাৰূপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰাক-শংকৰী যুগৰো আগৰ এইবিধ কলা সৰ্বভাৰতীয় অৰ্ধ নাটকীয় তথা পৰম্পৰাগত নৃত্য সমূহৰ ধ্বজাবাহক। অসমৰ সামাজিক-ধৰ্মীয় পৰম্পৰাত বিশেষকৈ পূজা-পাৰ্বন, সভা-সমিতি, লোক-উৎসৱ আদিত ওজাপালীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু সম্প্ৰতি এইবিধ কলাই নতুন প্ৰজন্মক বিশেষভাৱে আকৰ্ষিত বা প্ৰভাৱিত কৰিব পৰা নাই। আধুনিক সমাজ ব্যৱস্থাই হয়তো এইক্ষেত্ৰত হেঙাৰ ৰূপে থিয় দিছে।

প্ৰভাত হালৈয়ে তেখেতৰ জীৱনৰ প্ৰায় দুই-আঢ়েকুৰি বছৰ ওজাপালী সংস্কৃতিৰ লগত জড়িত হৈ অসমৰ গাঁৱে-ভূঞে অনুষ্ঠান পৰিৱেশন কৰি ভালেমান সমাজৰ অভিজ্ঞতা বুটলিছে। তাৰেই আধাৰতে তেখেতে **"লোককলা ওজাপালী আৰু সমাজ"** নামাকৰণেৰে এখন পুথি প্ৰকাশ কৰি উলিয়াবলৈ প্ৰয়াস কৰিছে। পুথিখনে পঢুৱৈৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা ৰাখিলোঁ।

ড: [signature]

কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য

অসম সাহিত্য সভা

# লোকশিল্পী প্ৰভাত হালৈৰ
# 'লোককলা ওজাপালী আৰু সমাজ'লৈ অভিনন্দন

এগৰাকী লোকশিল্পী, নামেই যাৰ পৰিচয়, সেইগৰাকী হ'ল নলবাৰী অঞ্চলৰ বিল্বেশ্বৰ নিবাসী প্ৰভাত হালৈ। শৈশৱৰ পৰাই অসমৰ প্ৰাচীন লোককলা ওজাপালী অনুষ্ঠানৰ লগত জড়িত হৈ ওজাপালী দলৰ এগৰাকী প্ৰসিদ্ধ ডাইনাপালী হিচাপে পৰিচিতি লাভ কৰিছিল। আজি কিছুবছৰৰ পৰা প্ৰভাত হালৈ ডাঙৰীয়াই একান্ত ব্যক্তিগত প্ৰচেষ্ঠাৰে কলম হাতত তুলি ইখনৰ পিছত সিখন গ্ৰন্থ ৰচনা কৰি গৈছে। আজিৰ তাৰিখত প্ৰভাত হালৈৰ ৰচিত গ্ৰন্থৰ সংখ্যা কুৰিখনৰো অধিক। এগৰাকী লোকশিল্পীৰ এনে ধৰণৰ প্ৰতিভা নলবাৰীত নহয় অসমৰ প্ৰেক্ষাপটতে বিৰল।

সম্প্ৰতি হালৈয়ে ৰচনা কৰি উলিয়াইছে 'লোককলা ওজাপালী আৰু সমাজ' শীৰ্ষক আন এখনি মূল্যবান গ্ৰন্থ। আমাৰ এক ধাৰণা আছে যে আমাৰ অঞ্চলত প্ৰচলিত ওজাপালীহে আচল বা প্ৰাচীন। আনবোৰ অঞ্চলৰ ওজাপালী বেসুৰীয়া বা বিকৃত। এই ধৰণৰ ধাৰণা সম্প্ৰতি ওজাপালী অনুষ্ঠানটো অসমৰ প্ৰাচীন লোককলা। এই অনুষ্ঠানটোত অসমৰ অঞ্চল বিশেষে নানা ৰূপ পোৱা যায়। ইয়াৰ দুটা প্ৰধান ভাগ ব্যাস বা বিয়াহ গোৱা ওজাপালী, সুকনান্নী ওজাপালী, ইয়াৰোপৰি আন এবিধ ওজাপালী ৰাইমন ওজাপালী। অঞ্চল বিশেষে পদ্মাপুৰাণৰ গান, মাৰাই গান, ঢুকুৰীয়া ওজাপালী গীতানুগান, ভাইৰা, আপী ওজাপালী আদি

নানা ৰূপ। কোনটো ওজাপালীক ধৰ্মীয় কাহিনীৰ ওফৰত গুৰুত্ব দিয়ে, কোনটোত হাস্যৰসৰ প্ৰচাৰত গুৰুত্ব দিয়ে। সেয়া নিৰ্ধাৰিত সমাজৰ ৰেহ ৰূপ ৰুচিবোধৰ ওপৰত।

প্ৰভাত হালৈ ডাঙৰীয়াই ওজাপালী অনুষ্ঠাটোৰ সৃষ্টি আৰু বিকাশৰ কিছু নিজস্ব ধাৰণা প্ৰদানৰ লগে লগে সমাজত ওজাপালী অনুষ্ঠানটোৰ প্ৰভাৱ সম্পৰ্কে গ্ৰন্থখনত বৰ্ণিত কৰিছে। লোককলা সমাজৰ উৎসাহ আৰু প্ৰেৰণাত জীয়াই থাকে। ওজাপালী অনুষ্ঠানটো জীয়াই ৰখাৰ প্ৰসংগত সমাজৰ কৰণীয় কি? এই দিশবোৰ গ্ৰন্থখনত উল্লেখ কৰিছে।

এনে এখন মহান গ্ৰন্থ প্ৰকাশ কৰি সমাজৰ হিত সাধন কৰাৰ বাবে প্ৰভাত হালৈ আমাৰ ধন্যবাদৰ পাত্ৰ। লগতে নলবাৰী জিলা সাহিত্য সভাই এগৰাকী প্ৰতিভাৰ আকাৰত ৰাইজৰ মাজত উলিয়াই অনাৰ বাবে আমি ধন্যবাদ জনালোঁ।

*।। চিৰ চেনেহী মোৰ ভাষা জননী।।*

ধন্যবাদেৰে-

**ড° উপেন্দ্ৰজিৎ শৰ্মা**

# সঁচা কথা

"লোক-কলা ওজাপালী আৰু সমাজ' এখন সঁচাৰেই ভঁৰাল। এখুদমানো মিছা কথা নাই। যুক্তিপূৰ্ণ, অৰ্থপূৰ্ণ, উপদেশপূৰ্ণ, ৰসপূৰ্ণ সঁচা কথাই ইয়াত সাঙোৰ খাই আছে। বাঘে নৰমাংস এবাৰ খালে তাৰ সোৱাদ পাহৰি নোযোৱাৰ দৰে শ্ৰীপ্ৰভাত হালৈ, ডাইনাপালীয়েও কিতাপ লিখা কাৰ্যত আজি কিছুদিনৰ পৰা ব্যস্ত হৈ পৰিছে। তাৰ ফলস্বৰূপে বিশখনৰো অধিক কিতাপ পঢ়ুৱৈ সমাজৰ আগত উলিয়াই দিবলৈ সক্ষম হৈছে ।

এদিন মোক কৈছিল দাদা এইদৰে কিতাপ লিখিয়েই থাকিম। চাকৰিৰ পৰা অৱসৰ পালেও কিতাপ লিখাৰ পৰা অৱসৰ নাপাওঁ। কিতাপ লিখি এক সঁচা অভ্যাসত বুৰ গৈছোঁ।

সাপৰ সৰু ডাঙৰ নাই 'বিহ' সকলোৰে সমান থাকে। প্ৰভাত হালৈ, ডাইনাপালীৰ কিতাপ বিলাক সৰু হলেও সঁচা কথাৰ ভড়াল হোৱা বাবে অতি মূল্যবান হৈ পৰিছে। কিতাপকেইখনৰ বিষয়বস্তু তেনেই সঁচা কথাৰে ভৰপূৰ। অতি মূল্যবান।

**শ্ৰীযাদৱ সেন ডেকা**
সাহিত্যিক পেঞ্চনাৰ তথা
উপ-সভাপতি, অখিল ভাৰতীয়
সাহিত্য পৰিষদ, অসম
বেলশৰ (নলবাৰী)
১৫-০৯-২০২১ ইং

# মনৰ

# দু-আষাৰ....



লোককলা ওজাপালী আৰু সমাজ, মোৰ আজন্ম সাধনাৰ অমৃত ফল। জন্ম সূত্রে মোৰ দেহত প্ৰৱাহিত লোককলাৰ ৰক্তপ্ৰৱাহ। হয়তো বাল্যকালত মোৰ নিচুকনী গীতো ওজাপালীৰ মাজতেই আৱদ্ধ হৈ আছে। মোৰ পিতৃদেৱ প্ৰয়াত বিষ্ণুৰাম হালৈ (ডাইনাপালী) এজন স্বনামধন্য ওজাৰ ডাইনাপালী আছিল। অশেষ ত্যাগ স্বীকাৰ কৰি তেখেতে ওজাপালী শিল্পীৰ শীৰ্য বিন্দুত উপনীত হ'ব পাৰিছিল। সেয়েহে মই জন্মসূত্রে আকৃষ্ট হৈছিলো এই লোককলাবিধৰ প্ৰতি। মোৰ মনত, মোৰ প্ৰাণত, মোৰ দেহত অঙ্কুৰিত হৈছিল লোককলা ওজাপালীৰ বীজ। লোককলাৰ বোজা পিঠিত লৈ ঘূৰি ফুৰিছিল বিভিন্ন ঠাই, বিভিন্ন অঞ্চল। আঠ-দহদিনৰ মুৰত একোদিত ঘৰলৈ আহিছিল। পিতাৰ ওজা গোৰা কাপোৰ ধুবলৈ, পিতাৰ পাঞ্জাবী চোলাৰ পৰা পঞ্চাশৰো অধিক ৰূপৰ মেডেল আৰু দুটা সোণৰ মেডেল মাৰে যেতিয়া খুলিছিল হাতৰে লাৰি পিটিকি এটা অনাবিল আনন্দ অনুভৱ কৰিছিলোঁ। পিতাক কিমান গৌৰৱৰ অধিকাৰ কৰিছিল সৰু-বৰ মেডেলবোৰে। মোৰ শিশু প্ৰাণত আকাঙ্খ্যা ৰূপে স্থিতি হৈছিল এনে গৌৰৱৰ অধিকাৰী হ'বলৈ। তাৰেই ফলশ্ৰুতি মই যেতিয়া বেলশৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ তেতিয়াই সমাজৰ লগত পৰিচয় হবলৈ সুযোগ পাইছিলোঁ। অৰ্থাৎ তেতিয়াৰ বেলশৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ মাননীয় অচ্যুত মিশ্ৰ দেৱে স্কুলৰ বছৰেকীয়া অধিৱেশনত ওজাপালীৰ নৃত্য পৰিৱেশন কৰিবলৈ মোক ওজা সজাই পৰিক্ষীত বধৰ পদ গাই প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিলোঁ। এইয়া আছিল মোৰ ওজাপালীৰ প্ৰথম পদক্ষেপ। দ্বিতীয়তে পিপলিবাৰী মজলীয়া স্কুলৰ বছৰেকীয়া অধিৱেশনত ওজাপালী নৃত্য কৰি তেতিয়াৰ পশ্চিম নলবাৰী খণ্ড উন্নয়ণ বিষয়া মাননীয় শিৱপ্ৰসাদ চাং কাকতি দেৱৰ হাতেৰে পুৰস্কাৰ গ্ৰহণ কৰি গভীৰ আনন্দ অনুভৱ কৰিছিলোঁ। অনুপ্ৰাণিত হৈছো ক্ৰমে লোককলাবিধৰ প্ৰতি।

৭০ দশকৰ পৰা মই লোককলাবিধৰ প্ৰতি নিবিৰভাৱে প্ৰৱেশ কৰিছিলোঁ। কিন্তু মোৰ বাবে এই পথ মসৃন নাছিল, মোৰ বাবে আছিল কন্তকময় পথ। পৰিয়ালৰ কোনোজনৰ সমৰ্থন মই পোৱা নাছিলো, পিতৃদেৱ আছিল নিৰৱ। তথাপি মই কক্ষচ্যুত হোৱা নাছিলো। দুখ, লাঞ্চনা, মোৰ সঙ্গী হৈ ঘুৰি ফুৰিছিল। তথাপি মই দৃঢ় প্ৰতিজ্ঞ। পিতৃদেৱৰ গৌৰৱময় পথেৰে মই আগবাঢ়ি যাম অঘোষিত জয়ৰ মাল্য ধাৰণ কৰিবলৈ। এই বাৱান্ন বছৰীয়া দীঘলীয়া পৰিক্ৰমাৰ অন্ত হবলৈ যেন মোৰ বহু এতিয়াও বাকী আছে। শীৰ্ষ বিন্দুলৈ বহু দুৰ বাট আছে। মই আগবঢ়াৰ লগে লগে পিছলৈ ঘুৰি চালো। ভৱিষ্যত নৱ প্ৰজন্মৰ বাবে কি দি যাম? কি হওক লৈ তেওঁলোকে আগবাঢ়িব তাৰেই দোদুল্যমান চিন্তা লৈ গুৰুৰ আশীৰ্বাদত মই লাভ কৰা জ্ঞানখিনি ভৱিষ্যত পুৰুষৰ বাবে লোককলাৰ ওপৰত ক্ৰমে বৰ্ত্তমানলৈ চাৰিখন পুথি লিপিবদ্ধ কৰি থলো। মই আশা ৰাখিম ৱাৱন্ন বছৰীয়া অভিজ্ঞতা, তিতা-কেহা সকলোবোৰ লিপিবদ্ধ কৰি থৈ যাম।

সদৌশেষত লোককলা ওজাপালী আৰু সমাজৰ বৰ্ণাশুদ্ধিবোৰ বৰ কষ্টেৰে কৰি দিয়া বাবে বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাননীয় জয়ন্ত বৰ্মন দেৱলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ। আৰম্ভণিৰে পৰা কিতাপখন লিখিবলৈ উদ্‌গনি দিয়া বাবে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি মাননীয় ধ্ৰুৱজ্যোতি শৰ্মাদেৱ, প্ৰাক্তন সভাপতি শ্ৰদ্ধাৰ বিপিন কলিতাদেৱ, ডঃ উপেন্দ্ৰজিৎ শৰ্মাদেৱ আৰু নলবাৰী জিলা সাহিত্য সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ অন্তৰভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ।

শেষত জ্ঞাত-অজ্ঞাত ভূল-ত্ৰুটিৰ বাবে পঢুৱৈ সমাজলৈ ক্ষমা বিচাৰিছোঁ।

**ধন্যবাদেৰে—**

**লিখক**

# সূচীপত্ৰ


- সূচনা
- ওজাপালীৰ ভাগ
- নৱৰস
- পূজাৰ ভাগ আৰু অঙ্গ
- মণ্ডল সমূহ
- পূজাই সমাজৰ কি উৎকৰ্ষ সাধন কৰে
- পোচাক পৰিশ্চদ
- ওজাপালীৰ তাল
- পূজা অনুষ্ঠানত শিল্পী আৰু সময়
- পূজাত ওজাপালীৰ প্ৰথম কৰণীয়
- পাৰিশ্ৰমিক
- বন্দনাৰ প্ৰথম স্তৰ
- জাগনীৰ সূত্ৰ সমূহ
- জল আহৰণ
- বন্দনা
- মহাস্নান
- তাল
- আৰতি প্ৰকৰণ
- মহাস্নানৰ দ্ৰব্য
- বলি বিধান আৰু সমাজ
- বৈষ্ণৱী পূজা
- ভোগৰ ব্যৱহাৰ
- সমাজত পূজাৰ প্ৰভাৱ
- ধৰ্ম আৰু যাজক
- যাজকৰ কৰ্ত্তব্য
- সামিষ পূজা
- বলী কি ?
- দক, দকৰ প্ৰকাৰ
- পৰিৱেশিত পদ সমূহ
- লিখকৰ ৰচিত পদ
- ভুলৰ চমু আভাস
- সংস্কৃতি আৰু সমাজ
- পূৰ্ব্বানুমান
- ওজাপালী পাঠ্যপুথিৰ পাঠত
- অনিহা
- লোককলা সমূহৰ মৃত্যুৰ কাৰণ
- ওজাপালীত নাৰীৰ মৰ্য্যদা
- দুষ্কৃতি নাশত নাৰীৰ ভূমিকা
- নাৰীৰ দশ অৱতাৰ
- নাৰী চৰিত্ৰ গঠনত সচেতনতা
- নাৰী মহত্বত পুৰুষৰ ভূমিকা
- ওজাপালীত বাহ্যিকতা
- আভ্যন্তৰ

চিৰ চেনেহী মোৰ ভাষা জননী

অসম সাহিত্য সভা

# লোককলা ওজাপালী আৰু সমাজ...

প্ৰাকশঙ্কৰী যুগৰ পৰা লোককলা সমূহে সমাজৰ বিভিন্ন দিশত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। যেতিয়াৰ পৰা মানুহে অজ্ঞান এন্ধাৰ আঁতৰ কৰি লাহে লাহে সমাজ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল, এটা সুশৃঙ্খল জীৱন যাপনৰ পন্থা গ্ৰহণ কৰি ভাতৃত্ববোধৰ দিগবানী তৈয়াৰ কৰিছিল, তেতিয়াৰ পৰা এইখন সমাজ এজন বিশেষ ব্যক্তিৰ নেতৃত্বত সমাজৰ অন্যায়-অবিচাৰবোৰৰ আলোচনা আৰু বিচাৰ ন্যায় আৰম্ভ কৰিছিল। সেয়া আছিল মানৱ জাতিৰ প্ৰথম পদক্ষেত্ৰ কাৰোবাৰ ওচৰত নমনিয় হোৱা বা কাৰোবাৰ আনুগত্য বিচাৰ কৰা। সমাজ গঠনে বান্ধোন সৃষ্টি কৰাৰ পাছত মানুহে অন্যায়ৰ প্ৰতি ভয়, সমাজ ব্যৱস্থাৰ প্ৰতি ভয় বা লজ্জা অনুভৱ হোৱাৰ পাছত সমজুৱাসকল পৱিত্ৰ হ'বলৈ আৰম্ভ কৰে। দুৰ্দমনীয় আসুৰিক শক্তি সমূহ সমাজ ব্যৱস্থায় সৎ পথলৈ টানি আনে। সুসংহত সমাজ ব্যৱস্থা জাতিক গৌৰৱময় পথেৰে আগবঢ়াই লৈ যায়। এইয়া মানৱময় সভ্যতাৰ আদিম বুৰঞ্জী। প্ৰস্তৰ যুগৰ অৱসান ঘটাই এটা নতুন যুগৰ সূচনাই মানৱ জাতিৰ সভ্যতাৰ প্ৰথম ঢাপ বুলি কলেও বাহুল্য নহয়। এই সভ্যতাৰ মূলতে এখন সমাজ। ইচ্ছাকৃতভাবে ন্যায় বা নীতিক উলঙ্ঘা

কৰি সমাজ ব্যৱস্থাক আঘাত কৰিব বিচাৰিলে সেই ব্যক্তিৰ ওপৰত যি ব্যৱস্থা লোৱা হয় বা হৈছিল সেয়াই আছিল আদিম সমাজৰ নীতি। এই নীতি উলংঘা কৰা সকলক সমাজৰ বিৰুদ্ধাচৰণ কৰাৰ পৰিণাম স্বৰূপে মৃত্যুদণ্ড বিহা হৈছিল। ক্ৰমান্বয়ে কিছু বছৰ পাছত এই সভ্যতাই উন্নতিৰ কেইবাটা ঢাপ আগবাঢ়িল। গছৰ খোৰোং পৰিত্যাগ কৰি গছৰ ডাল-পাতেৰে ঘৰ সাজিবলৈ ধৰিলে। ঘৰবোৰ শাৰী শাৰীকৈ, পৰিপাটিকৈ গাওঁৰ সদৃশ পৰিৱেশ সৃষ্টি কৰিলে। ধনুকাড়ৰ ব্যৱহাৰ আৰম্ভ হ'ল। তাৰ পাছত প্ৰতিটো জুপুৰিত একোটা পৰিয়ালৰ সৃষ্টি হ'ল। কিছু চিন্তক মানুহে গছ-ফল আদিৰ ৰসৰ মিশ্ৰণেৰে এক পানীয় সৃষ্টি কৰিলে। আজি বৰ্ত্তমান যাক আমি সোমৰস নামেৰে অভিহিত কৰিছো। আদিম যুগৰ পৰা এই পানীয় প্ৰচলিত। কালাক্ৰমত মানুহে একেলগে লগ লৈ সোমৰস পান কৰি বিভিন্ন ভঙ্গিত পুৰুষ সকলে নৃত্য কৰিবলৈ ধৰে। কিছুদিন পিছত পুৰুষ সকলৰ সমানে তিৰোতা কিছুমানেও নৃত্য কৰাৰ বাবে সমাজ, পতিৰ মতামত গ্ৰহণ কৰি পুৰুষৰ সমানে নৃত্য আগবঢ়ায়। এইসকল নাচনি বা পুৰুষ নাচনি নাচি নাচি যেতিয়া ভাগৰি পৰে তেতিয়া আন পুৰুষ মহিলাবোৰে বনৰ ফুল আদি আনি নাচনী সকলৰ গাত চতিয়াই দিয়ে। এনে ধৰণে কিছুদিন যোৱাৰ পিছত সমাজ পাতি দেখিলে যে যদি মানুহবোৰে এনেদৰে যদি সদায় সোমৰস পান কৰি নৃত্য কৰে তেনেহ'লে প্ৰগতিত বাধাৰ সৃষ্টি হ'ব তেতিয়া আমাৰ বনৰ ফল, খৰি, স্বীকাৰ সকলো কৰ্মতে ব্যাঘাত হ'ব পাৰে। সেয়েহে সমাজৰ আলোচনাৰ মাধ্যমেৰে কিছুমান বিশেষ দিনত সোমৰস পান কৰি নৃত্য আদিৰ সময় নিৰ্ধাৰণ কৰি

দিয়া হ'ল। দেখা গ'ল মানুহবোৰ ক্ৰমান্বয়ে কৰ্মঠ আৰু সময় অপচয় নকৰা একোজন সৎ মানুহলৈ ৰূপান্তৰিত হৈ আছে। আগতে সাধাৰণ কথাতে হাই-কাজিয়া, মাৰপিট কৰা চৰিত্ৰ লাহে লাহে কমি আহিবলৈ ধৰিছে। স্ত্ৰী-পুৰুষ সকলে প্ৰথমে গছৰ পাত, গছৰ বাকলি, পিছত জন্তুৰ চাল দেহ আৱৰণ হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। লজ্জাবোধ, শিক্ষা সমাজ পাতি সবাৰো মানুহৰ প্ৰতি গ্ৰহণৰ নিৰ্দেশ দিলে। এনেধৰণে আদিম মানৱ সমাজখন ক্ৰমান্বয়ে সকলো দিশত আগবাঢ়িবলৈ ধৰিলে। জ্ঞানপুষ্ট কিছুমান ব্যক্তিৰ চিন্তা-চৰ্চাও দিনে দিনে এখন সভ্য সমাজৰ ন্যায় সমাজখনে গঢ় লবলৈ ধৰিলে। কিছু ব্যক্তি চিন্তা-চৰ্চা কৰি বিভিন্ন প্ৰকাৰে কৃষি কাৰ্য্যৰ দ্বাৰা খাদ্য সম্ভাৰ উৎপন্ন কৰা আদিত মনোনিৱেশ কৰিলে। লাহে লাহে আদিমতাৰ কু সংস্কাৰবোৰ আঁতৰাই এখন সুস্থ-সবল সমাজে গঢ় লৈ উঠিলে। জীৱ-জন্তু বধ কৰি জুইত পুৰি খোৱাৰ পৰিৱৰ্ত্তে মাংস সিজাই খোৱাৰ ব্যৱস্থা কৰিবলৈ ধৰিলে। লাহে লাহে ইজনে সিজনৰ প্ৰতি ভাতৃত্ববোধৰ আকৰ্ষণে সমাজখনক আৰু বেছি সুসংহত কৰি এখন নতুন সমাজ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। প্ৰথমে কিছু সাংকেতিক চিহ্নৰ সমষ্টি, মানৱ সমাজখনত ভাব বিনিময়ৰ কিছুমান সংকেতৰ জৰিয়তে তাৰ পৰা ক্ৰমবিকাশ হৈ এই সংকেতৰ কালক্ৰমত ভাষালৈ ৰূপান্তৰিত হয়। তেনে সময়ত কিছুমান পৰিব্ৰাজক বিভিন্ন পথেৰে অসমত প্ৰৱেশ কৰি সমাজখনৰ লগত বসবাস কৰি তেঁওলেৰাকৰ কলা-সংস্কৃতি সভ্যতা সমাজত বিলাই দিলে। পাণ্ডিত্বৰে পূৰ্ণ এইসকল ব্যক্তিৰ সান্নিধ্যই সমাজখন আৰু বহু সভ্য আৰু সংস্কৃতিবান কৰি নৱ ৰূপত গঢ় দিয়ে। এনে কিছুমান

ব্যক্তিৰ যৎপৰোনাস্তি চেষ্টাৰ ফলত সমাজত শিক্ষা লাভৰ প্ৰতি, সমাজখন ক্ৰমে আকৰ্ষিত হবলৈ ধৰিলে। বিভিন্ন জাতি-গোষ্ঠী লগ হৈ আদিম যুগৰ পৰাই অসমখন এখন বিভিন্ন কলা-সংস্কৃতিৰে পূৰ্ণ হৈ পৰে। যেতিয়া সকলো দিশত সমাজ আগবাঢ়ি আহিল তেতিয়াই সমাজত আৰম্ভ হ'ল সামাজিক প্ৰথা সমূহ। বিবাহ আদি পৰ্ববোৰ সমাজ গঠনৰ সভ্যতাৰ এক নিদৰ্শন। তাৰ লগে লগে অন্যান্য পূজা-পাৰ্বন, সেই প্ৰথম মানৱ সভ্যতাৰ পৰাই ক্ৰমবিকাশ হৈ আজিৰ পৰ্য্যায়ত উপনীত হৈছে। প্ৰথম অৱস্থাত 'সাপগছ' পূজাৰ ব্যৱস্থা আছিল। তাত বিভিন্ন বাদ্য আগেয়ে উল্লেখ কৰা নাচনী নৃত্য, কিছু পুৰুষে তাত বিভিন্ন ভঙ্গিত নৃত্য, শিলৰ টুকুৰা হাতত লৈ বাদ্য বজাই আৰু বিশেযতঃ তাত প্ৰসাদ হিচাবে জন্তু বলি দি জন্তুৰ মাংস দিয়া হৈছিল।

লোককলা সমূহৰ ভিতৰত ওজাপালী নৃত্য আন কলা সমূহৰ স্ৰষ্টা বুলি কলেও ভুল কোৱা নহ'ব। কিয়নো কলা সমূহৰ ভিতৰত ই প্ৰাচীনতম। নাট, ভাওনা আদি সকলো ওজাপালিৰ পৰা সৃষ্টি হোৱা বুলি অনুমান কৰা হয়।

## ওজাপালী দুটা ভাগত বিভক্ত ঃ

প্ৰথম ঃ ওজাপালী শক্তি দেৱী সকলৰ উপাসক। মনসা, দুৰ্গা, কালী আদিৰ দৰে দেৱী সকলৰ উপাসনা এওঁলোকৰ মুখ্য কৰ্ম। কবলৈ হলে পুৰাণৰ আধাৰত এই ওজাপালী সকলে ৰচিত পদ পুথি সমূহ ব্যৱহাৰ কৰে বেছিকৈ। যেনে আদি পুৰাণ, পদ্মাপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ,

ব্ৰহ্ম বৈৱৰ্ত্তেয় পুৰাণ, শিৱ পুৰাণ, কালিকা পুৰাণ আৰু ভাগৱত পুৰাণৰ কিছু অংশ এই ওজাপালী সকলৰ পৰিৱেশ্য। মূলত ওজাপালীক পদ্মপুৰাণ দল বুলিও কোৱা হয়। কাৰণ সাধাৰণতে পদ্মপুৰাণত ৰচিত বেউলা লখিন্দাৰৰ কাহিনী ওজাপালী সকলে বেছিকৈ গাই বাবে শুকন্নানী ওজা বোলে। পদ্মপুৰাণৰ ৰচক সুকবি নাৰায়ণী নকৈ চিধাকৈ শুকনান্নী কোৱা হয়। 'পদ্মপুৰাণ' শিৱ কন্যা পদ্মাৱতীৰ জন্মৰ পৰা তেওঁৰ অলৌকিক শক্তিৰ বহু কাহিনী সম্বলিত পদ্মপুৰাণ শিৱকন্যা দেৱী পদ্মাৰ আন নাম যেনে- মনসা, পদ্মাৱতী, জৰৎকাৰী, অস্তিক মাতা, নাগমাতা, বিষহৰি আদি নানা নামেৰে শিৱ দুহিতা পদ্মাক চিনাকি দিয়া হয়। দেৱী পদ্মাৰ জন্ম পাতালত হোৱা বাবে তেওঁক পাতালবাসিনী বুলিও কোৱা হয়। পদ্মাপুৰাণখন সাধাৰণতে দেৱতা আৰু মানৱৰ বিবাদ কাহিনী। অৰ্থাৎ দেৱী মনসা বা পদ্মাৱতী বৰ্ত্তমানৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত চম্পক নগৰ নামৰ ঠাইত। বণিক ৰজা চন্দ্ৰধৰ বা চান্দ সদাগৰৰ লগত বিবাদৰ কাহিনীয়ে পদ্মপুৰাণৰ মূল কাহিনী বুলি অভিহিত কৰিব পাৰি। এই বৰ্ত্তমানৰ চান্দডুবি বিলেই চান্দ সদাগৰৰ ৰাজধানী আছিল বুলি প্ৰবাদ আছে। তাৰ আন এটা নিদৰ্শন মেৰ ঘৰৰ ভগ্নাৱশেষ চাণ্ডী মন্দিৰ ইত্যাদি। পদ্মপুৰাণৰ পাতনিত এই সম্পৰ্কে আন আন কিছু পণ্ডিতৰ মতদৰ্শন মতে বেউলা লক্ষিন্দৰৰ কাহিনী বেঙ্গলৰ বুলি ক'ব খোজে। এনেকি চান্দ সদাগৰৰ প্ৰিয় পত্নী সনেকাৰ নামেৰে তাত হেনো সোনাই দিঘি নামৰ এটা নদীও আছে। যিয়ে যি মত নিদিয়ক পদ্মপুৰাণৰ ৰচক পণ্ডিত সুকবি নাৰায়ণ দেৱ অসমীয়া বুলি বহু পণ্ডিতে মত দাঙি ধৰে। আনহাতে দেৱ

উপাধি বঙালী মানুহৰ বুলি কিছুমানে নাৰায়ণ দেৱক বঙালী পণ্ডিত বুলি মত পোষণ কৰে। অসমত থকা ব্ৰাহ্মণ সকলে নামৰ শেষৰ ফালে দেৱশৰ্মা, দেৱ ভাগৱতী, দেৱ মিশ্ৰ আদিৰ জৰিয়তে নাৰায়ণ দেৱক অসমীয়া পণ্ডিত বুলি কোৱা থল আছে। ফহিয়াই চাবলৈ হ'লে পদ্মপুৰাণৰ পদ বা কাহিনী লিখকৰ এক যাদুকৰী শক্তি নিহিত হৈ থকা বুলি অনুভৱ হয়। ইয়াৰ অধ্যয়ন কৰাৰ পিছত বা ওজাপালী সকলে পৰিৱেশন কৰাৰ পাছত অনুমান কৰিব পাৰি যে পদ্মপুৰাণ খনেই একমাত্ৰ পুৰাণ য'ত নৱ ৰসৰ সঞ্চাৰ হৈছে।পদ্মপুৰাণত নিবদ্ধিত নৱৰস

১। আদিৰস　　২। বীৰ ৰস

৩। হাস্যৰস　　৪। বিভৎৰস

৫। কৰুণ ৰস　　৬। ভয়ানক ৰস

৭। শান্ত ৰস　　৮। অদ্ভুত ৰস

৯। ৰুদ্ৰ ৰস

জন বিশ্বাসত দেৱী মনসা মনৰ কামনা বাসনা পুৰ্ণ কৰা দেৱী মনসাৰ পূজাৰ মূলত

ক) ব্ৰাহ্মণ　　খ) ওজাপালী অপৰিহাৰ্য্য

**পূজাৰ ভাগ আৰু অঙ্গ ঃ**

পূজা ২ ভাগত বিভক্ত

১। নিৰামিষ বা বৈষ্ণৱী পূজা

২। সামিষ বা বলী বিধান প্ৰদান প্ৰণালী

মনসা পূজা বৰ্ত্তমানতো অসমৰ বিভিন্ন স্থানত বহুলভাবে প্ৰচলিত।

এদিনৰ পৰা এঘাৰ দিনলৈ বৰ্ত্তমান সময়তো মনসা পূজা কৰা হয়। দেৱ-দেৱীৰ পূজাৰ যিসকল পূজাৰী, এই পূজাৰী সকলো একোজন শিল্পী, কলাসাধক। পূজাৰ বেদীত প্ৰতিস্থাৰ বাবে যিখন মণ্ডপ কৰা হয় তাক বিভিন্ন দ্ৰব্যৰ গুৰিৰে যেনে—

১। চাউলৰ গুৰি

২। ফাকু গুৰি

৩। বেলপাতৰ গুৰি

৪। পতানৰ গুৰি

৫। হালধীৰ গুৰি

এই দ্ৰব্য সমূহেৰে বৈদিক পদ্ধতি মতে মণ্ডল অঙ্কন কৰা যি প্ৰণালী ই এক বিশেষ কলা বুলি অভিহিত কৰিব পাৰি।

মণ্ডল সমূহ ঃ

১। সৰ্বত্ৰোভদ্ৰ মণ্ডল　　২। নৱ নভ মণ্ডল

৩। পঞ্চব্জ মণ্ডল　　৪। স্বল্প সৰ্বতো ভদ্ৰমণ্ডল

## পূজাই সমাজৰ কি উৎকৰ্ষ সাধন কৰে ঃ

বিশেষকৈ পূজা-পাৰ্বণে সমাজত পৱিত্ৰতা সংগ্ৰহ, ভাতৃত্ববোধ, জ্ঞানবোধ আৰু ধৰ্মৰ প্ৰতি বা ভগৱান ভগৱতীৰ প্ৰতি মন অনুধাৱন কৰে। পূজাৰ কেইবাদিন আগৰ পৰা ঘৰ বা সমাজে ঘৰৰ আচবাব, বিচনা পত্ৰ এনেকি ৰন্ধা ঘৰৰ বাচন-বৰ্ত্তন ধুই পখালি পৱিত্ৰভাবে ৰাখে। মাদক দ্ৰব্য আদি বৰ্জন কৰি এটা সুশৃংঙ্খল পৰিৱেশ গঢ়ি তোলা হয়। ব্যক্তি বিশেষৰ

ঘৰত পূজা হলেও চুবুৰীয়াৰ ঘৰতো একে পৱিত্ৰতা বিৰাজ কৰে। প্ৰতিজন মানুহৰ মনৰ ভাৱ ভক্তিৰে পূৰ্ণ হয়। জানোচা অপবিত্ৰ মনোভাবে বা অপবিত্ৰ বস্ত্ৰ আদিৰ পূজাত প্ৰৱেশ কৰিলে দেৱ-দেৱী অসন্তুষ্ট হলে ঘৰ বা পৰিয়ালৰ অন্যায় হ'ব পাৰে। সেয়েহে সকলোৱে এক পৱিত্ৰ ভাৱধাৰা মনত পোষণ কৰো। এই ভাৱধাৰা তলৰ চামৰ হৃদয়ত স্পৰ্শ কৰাৰ পিছত এই সকল ব্যক্তি সমাজৰ অনাদৃত পথলৈ ঢাপলি মেলিবলৈ সুযোগ নাপাই। ফলত এখন সুস্থ আৰু সংহত সমাজ সৃষ্টি হয়।

পূজা-পাৰ্বণত ব্যৱহৃত ওজাপালীৰ পৰিচয় ঃ

ওজাপালি প্ৰাচীনতম লোক কলা ওজাপালী দল সমূহত পাঁচজনৰ পৰা সাত জনলৈ সদস্য থাকে।

১। ওজা — ২। ডাইনাপালী

৩। মুখ্য পালী — ৪। পালী

৫। পালী — ৬। পালী

## পোচাক পৰিচ্ছদ ঃ

সাধাৰণতে বৰ্ত্তমানৰ ওজাপালী ধুতি, পাঞ্জাৰী ব্যৱহাৰ কৰে। ওজা আৰু ডাইনাপালী একোখন চাদৰ আৰু পালী সকলে ডিঙিত গামোচা লয়। প্ৰৱাদ আছে প্ৰায় এশ বছৰ মান আগত ওজাজনে ডিঙিত মনি, কাণত থুৰিয়া, মুৰত পাগ ব্যৱহাৰ কৰিছিল। কালাক্ৰমত এইবোৰৰ ব্যৱহাৰ বৰ্ত্তমান সমাজত নাই। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি নামনি অসম আৰু মধ্য অসম অৰ্থাৎ দৰঙ্গীয়া ওজাপালীৰ মাজত কিছু পাৰ্থক্য

নথকা নহয়। দৰঙ্গীয়া ওজা দলত নামনিৰ ওজাদলৰ দৰে লগত কিছু ক্ষেত্ৰত অমিল হয়। দৰঙ্গীয়া ওজাই মুৰত পাগ লয় আৰু বাকী সকলে পাঞ্জাৰীৰ পৰিৱৰ্তে ধুতি, গেঞ্জি, মুৰত মেৰিওৱা পাগুৰি আৰু গামোচা ব্যৱহাৰ কৰে। দৰঙ্গীয়া ওজা দলৰ পালী-ডাইনাপালী আটাই কেইজনক একেই দেখা যায়। আটাইবোৰে হাতেৰে মোচন বা ভঙ্গিমা কৰা দেখা যায়। কিন্তু নামনি অসমৰ ওজাপালী যেতিয়া নৃত্য-গীত পৰিৱেশন কৰে পালী সকলে এটা শাৰীত থিয় হৈ পালী-ডাইনাপালীক সহায় কৰে কিন্তু ভঙ্গিমা নকৰে। দৰঙ্গীয়া ওজা দলত পাঁচৰ পৰা ন জন পৰ্যন্ত শিল্পী থাকে। কাৰণ এখেত সকলে ঢোল তাল লগত লৈ যায়। ওজা গোৱাৰ উপৰিও ওজা দলৰ শিল্পী বলি বা আৰতী অথবা দেওধা দেওধনী নৃত্যৰ সময়ত ঢোল বাদ্য কৰা দেখা যায়। কিন্তু নামনি অসমৰ ওজাপালী সকলে ঢোল, বাদ্য নকৰে। দৰঙ্গীয়া ওজাই প্ৰয়োজন অনুসৰি দেওধনী লগত লৈ যায়। নামনি অসমৰ ওজা দলে দেওধা বা দেওধনী নচুওৱা পদ্ধতি আছে কিন্তু দেওধা দেওধনী লগত নিনিয়ে। এইয়া গৃহস্থ বা সমাজে নিমন্ত্ৰণ কৰে। আনহাতে তুলনামূলক ভাবে দৰঙ্গীয়া আৰু নামনি অসমৰ ওজাপালিৰ মাজত কিছু কিছু ক্ষেত্ৰত অমিল দেখা গলেও ইয়াক বিভক্ত কৰিব নোৱাৰি কাৰণ ওজাৰ মূল ভাগ মাত্ৰ দুটা।

১। সুকনান্নী ওজা

২। বিয়াহৰ ওজা

সুকনান্নী ওজা পুৰাণৰ আধাৰত পদ প্ৰচাৰিত আৰু ব্যাসৰ ওজা (ভাওৰীয়া) সকল ৰামায়ণ মহাভাৰত কাব্যৰ আধাৰত প্ৰতিস্থিত। বিয়াহৰ

ওজাজনে পাঞ্জাৱী চোলা বা ধুতী ব্যৱহাৰ নকৰে। ওজাজনে জামা চোলা, মূৰত টুপি, ককালত কলা ৰঙৰ এখন দীঘল কাপোৰ। যাক (টঙালি বুলি ক'ব পাৰি) ব্যৱহাৰ কৰে। ওজাদলৰ দৰে ব্যাসৰ ওজা বা ভাওৰীয়া দলত পাঁচ-ছয়জন শিল্পী থাকে। ভাওৰীয়া শিল্পী সকলে কপালত বগা ফোট লয়। ভাওৰীয়া দলৰ শিল্পী ব্যৱহাৰ কৰা তাল দুই হাতে দুপাত লৈ বজাই। কিন্তু ওজাপালী এখন হাতেৰে তাল বজায়।

ওজাপালীৰ তাল-

১। মঞ্জুৰী ২। ভাওৰীয়া তাল (খুটিতাল)

ভাওৰীয়া ওজা গুৰুজনা শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টি। সত্ৰীয়া নৃত্য ভাওনাৰ সূত্ৰধাৰ আদিৰ পোচাক পৰিচ্ছদ, তাল ভঙ্গিমা আদি ভাওৰীয়া ওজা দলৰ লগত মিল দেখা যায়। ৰামায়ণ, মহাভাৰতৰ আখ্যানবোৰ ভাওৰীয়াই পৰিৱেশন কৰে। ভাওৰীয়া দলৰ ডাইনা পালীজনে তত্ত্বগধুৰ বাখ্যাৰ পৰিবৰ্ত্তে প্ৰায় সময়তে হাস্যৰস উপস্থাপন কৰে বেছি। আচলতে ব্যাসৰ ওজা বা ভাওৰীয়া সম্পূৰ্ণ বৈষ্ণৱ পন্থী। সবাহ নাম আদিত ভাওৰীয়া ওজাই নৃত্য-গীত পৰিৱেশন কৰে। কালক্ৰমত ভাওৰীয়া দলেও ওজাপালীৰ দৰে দুৰ্গা পূজা, লক্ষ্মী পূজা ইত্যাদি পূজাতো নৃত্য, গীত পৰিৱেশন কৰা দেখা যায়।

শিক্ষা ঃ

ওজা বা ভাওৰীয়া দল সমূহ অনানুষ্ঠানিক শিক্ষাৰ ভিত্তিত এই শিক্ষা গ্ৰহণ কৰে। কাৰণ এই সকল শিল্পীৰ শিক্ষা লাভৰ বাবে কোনো ধৰণৰ শিক্ষাৰ কেন্দ্ৰ নাই। এই কলাৰ জন্ম লগ্নৰে পৰা ই আনুষ্ঠানিক

শিক্ষাৰ পোহৰ নেপালে। ওজাপালী বা ডাওবীয়া শিক্ষা গ্ৰহণ কৰিবলৈ কেইজনমান উদ্যোগী ডেকাই যেতিয়া মনস্থ কৰে তেওঁলোকে চিন্তা কৰি পুৰণি চামৰ এজনক গুৰু মানি এই শিক্ষা গ্ৰহণ কৰে। চাৰিৰ পৰা ছয় মাহ মানৰ ভিতৰত দলটো অহোপুৰুষাৰ্থ কৰি শিক্ষকজনে তেওঁলোকক শিক্ষা দান কৰি সৰু সাধাৰণ উৎসৱ বা পূজা পাৰ্বনত নৃত্য-গীত পৰিৱেশন কৰিব পৰাকৈ গঢ় দিয়ে। পৈনত সুনাম অৰ্জন কৰিব পৰা দল এটা সাধাৰণতে পাঁচ বা তাতোধিক বছৰ পৰ্যন্ত শিক্ষা গ্ৰহণ কৰিব লাগে। পৰিসীমাহীন এটা শিক্ষা। বিভিন্ন শাস্ত্ৰ বা বিভিন্ন ধৰ্মমূলক পুথি ওঝা ডাইনাপালীজনে অধ্যয়ন কৰিব লাগে। শাস্ত্ৰৰ উপমা সমূহ যিমান শ্ৰুতিমধুৰ কৰি উপস্থাপন কৰিব পাৰে সিমানে ওজা দলটি সুনাম অৰ্জন কৰিব পাৰে। সমাজত দলটিক প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়।

## আসোৱাহ ঃ

ওজাপালী দলৰ শিল্পী সকলে আগতে প্ৰায় নিৰক্ষৰেই আছিল, দুই এজন শিল্পী আখৰ চিনি পোৱা ধৰণৰ... এই কলাটো গ্ৰহণ কৰিছিল। কিন্তু অতি আচৰিত নিৰক্ষৰ বা সাধাৰণ শিক্ষাৰ মানুহ এজনে ইমানবোৰ পদ কেনেকৈ মুখস্থ কৰি সৰসৰীয়াকৈ ঘণ্টাৰ পিছত ঘণ্টা পৰিৱেশন কৰিব পাৰে। এইয়া এক প্ৰশ্নবোধক। সাধাৰণতে দেখা যায় থিয়েটাৰ বা যাত্ৰা দল সমূহে নাটকখন বহুদিন আখৰা কৰি পিছত নাট মঞ্চস্থ কৰাৰ সময়ত স্মাৰকে বচনবোৰ সোঁৱৰাই দি থাকিব লাগে। নাম দল সমূহে প্ৰয়োজনবোধে নামৰ বহি মজুত ৰাখে। কিন্তু ওজাপালীত ইয়াৰ এটাও

নাই। বিভিন্ন শাস্ত্ৰ মুখস্থ কৰি সমাজৰ মাজত বিভিন্ন ৰস সন্নিবিষ্ট কৰি উপস্থাপন কৰে। আনহাতে এই কলাবিধৰ ওপৰত কোনো ধৰণৰ গৱেষণামূলক আঁচনি নলোৱা বাবে যুগে যুগে পদ পুথিবোৰ ভুলৰ মাজতে চলি আছে। আগেয়ে উল্লেখ কৰা হৈছে পদ পুথিবোৰ ইজনৰ পৰা সিজনলৈ মৌখিকভাৱে চলি থকাত ইয়াৰ কোনো ক্ষেত্ৰত পদৰ অৰ্থবোৰ বিকৃত হৈ যায়। বহুক্ষেত্ৰত ছন্দৰ বিচ্যুতি ঘটে। অৰ্ধশিক্ষিত বা অশিক্ষিত শিল্পী সকলে এই পদপুথিবোৰ চিৰাচৰিত ভাৱে গ্ৰহণ কৰি আহিছে। আনুষ্ঠানিক শিক্ষাৰ অভাৱত এইবিধ কলাৰ শিল্পী সকল চিৰদিনে বঞ্চিত। এচামে এই ক্ষেত্ৰত দুখ নকৰা নহয়। কাৰণ চৰকাৰে এই ক্ষেত্ৰত কোনো ধৰণৰ মনোনিৱেশ কৰা নাই। প্ৰাগ ঐতিহাসিক যুগৰ এই সংস্কৃতি আজিও সাধাৰণ মানুহৰ সমাজখনত বিজ্ঞ ব্যক্তিসকলে এই কলাবিধৰ মূল্যাংকন কৰা দেখা যায়। এইচাম শিল্পী নৃত্যগীত পৰিৱেশন কৰাৰ বিনিময়ত পোৱা সাধাৰণ পাৰিশ্ৰমিকেৰে ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, পৰিয়ালৰ ভৰণ-পোষণ সকলো কৰিব লাগে। কেতিয়াবা এই শিল্পী সকলে সাধাৰণ শ্ৰমিকৰ দৰে মানুহৰ ঘৰে ঘৰে কাম কৰিবলৈ যাব লাগে। এইয়া এখন দেশৰ সংস্কৃতি ৰক্ষক সকলৰ বাবে এক পৰিতাপ আৰু লজ্জাজনক কথা। দেশীয় চৰকাৰ, সংস্কৃতি প্ৰেমী সকলে যদি সোনকালে ইয়াৰ ওপৰত মনোনিৱেশ নকৰে এদিন এই কলাবিধ আন বহু লুপ্ত হৈ যোৱা কলাৰ দৰে লুপ্ত হৈ যাব। ঐতিহাসিক যুগৰ এই প্ৰাচীনতম কলাই এদিন অসমীয়া জন জীৱনৰ পৰা ইতিহাস হৈ যাব। বৰ্তমানত চৰকাৰে বনৰ জীৱ-জন্তু, গছ-লতিকা, মাছ-কাছ, সংৰক্ষণ কৰা সময়ত সংস্কৃতি সংৰক্ষণ কৰিব নিবিচৰাটো

অতিকৈ চিন্তনীয়। দেশৰ ভাষা, কলা-সংস্কৃতিয়ে যদি দেশৰ মেৰুদণ্ড হয় তেনেহ'লে লোককলাবোৰ হেৰায় যোৱাৰ লগে লগে মেৰুদণ্ডৰ কামী হাড়বোৰ ভাগি যোৱা নহবনে?

মেৰুদণ্ড নিশকতিয়া নহবনে তথাপি দেশৰ কৰ্ণধাৰ সকলে ইয়াক ৰক্ষা কৰিববলৈ মনোনিৱেশ নকৰাটো দেশৰ কলা জগতখনৰ বাবে শুভ লক্ষণ নহয়। ওজাপালী নৃত্য-নাটক, কলাবিধ ক্ৰমান্বয়ে ধ্বংসৰ গৰাহলৈ আগবাঢ়ি গৈ আছে। শেষৰ ফালে তাৰ এটা চমু আভাস দাঙি ধৰিলো। নব্বৈ দশকৰ পৰা বহু শিক্ষিত মানুহ এই ওজাপালী দলত যোগদান কৰিছিল আৰু এই সকলৰ জৰিয়তে ওজাপালী এটা নতুন মাত্ৰা নোপোৱা নহয়। অন্তত এই শিক্ষিত চামে যথাসাধ্যে পদ, পুথিবোৰ শুদ্ধ কৰি অৰ্থপূৰ্ণ আৰু শ্ৰুতিমধুৰ কৰি তুলিছিল। কিন্তু পৰিতাপৰ কথা যান্ত্ৰিক যুগত ওজাপালীৰ চাহিদাৰ প্ৰতি আৰু ভৱিষ্যতৰ প্ৰতি লক্ষ্য কৰি এইচাম শিল্পী হীনমন্যতাত ভুগিছে। নিৰাশাৰ ছবি এখন সমাজত পৰিস্ফুত হৈ উঠিছে। ফলত নতুন চামৰ মাজত ইয়াৰ প্ৰতি একাগ্ৰতা দেখা পোৱা নাযায়।

**পৰিশ্ৰমিক ঃ**

চিনেমা, থিয়েটাৰ, ওজা, ঢুলীয়া, পুতলা নাচ এই সকলো কলা, এই সকলো কলা শিল্পী, তুলনামূলক ভাবে যদি চোৱা যায় দেখা যায় যে যি সকল লোককলা শিল্পী তেওঁলোকৰ কলাৰ মানদণ্ড উচ্চ কিন্তু তেওঁলোকৰ কলাৰ মূল্য যথেষ্ট নিম্ন, এজন চিনেমা শিল্পীৰ পাৰিশ্ৰমতকৈ লোক কলা শিল্পীৰ পৰিশ্ৰম বহু গুণে বেছি কষ্টকৰ। অথচ এই শিল্পীৰ

জীৱন নিৰ্বাহৰ ছবিখন অতি কৰুণ আৰু চিন্তনীয়। অৰ্থাৎ কলা সাধন কৰি দিন হাজিৰা কৰা মানুহৰ ন্যায় এওঁলোকে জীৱন যাপন কৰিব লগা হয়। একোজন চিনেমা শিল্পী, থিয়েটাৰৰ শিল্পী, ক্রিকেটাৰ, ফুটবল তাৰকাৰ পাৰিশ্রমিক কোটি বা লাখৰ সংখ্যাত নিবদ্ধ, কিন্তু দেশীয় কলাকাৰ সকলৰ পৰিশ্রমিক হেজাৰৰ ঘৰলৈ যাবলৈও কুণ্ঠাবোধ কৰে। আনহাতে এনেবোৰ কলা মানুহৰ ঘৰে-চোতালে হয়, গাওঁৰ নামঘৰত ৰাইজে দিয়া দান-বৰঙণিৰ জৰিয়তে প্রদর্শিত হয়। সেয়েহে সাধাৰণ গাঁওবাসী এই শিল্পীচামক উচিত মূল্য দিব নোৱাৰে বা দিয়াতো সম্ভৱ নহয়। অতি আচৰিত যিবিধ কলা নহলে ধৰ্মীয় অনুষ্ঠান সমূহৰ সৌষ্ঠৱ নাইকিয়া হৈ যাব, ধৰ্মীয় পৰম্পৰাত ব্যাঘাত জন্মিব তেনে এবিধ কলা জীয়াই ৰখাৰ দায়িত্ব দেশৰ চৰকাৰৰ হোৱা উচিত। ইয়াক জীয়াই ৰাখিবলৈ দেশৰ চৰকাৰখনে উদ্যোগ ল'ব লাগিব। জনপ্রতিনিধিসকলে নিজৰ অঞ্চলৰ কলা-কৃষ্টি সমূহ বিকাশত অগ্রণী ভূমিক গ্রহণ কৰিব লাগিব। সদনত এই কলা কৃষ্টি সমূহৰ ৰক্ষণাবেক্ষণ সম্পৰ্কে আলোচনা কৰি তাৰ ওপৰত বিজ্ঞান ভিত্তিত গৱেষণা, আলোচনাৰ মাধ্যমেৰে কলা সমূহৰ মানদণ্ড নিৰ্ধাৰণ কৰি দেশৰ কলা-সংস্কৃতিক ৰক্ষণা-বেক্ষণ দি জাতীয় সম্পদ সমূহৰ বহুল প্রচাৰ কৰি বিশ্ব মঞ্চলৈ আগবঢ়াই নিয়াৰ প্রচেষ্টা দেশীয় চৰকাৰৰ কৰণীয়।

ওজাপালী ভাওৰীয়া অতি কঠিন কলা। একেলগে আঠ দহ ঘণ্টা পৰিৱেশন কৰা, পৰিশ্রম কৰা বৰ কষ্ট। ধৰ্মীয় পৰম্পৰাৰ লগত সংগতি ৰাখি এই কলাবিধে অতীজৰ পৰা পৱিত্র ভাৱৰ বশৱৰ্ত্তী হৈ লঘোনীয়া পেটেৰে বন্দনা সমূহ পৰিৱেশন কৰে।

দেৱীৰ পূজা ভাগৰ এক নিয়মানুৱৰ্ত্তীতা সময় সাপেক্ষেহে ওজাপালী আহাৰ গ্ৰহণ কৰে। অনুষ্ঠান পৰিৱেশন কৰাৰ সময়ত শিল্পীসকলে অৰ্ধাহাৰি হৈ থাকে। পেট পুৰাই তেওঁলোকে আহাৰ গ্ৰহণ কৰিলে নৃত্য কৰাৰ সময়ত দেহত কষ্ট অনুভৱ হয়। সেয়েহে এই সকল শিল্পী পেট পূৰ্ণ কৰি আহাৰ গ্ৰহণ নকৰে।

**পূজা অনুষ্ঠানত শিল্পী আৰু সময় ঃ**

যদি এখন তিনিদিনীয়া মনসা পূজা হয় শিল্পী সকলে কেনে ধৰণে সময় অতিবাহিত কৰে।

তিনিদিনীয়া পূজাখনত তিনি দিনক তিনি ভাগত বিভক্ত কৰা হয়।

প্ৰথম দিন — জাগনী

দ্বিতীয় দিন — ভড়

তৃতীয় দিন — বিসৰ্জন

প্ৰথম দিনৰ কাৰ্য্যসূচী নিশা ছয়-সাত বজাৰ পৰা আৰম্ভ কৰা হয়। মণ্ডপৰ নিৰ্মাণ কৰ্ম সম্পাদন কৰি পৱিত্ৰ ভাবে (প্ৰতিমা থাকিলে প্ৰতিমা থাপনাত স্থাপন কৰি) ব্ৰাহ্মণ-পুৰোহিতে জাগনী (আবাহন) পূজা আৰম্ভ কৰে। মণ্ডপৰ সন্মুখ ভাগত ব্ৰাহ্মণৰ আসনৰ কিছু আতৰত ওজাপালীক আসন দিয়া হয়। আসনৰ ওচৰত এখন সৰু থাপনা, কলপাত, নৈবদ্য, ধূপ-চাকি, তামোল-পান, সাধাৰণ অৰ্থমূল্য দি ওজাপালীৰ সন্মুখত দিয়াৰ পিছত ব্ৰাহ্মণে পূজা আৰম্ভ কৰা মুহূৰ্তত উৰুলী, শংখ, ঘণ্টা, ভোৰতাল, খোল আদি বাদ্য কৰি পূজা আৰম্ভ কৰা হয়। ব্ৰাহ্মণে আৰম্ভ কৰাৰ পিছত—

**ওজাপালীৰ প্ৰথম কৰণীয় ঃ**

১। এযোৰ তাল নৈবদ্যৰ পাতত দি হুঙ্কাৰ আৰম্ভ

হুঙ্কাৰ— সঙ্কেত, সাৱধান

ক) অৰ্থাৎ হুঙ্কাৰ প্ৰতিজন সমজুৱা বা তাত উপস্থিত থকা আটাইবোৰে হাই-উৰুমি বন্ধ কৰি অনুষ্ঠানৰ প্ৰতি মন ধাৱমান কৰিবলৈ কৰা সংকেত বা আহ্বান।

খ) ওঁম তা না না ৰি তে না থে না

চা ৰে গা মা পা ধা নি চা

স্বৰলিপিৰে মাত আৰু বাদ্যৰ সংগত কৰা ঐক্যবদ্ধ স্বৰধ্বনি

গ) ওঁম শব্দেৰে নেদখা জনক স্মৰণ কৰি তা না না আদি আখৰৰ ধ্বনিৰে স্মৰণ কৰা হাৰশ্ব ভক্তি।

২। হুঙ্কাৰৰ পিছত এইবাৰ (সংযতভাবে) যি তাল হাতত লৈ দেৱ-দেৱীৰ আৱাহন সঙ্গীত বা বন্দনা আৰম্ভ কৰা হ'ব সেই (মঞ্জুৰ) তালৰ + জৰিত থকা পটাব জন্ম কাহিনী গোৱা হয়।

ক) তালপাটাৰ জন্ম.

তালপাটাৰ জন্ম শেষ হোৱাৰ পিছত ভক্তিভাৱে নৈবদ্যৰ পাটত থকা তালযোৰ আনি আটাই কেইজন (ওজাত বাহিৰে) শিল্পী তাল লৈ বন্দনাৰ বাবে প্ৰস্তুত হ'ব।

**বন্দনাৰ প্ৰথম স্তৱ-**

১। গণেশ বন্দনা

২। শিৱ বন্দনা

৩। কৃষ্ণ বন্দনা

৪। সৰস্বতী বন্দনা

৫। মনসা বন্দনা

পঞ্চ বন্দনাৰ অন্তত মনসা পূজাৰ আৰাধ্য দেৱী মনসাৰ জন্ম খণ্ড গোৱা হয়। দেৱীক জন্ম কৰি, তেওঁৰ নিৰ্মাণ নামৰ দেৱী গৰাকী মনসাক প্ৰাণ জ্ঞান দি চৈতন্যময় দেৱী হিচাপে তেওঁক আসনাধিস্ত কৰে। দেৱীৰ জন্ম খণ্ড শেষ হোৱাৰ পিছত পুনৰ দেৱী বন্দনা দুই এটা গোৱাৰ পিছত পূজাখনৰ জাগনী অধ্যায় আৰম্ভ কৰিব।

**জাগনী সূত্ৰ সমূহ**

১। ঘটৰ জন্ম

২। তামোল পাণৰ জন্ম

৩। তুলসীৰ জন্ম

৪। মণ্ডপ নিৰ্মাণ

৫। মণ্ডপ সোধন

৬। ঢেকীৰ জন্ম

৭। মণ্ডপৰ গুৰি সৃষ্টি

৮। মণ্ডপ জাগনী

৯। দেৱ দেৱীৰ আৱাহন

১০। দেৱ দেৱী নিমন্ত্ৰণ

জাগনী শেষ হোৱাৰ পিছত গৃহস্থই প্ৰথম দিনৰ পূজা ভাগৰ

অন্তত শান্তি গ্রহণ কৰি প্রসাদ বিতৰণৰ পিছত সিদিনাৰ বাবে প্রথম দিনৰ কাৰ্য্যসূচী সমাপ্ত কৰা হয়। এতিয়া আমি পূজাৰ মাধ্যমত সমাজৰ ওপৰত কি প্ৰভাৱ পৰিল তাৰ এটা সাধাৰণ উদাহৰণ দাঙি ধৰিব পাৰো। ধৰিললো নিশা এঘাৰ বাজিল। এই এঘাৰ বজালৈ গৃহস্থ, আলহী-দুলহী, ওজাদল আৰু চুবুৰীয়া সকলোবোৰ উপবাসেৰে ৰাতিপুৱাৰে পৰা নিশা এঘাৰ বজালৈ পৱিত্ৰ অন্তৰেৰে সভক্তিৰ অন্তৰ এখনেৰে ধৰ্মৰ নামত ভোক ভাগৰৰ অনুভৱ নোহোৱালৈকে সময় অতিবাহিত কৰিছে।

## ভড়

পিচদিনাখন ৰাতিপুৱাৰে পৰা ঘৰ-চোতাল পৱিত্ৰ ভাবে সৰা-মুচা, ৰাস্তালৈ গোবৰপানী, তুলসীৰ পৱিত্ৰ পানী চতিওৱা ইত্যাদি।

আন এচামে ফুল, তুলসী, ডুবা, বেলপাত প্ৰচুৰ পৰিমানে সংগ্ৰহ কৰি মণ্ডপৰ ওচৰত আনি থোৱা। পুৰোহিতে প্ৰয়োজনীয় দোনা পতুৱা বা পূজাৰ সময়ত প্ৰয়োজনীয় দ্ৰব্য সমূহ যথা সময়ত যাতে বিচাৰি ফুৰিব নালাগে তাৰ বাবে সকলোবোৰ হাতেৰে ঢুকি পোৱাকৈ যতনাই থোৱা ইত্যাদি কামবোৰ শেষ কৰি জল আহৰণৰ বাবে মূল ঘট আৰু মহাস্নানৰ বাবে অষ্ট ঘট আনি তাক বিধি সন্মত নীতিৰে সোধন কৰি গৃহস্থ, চুবুৰীৰ, সমাজ, বিশেষকৈ তিৰোতা সকল জল আহৰণৰ বাবে প্ৰস্তুত হৈ আছে। ঠাই বিশেযে ব্ৰাহ্মণে জল আহৰণৰ বাবে নদী, জান জুৰিৰ পুখুৰীলৈ সমাজৰ লগত যোৱা দেখা যায়।

## জল আহৰণ

### (ক)

দিনৰ দহ-এঘাৰ বজাৰ ভিতৰত ঢোল, খোল, তাল, বৰকাহ আদি বজায় আয়তী সকলে উৰুলি দিয়ে আৰু ওজাপালীয়ে দেৱী বন্দনা গায় জল আহৰণ কৰিবলৈ যায় যদিওৱা জল আহৰণৰ বৈদিক নীতি নাই। চিৰাচৰিত ৰীতিৰে জল আহৰণ কৰা হয়। এইয়া এক পৱিত্ৰ সমাজ আপ্লুত কৰা পৰম্পৰা। পানী ঘাটত ব্ৰাহ্মণ সকলে সাধাৰণ মণ্ডপ নিৰ্মাণ কৰি তাত ঘট প্ৰতিষ্ঠা কৰি জল দেৱতাৰ পূজা অৰ্পণ কৰাৰ পিছত ঘট পূৰ্ণ কৰি পানী লৈ পুনৰ আনন্দেৰে ঘৰলৈ উলটি আহি ব্ৰাহ্মণৰ নিৰ্দেশত সাতবাৰ মণ্ডপ প্ৰদক্ষিণ কৰি মূল ঘটটো ব্ৰাহ্মণে মণ্ডপত বহুৱাই (প্ৰতিষ্ঠা কৰে) আৰু বাকী ঘটবোৰ মণ্ডপৰ ভিতৰত সজাই একেলগে ঢাকনি দি থয়। তাৰ পিছত সকলোৱে মুখ-হাত, ভৰি ধুই কিছু সময়ৰ বাবে জিৰণি লৈ দ্বিতীয় দিনৰ মুখ্য পূজাৰ বাবে প্ৰস্তুত হয়।

### (খ)

কিছুমান ঠাইত এই জল আহৰণ ব্যৱস্থা নাই। তেনেকুৱা স্থান সমূহত একে সময়ৰ পৰা পূজাৰ যা-যোগাৰ কৰি ব্ৰাহ্মণ-পুৰোহিতে পূজা আৰম্ভ কৰে। ইয়াতো পূৰ্বে উল্লেখ কৰাৰ দৰে ব্ৰাহ্মণ পূজাত বহাৰ সময়ত নানা বাদ্য, উৰুলি-জোকাৰে পূজা আৰম্ভ কৰা হয়। এনে সময়ত আন এক লোক কলা সংস্কৃতি ঢুলীয়া সংযোগ হয়। ঢুলীয়াৰ ঢোলৰ চেওত উৎসৱমুখৰ পৰিৱেশক আৰু বেছি গহীন আৰু ভক্তিযুক্ত কৰি তোলে।

চুবুৰীয়া বা দুৰ-দূৰণিৰ আলহি-দুলহী যথাসাধ্যে পূজাৰ বাবে প্ৰসাদ বুট-মুগ, কল, ধূপ, চাকি গাখীৰ আদি লৈ পূজাথলীত উপস্থিত হয় আন কিছুমান ভক্তই দেৱীৰ সন্তুষ্টিৰ বাবে কণী, পাৰ আদিয়ো লৈ আহে

ব্ৰাহ্মণে পূজা আৰম্ভ কৰাৰ লগে লগে আগ নিশাৰ দৰে যথা স্থান ওজাপালীক আসন দিয়া হয়। সমূহ নৈবদ্য, ধূপ-চাকী দিয়াৰ পিছ তেওঁলোকে দ্বিতীয় দিনৰ কাৰ্য্যসূচী আৰম্ভ কৰে। হুঙ্কাৰৰ পিছত প্ৰথম

## বন্দনা

১। গণেশৰ বন্দনা

২। কৃষ্ণ বন্দনা

৩। সৰস্বতী বন্দনা

৪। মনসা বন্দনা

৫। লক্ষ্মী বন্দনা

৬। অনাদি বন্দনা

৭। চণ্ডী বন্দনা

৮। দেৱীৰ ধ্যান বন্দনা

৯। গণেশৰ জন্ম খণ্ড

## মহাস্নান

পঞ্চ কচা, অষ্ট মৃত্তিকা অষ্ট কলহৰ জল

আমৰ চাল উই হাফলুৰ মাটি

| | |
|---|---|
| জামৰ চাল | গজদৰ মাটি |
| বগৰীৰ চাল | বৰাহ্ দন্তৰ মাটি |
| শিমলু চাল | বেশ্যাদ্বাৰৰ মাটি |
| বকুলৰ চাল | ৰাজদ্বাৰৰ মাটি |
| বৰিয়াল | তিনি বাটৰ মাটি |
| | গোহালীৰ ঘৰৰ মাটি |
| | বৃষভ শৃঙ্গৰ মাটি |

তাৰ উপৰি হালধী গুৰি, কুহিয়াৰৰ ৰস, সুগন্ধী তেল, কৰ্পুৰ, গোমূত্ৰ, নাৰীকলৰ পানী ইত্যাদি ঔষধি গুণযুক্ত দ্ৰব্য সমূহেৰে দেৱীক মহাস্নান কৰা হয়। ব্ৰাহ্মণে মহাস্নান আৰম্ভ কৰাৰ লগে লগে ওজাই

### মহাস্নান বন্দনা

প্ৰথম ওপৰোক্ত দ্ৰব্য সমূহেৰে মহাস্নান কৰা পিছত বন্দনা

### অষ্ট কলহৰ জলে বন্দনা

দেৱীক সজাই পৰাই স্থাপন

### পূজা বন্দনা

দেৱ দেৱী সকলক পূজা দিয়া হয়

জালোমালোৰ পূজা

মালতীৰ পূজা

১। গণেশৰ পূজা

২। মহাদেৱৰ পূজা

৩। ব্ৰহ্মাৰ পূজা

৪। বিষ্ণুৰ পূজা

৫। মনসাৰ পূজা

৬। নাগৰ পূজা

বন্দনাৰে বন্দনা পৰ্ব সমাপ্তি কৰা হয়। উল্লেখ থাকে যে যদি কোনো দেওধা বা দেওধ্বনী উপস্থিত থাকে এইখিনি সময় তেওঁলোকৰ বাবে প্ৰসঙ্গ। যদি থাকে ওজাপালী বন্দনা গাৱ, দেওধা দেওধনী নৃত্য কৰিব। ওজাৰ বন্দনাত দেওধনী, দেও পূজা কৰে। বুঢ়াগোঁসাই, কেচাই খাইতী, সুভাশেনী আদি দেৱ দেৱীক বিভিন্ন ধৰণে পূজাৰ কৰাৰ পাছত ঢুলীয়াই বিভিন্ন প্ৰকাৰৰ বাজনাৰে দেওধনীক নৃত্য কৰাব। নৃত্য কৰি ভাগৰি পৰাৰ পিছত উল্লেখ থাকে যে নাচিবৰ সময়ত দেওধা দেওধনীৰ হাতত বেট, বলিকটা দা আদি লৈ নৃত্য প্ৰদৰ্শন কৰে। মুখত জুই লৈ বলিকটা দাৰ ওপৰত উঠি নৃত্য কৰি বিভিন্ন ভঙ্গিমা প্ৰদৰ্শন কৰে। ইয়াৰ পিছত দেওধা বা দেওধনী অজ্ঞান হৈ যায়। ওজাদলৰ শিল্পী তেওঁক যথা স্থানত বহুৱাই দিয়াৰ পিছত দেওধা বা দেওধনীক দেৱীৰ শক্তি প্ৰাপ্ত অনুভৱ কৰি বিভিন্নজনে বিভিন্ন প্ৰকাৰে প্ৰশ্নৰ উত্তৰ বিচাৰে।

এটা সময়ত এনে ধৰণেৰে দেওধা, দেওধনী আৰু ওজাপালীৰ এই পৰ্বৰ সমাপ্তি হয়।

ব্ৰাহ্মণ, পুৰোহিতে হোম, ভোগ প্ৰদান আদি শেষ কৰি উপবাসী গৃহস্থ সহ সকলোকে শান্তি প্ৰদান কৰাৰ পিছত প্ৰসাদ বিতৰণ কৰা হয়। তাৰ পিছত অতিথি সকলক ভোজন কৰোৱা হয়। এটা ডাঙৰ উৎসৱ মুখৰ পৰিৱেশ বিৰাজ কৰে। সমাজ নহয় যেনিবা এইয়া এখন ঘৰ। প্ৰতিজন ভক্তৰ মুখায়বত পৰিস্ফুত হয় ভক্তিৰ ৰসজৰা। সময় তিনিমান বজাৰ সময়ত দুই চাৰিজনমান কৈ সমজুৱা আহিবলৈ ধৰে। এটা সময়ত পূজাৰ ৰভাৰ তলত হেজাৰোধিক দৰ্শক উপস্থিত হয়। এমুঠিমান খাই ওজা দলে সাজোন কাচোন কৰি ৰভা তলত উপস্থিত হয়। শৃঙ্খলাবদ্ধ ভাবে ঠিয় হৈ প্ৰথম ভূমি প্ৰণাম কৰি হুঙ্কাৰ আৰম্ভ

ওমঁ তা না না...

এই হুঙ্কাৰ তিনি শাৰী বা ভাগৰ

বন্দনা

তাল

ঠিয় বন্দনা তিনিতাল বা মালসি সুৰৰ বন্দনা উল্টা তাল বা পাচ তাল।

উল্টা বা পাচ তালৰ অৰ্থ তিনি তাল যেতিয়া ব্যৱহৃত হয় ওপৰৰ তালে তলৰ তালত আঘাট কৰে কিন্তু উল্টা তালত তলৰ তালপাতে ওপৰৰ তালত আঘাট কৰে।

বন্দনা শেষ হোৱাৰ পিছত পদ আৰম্ভ হয়।

দিহাব পিছত চাৰি বা ছয় ফাকি পদ দিয়াৰ পিছত মঙ্গলাচৰণ অৰ্থাৎ পদ বাখ্যা কৰাৰ আগেয়ে দেৱ-দেৱীক স্মৰণ কৰাৰ পিছত উল্লেখিত পদৰ

বাখ্যা কৰা হয়। পদ পৰিৱেশন কৰাৰ পিছত ডাইনাপালী অর্থপূর্ণ হাস্যৰসৰ সঞ্চাৰ কৰে। যিহেতুকে শাস্ত্র সমূহৰ উৎপত্তি সংস্কৃতৰ পৰা হৈছে সেয়েহে পদৰ অলঙ্কাৰ দিবলৈ ওজা, ডাইনাপালী যিমানে সংস্কৃত ভাষা ব্যৱহাৰ কৰিব সিমানে কাহিনীবোৰ বেছি শ্রুতিমধুৰ হয়। কিন্তু এটা কথা মন কৰিবলগীয়া যেন কোনো কাৰণত পদ ৰস ভঙ্গ নহয়।

এটা কথা শিল্পী সকলে সদায় মনত ৰাখিব লাগে, আমাৰ পৰিৱেশনৰ মূল বিষয় কিহত নিবদ্ধ হৈ আছে। কি ধৰণেৰে ওজাদলে নৃত্য, গীত পৰিৱেশন কৰিলে সমাজ বা সমজুৱাৰ সময় আৰু উদ্দেশ্যত ব্যাঘাত নজন্মে। মন কৰিবলগীয়া ধাৰা তিনিটা—

১। ধর্ম　　২। সংস্কাৰ

৩। সংস্কৃতি

এই তিনি ধাৰাৰ সমন্বয় আৰু সঞ্চালন পদ্ধতি উপস্থিত সমাজখনক ধর্ম, সংস্কাৰ আৰু সংস্কৃতি শিক্ষাৰ কিয়দাংশ হলেও সমাজখনে গ্রহণ কৰিব পাৰিব। সমাজ সংস্কাৰ কৰাৰ উপাদান শিল্পী সকলে দিব পাৰিব লাগিব। সমাজখনত মহিলা শিশু, ছাত্র-ছাত্রী সকলো উপস্থিত আছে। তাত কেনে ধৰণে পদৰ বাখ্যা আগবঢ়ালে তাত থকা সকলোৰে বোধগম্য হ'ব। শিল্পী সকলে অলপ মনস্তাত্বিক জ্ঞানৰ হলে সমাজ আৰু শিল্পী উভয়ৰ কাৰণে শুভ আৰু এই ধৰণে পদ বা সংস্কৃত শ্লোক সমূহ উপস্থাপন কৰিলে সমাজৰ সৰু-বৰ সকলোৰে উপকাৰ সাধন হয়। যি বিষয়ৰ ওপৰত আলোচনা কৰা হয় বিষয়বস্তুৰ লগত প্রকাশ ভঙ্গি ভাব গধুৰ হলে সমাজে পূর্ণ ৰস আস্বাদন কৰিব পাৰে আৰু এনে শিল্পী সমাজত

ধন্যবাদৰ পাত্ৰ হয়। আন বহু শিল্পীক দেখা যায় পদৰ সাৰাংশ বাদ দি সমাজৰ মনোৰঞ্জন কৰাৰ মানসেৰে আন আন হাস্য বা ব্যঙ্গৰ ৰসৰ সঞ্চাৰ কৰে। এনে ক্ষেত্ৰত সমাজৰ এচামে হাত তালি দি হাঁহিব। আন এচামে লাহে লাহে পূজা থলীৰ পৰা আঁতৰি যাব বিচাৰিব। এনে ধৰণৰ বাখ্যা সমূহ সদায় শিল্পী সকলে মন কৰিব লাগিব। সমাজৰ গতি বিধি চাই সংলাপবোৰ আগবঢ়াব লাগে। তেতিয়া সময়ৰ সৎ ব্যৱহাৰ উভয়ৰ ক্ষেত্ৰতে প্ৰযোজ্য হয়। এনে ধৰণে গৈ নিশা ন বাজিবৰ সময় হ'ল। এই পৰ্বত ওজাৰ পদ সমাপ্তি কৰিব লাগিব। কাৰণ সমাজৰ মনোৰঞ্জনৰ বাবে পূজাৰ এটা অনুষ্ঠান পিছলৈ যোৱা হৈছে। অৰ্থাৎ আৰতি প্ৰকৃততে দেৱীক সন্ধ্যা কালত আৰতি প্ৰদান কৰিব লাগে কিন্তু সমাজৰ প্ৰতি লক্ষ্য ৰাখি ৯.০০ বা ৯.৩০ বজালৈ পিচুৱাই দিয়া হ'ল। ওজাই সমাপ্তি ঘোষণা কৰাৰ লগে লগে বেছিভাগ দূৰ-দূৰণিৰ পৰা অহা সমাজুৱা ঘৰাঘৰী যায়। ওচৰ-চুবুৰীয়া কিছুমান পূজাথলীত থাকে।

## আৰতি

ব্ৰাহ্মণে যথা নিয়মে আৰতিৰ বাবে প্ৰস্তুত হয়। বিভিন্নজনে ঢোল, খোল, তাল, শংখ লৈ প্ৰস্তুত হয়। ওজাপালী আৰতি বন্দনা প্ৰৱিৰেশন কৰে। গৃহস্থে বা আন ভক্ত সকলে দেৱীৰ আৰতি সভক্তিৰে উপভোগ কৰে।

## আৰতি প্ৰকৰণ

১। ধূপ

২। মইদাৰ চাটি ঘিউ দি

৩। ধুনা

৪। চোঁৰৰ

৫। বিচনী (তালপট)

৬। আমৰ আগ বা গামোচা

৭। বটাৰ ঠগী

আৰতিৰ অন্তত প্ৰসাদ বিতৰণ কৰা হয়। আন কিছুমানৰ মতে দিনৰ হোম আৰু শান্তিৰ পিছত প্ৰসাদ বিতৰণ বা অন্যান্য মহাস্মান আদি বিতৰণ কৰা হয়।

মহাস্মান পূজাৰ এটা বিশেষ দ্ৰব্য। জন বিশ্বাসত মহাস্নানে বহু পুৰণি ৰোগ নিৰাময়ৰ ক্ষেত্ৰত হেনো ঔষধি গুণ সম্পন্ন হয়। অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ ই অকল শাস্ত্ৰই নহয় ইয়াৰ এটা বিজ্ঞান ভিত্তিক কাৰণো আছে। যিবোৰ উপাদানেৰে মহাস্নান প্ৰস্তুত কৰা হয় ইয়াৰ প্ৰত্যেক দ্ৰব্যৰ ঔষধি গুণ সম্পন্ন দ্ৰব্যৰে, দেৱীক মহাস্নান কৰা হয়। মহাস্নানৰ দ্ৰব্য সমূহ বিভিন্ন গছ, বন আৰু মানুহৰ শৰীৰত শক্তি বৃদ্ধি কৰিব পৰা উপাদান সমূহৰ সমষ্টি বুলি কলে ভুল কোৱা নহ'ব। উপাদান সমূহ দেখিলে সি সহজে অনুমেয় যে এইবোৰ শৰীৰৰ বাবে অতি প্ৰয়োজনীয় বস্তু।

## মহাস্নানৰ দ্ৰব্য সমূহ

১। এৰা গাখীৰ

২। দৈ গাখীৰ

৩। ঘি

৪। মৌ

৫। হালধীগুৰি

৬। সুগন্ধী তেল

৭। চেনি

৮। কুহিয়াৰৰ ৰস

৯। কৰ্পূৰ

১০। নাৰিকলৰ পানী

১১। গো মূত্ৰ

১২। অষ্ট কলহৰ জল

১৩। ভৃঙ্গাৰৰ জল

১৪। পঞ্চ কচা (আম, বকুল, বৰিয়াল, বগৰী, শিমলু গছৰ ছাল)

১৫। অষ্ট মৃত্তিকা-

গোহালী ঘৰৰ মাটি

উই হাঁফলুৰ মাটি

তিনি বাটৰ মাটি

গজদণ্ডৰ মাটি

বৰাই দন্তৰ মাটি

তুলসী গুৰিৰ মাটি

ৰাজদ্বাৰৰ মাটি

বৃষভ শৃংঙ্গৰ মাটি

এই সমূহ দ্ৰব্যৰে দেৱী মহামায়াক স্নান কৰা হয়।

**বলি বিধান আৰু সমাজ**

দেৱী মনসাৰ পূজা দুই ধৰণে উপস্থাপন কৰা হয়

১। বৈষ্ণৱী বা (নিৰামিষ পূজা)

২। দেৱীৰ ষোড়শ পচাৰ (সামিষ পুজা)

**বৈষ্ণৱী পূজা (নিৰামিষ) ঃ**

বৈদীক পদ্ধতিৰে বৈষ্ণৱী ৰূপত দেৱী মনসাক পূজা কৰা হয়। ইয়াত ভোগ, প্ৰসাদ, অন্যান্য উপকৰণ দেৱীলৈ আগবঢ়োৱা হয় যদিওৱা পূজাখন নিৰামিষ কিন্তু বৈদীক পদ্ধতিৰে এটা কথা মন কৰিবলগীয়া যে পূজাত নাগৰ প্ৰসাদত হাঁহ কণী দিয়াৰ ব্যৱস্থা আছে। পূজাখন এদিনীয়া হলে সন্ধ্যা হোৱাৰ আগত পূজা বিসৰ্জন কৰিব লাগে। ইয়াত এদিনীয়া পূজাত সন্ধিয়া আৰতি নেথাকে। পূজা তিনিদিন, পাঁচদিন বা এদিন যিয়েই নহওঁক মহাস্নান অপৰিহাৰ্য্য। নিৰামিষ পূজাৰ দেৱীৰ ভোগ।

১। লুচি

২। চুজি

৩। লাৰু পিঠা

৪। পৰমান্ন মিঠাই

৫। নিৰামিষ ভাতৰ ভোগ দিয়াৰো নিয়ম প্ৰচলিত।

**ভোগ সমূহৰ ব্যৱহাৰ ঃ**

পূজা শেষ হোৱাৰ পিছত দেৱীৰ অবষিষ্ট হিচাবে প্ৰসাদবোৰ বিতৰণ কৰাৰ পিছত এই দেৱীৰ ভোগবোৰো ভক্ত সকলৰ মাজত অলপ অলপ হলেও বিতৰণ কৰা হয়। ভাতৰ ভোগ অনাহাৰি গৃহস্থ সকলে গ্ৰহণ কৰে।

**সমাজত পূজাৰ প্ৰভাৱ ঃ**

চুবুৰীয়া বা সমাজৰ প্ৰভাৱ অতি আদৰ্শনীয়, পূজা শব্দৰ পৱিত্ৰতাই গোটেই সমাজখনৰ ওপৰত প্ৰভাৱ পেলাই। দুই-তিনিদিন আগৰ পৰা গৃহস্থৰ বাহিৰেও চুবুৰীয়া বা গাওঁবাসী কাপোৰ কানি তিয়াই পূজাৰ দিনাখন উপবাসে এক মঙ্গলময় পৰিৱেশৰ সূচনা কৰে। হাতত প্ৰসাদ, ধূপ-চাকী, ফল-মূল আদি লৈ কেচুৱা কোলাত লৈ যেতিয়া পূজা মণ্ডপলৈ আহে সেই সময়ত মানুহৰ শৰীৰৰ ৰিপু সমূহ যেন বহু দূৰলৈ আঁতৰি যায়। প্ৰতিজন সমাজুৱা যেন মন্ত্ৰমুগ্ধ হৈ এক পৱিত্ৰ স্থানত সমৱেত হৈছে। শিশু সকলৰ বাবে এক আদৰ্শৰ সময়। শিশু সকলৰ কোমল অন্তৰত এই পৰিৱেশে এক গভীৰ সাচ বহুৱাই। আজিৰ শিশু কালিৰ নাগৰিক। সেয়েহে এই অনুষ্ঠান সমূহে ধৰ্মীয় অনুভূতিৰ লগত সমাজক ঐকান্তিকভাবে সমাজ

ব্যৱস্থাৰ লগত একতাৰ জাৰিৰে বান্ধি ৰাখিব। পবিত্ৰতা, একাত্মতা বোধ, আদৰ্শ, নৈতিক দায়িত্ব এই ক্ষেত্ৰ সমূহৰ পৰা সমাজখনক সুশৃঙ্খল ভাবে আগুৱাই নিয়া বা পৰিচালনা কৰাৰ দক্ষতাও। এই উৎসৱ বা পূজা পাৰ্বন সমূহৰ পৰা সমাজৰ বিশেষ উপকাৰ সাধন হয়। বৈদিক পদ্ধতিৰ উপৰিও পূজা-পাৰ্বন সমূহে কিছুমান লৌকিক কথা বা পৰম্পৰাও বহন কৰি আহিছে। যি সমূহ পৰম্পৰা বৈদিকৰ দৰে সমাজত লৌকিকতাৰ পৰা অনাগত কাললৈ সমাজক প্ৰভাৱান্বিত কৰি ৰাখিব। সমাজ ব্যৱস্থাত ধৰ্ম এটা অপৰিহাৰ্য্য অঙ্গ। দিনক বাদ দি ৰাতিৰ অস্তিত্ব যেনেকৈ সম্ভৱ নহয় তেনেকৈ ধৰ্মক বাদ দি এখন সুস্থ সমাজ গঢ় দিয়াটো বৰ কঠিন। ধৰ্মশাস্ত্ৰ সমূহৰ নেতিবাচক দিশবোৰে সমাজখনক মানসিক ভাবে যথেষ্ট গঢ় দিয়াৰ থল আছে। ধ্বংসমুখী সমাজ বা সমজুৱাক বিশৃংখল জীৱন যাপন কৰাৰ পৰা আঁতৰাই এক সুশৃংঙ্খল জীৱনৰ সন্ধান দিবলৈ আমাৰ ধৰ্মীয় অনুষ্ঠান বা শাস্ত্ৰ সমূহৰ মাজত বহু উপদেশ বা উদাহৰণ নোহোৱা নহয়।

## ধৰ্ম আৰু যাজক

ধৰ্মসমূহ মানুহ বা সমাজৰ হৃদয়ত বা অন্তৰত অনুভূত এটা চিন্তক বিষয়। যিকোনো ধৰ্মৰ মাধ্যম পৱিত্ৰতা। ভগৱান বা দেৱ-দেৱীৰ উপলব্ধি কৰাৰ ঐকান্তিক প্ৰচেষ্টাই ধৰ্ম। ঐশ্বৰিক কোনো শক্তিৰ অনুভৱৰ নাম ধৰ্ম। সূক্ষ্ম চিন্তা-চৰ্চাৰে অনুভূতিৰ আধাৰত উপলব্ধ হোৱা সুগভীৰ চিন্তাৰে নাম ধৰ্ম। নিজক পৰিচালনা কৰা এক অদৃশ্য শক্তিৰ নাম ভগৱান। ভগৱান প্ৰাপ্তিৰ পথ ধৰ্ম।

## যাজক

সাধাৰণ মানুহে ধৰ্মক উপলব্ধি কৰিবলৈ কিছু পৰামৰ্শ বা উপদেশৰ প্ৰয়োজন হয়। সৰ্বসাধাৰণে ধৰ্মক সহজে বুজি নাপায়। সূক্ষ্ম দৃষ্টিৰে অনুভূত ধৰ্ম বা ভগৱানক উপলব্ধ কৰা কিছু ব্যক্তি বিশেষে ধৰ্মশাস্ত্ৰবোৰক কিছু হৃদয়ঙ্গম কৰি বিশদভাৱে বিশ্লেষণ কৰি তাৰ বাণী বা উপদেশবোৰ বিভিন্ন ধৰণে জনমানসত বিস্তাৰিত কৰি সমাজখনক ঐশ্বৰিক শক্তিক উপলব্ধ কৰিবৰ সক্ষম হয়। আদি যুগৰ যাজক সকলৰ বিষয় উল্লেখ কৰিবলৈ যাওতে প্ৰথমে ব্যাস বাল্মিকীৰ নাম ল'ব লাগিব কাৰণ প্ৰাথমিক জ্ঞানৰ আধাৰত ওঠৰখন পুৰাণৰ প্ৰণেতা মহাকবি ব্যাসদেৱ। এই পুৰাণ সমূহৰ হৰ, জ্ঞান আহৰণ নকৰাকৈ গীতা বা ভাগৱতৰ দৰে শাস্ত্ৰ বোৰৰ গভীৰ তত্বজ্ঞান আহৰণ কৰাটো সম্ভৱ নহয়। আদি কবি বাল্মিকী ৰামৰ জন্মৰ আগতে ৰচনা কৰিছিল ৰামায়ণ। এই শাস্ত্ৰ সমূহৰ মত দৰ্শন বা আধ্যাত্মিক জ্ঞান, সমাজৰ মাজত আদিম যুগৰ পৰাই চৰ্চিত আৰু পালিত হৈ আহিছে। ইয়াক উলাই কৰা সম্ভৱ নহয়। কাৰণ যাজক সকল সদায় সাৱধান হ'ব লাগিব। ধৰ্মৰ বাবে যেন সমাজখনত মতবিৰোধা বা ভাঙোন হ'ব নোৱাৰে। ধৰ্মৰ মূল অৰ্থই হ'ল সমাজক সচেতন কৰি একতাৰ বন্ধোনেৰে আগবাঢ়ি যোৱা।

## যাজকৰ কৰ্ত্তব্য

১। যাজক সকল প্ৰথমে নিজে কষ্ট সহিষ্ণু, মিষ্ঠভাষী, ঋপুদমক, হাস্যবাদন, ন্যায় বাহক হোৱা উচিত।

২। কোনো কাৰণতে আনৰ ধৰ্মৰ ওপৰত হস্তক্ষেপ কৰিব নালাগে। ধৰ্ম মানুহৰ স্বকীয় অনুভূতি। ধৰ্মৰ পৰিৱৰ্ত্তনে ভৱিষ্যত জীৱন ধাৰণৰ গতিধাৰাত বাধাৰ সৃষ্টি কৰিব পাৰে। নৈমিত্তিক কৰ্মৰাজিত গতিপথ সলনি কৰিবলৈ গৈ হয়তো উন্নতিত বাধাৰ প্ৰাচীৰো সৃষ্টি কৰিব পাৰে। সেই ক্ষেত্ৰত যাজক সকলে সদায় সাৱধান হ'ব লাগে। যেন কোনো ব্যক্তিক ধৰ্ম গতি পৰিৱৰ্ত্তন কৰিবলৈ গৈ সমাজ বা ব্যক্তিৰ দ্বাৰা অৱহেলিত হ'ব নালাগে। ধৰ্মক নিজস্ব ভাবে গঢ় দিয়াৰ যত্ন নোলোৱা ভাল। ধৰ্ম জ্ঞানৰ ভড়াল। প্ৰত্যেকজন মানুহ জ্ঞানৰ পোহৰেৰে কম-বেছি পৰিমানে আলোকিত হয়। কোনোদিনে ইয়াত বাধাৰ সৃষ্টি কৰিব নালাগে। ধৰ্মৰ প্ৰতি মানুহৰ মন অনুপ্ৰাণিত হলে এখন সুস্থ সমাজ গঢ় দিয়াত যথেষ্ট সহজসাধ্য হৈ উঠে। সেইবাবে যাজক সকল সচেতন হোৱা নিত্যান্ত প্ৰয়োজন। যাজকৰ অহমিকাই ধৰ্মত অনাকাঙ্খিত পৰিৱেশৰ সৃষ্টি কৰিব পাৰে। ধৰ্মৰ প্ৰতি যাতে মানুহৰ মনত বিৰূপ মনোভাৱ পোষণ নহয় সেই যাজক চিৰপূজ্য, সেই ধৰ্ম চিৰ গ্ৰহণযোগ্য হয়। মুল তত্ত্বৰ পৰা ধৰ্মক লঘু বিশ্লেষণেৰে হেয় প্ৰতিপন্ন কৰিব নেলাগে। ধৰ্মৰ, নীতিৰ আভ্যন্তৰিণ তত্ত্বসমূহ সহজ-সৰল ভাষাত সৰ্বজনৰ বোধগম্য হোৱাকৈ বিশদ ভাবে প্ৰকাশ কৰিব পৰাতো যাজক সকলৰ এক বিৰল কৃতিত্ব।

## সামিষ পূজা

সামিষ পূজা তন্ত্ৰ শাস্ত্ৰৰ এক বিশেষ গুৰুত্বপূৰ্ণ অংগ। বৈদিক যুগৰ পৰা কিছুমান দেৱ-দেৱীক বলি বিধানেৰে পূজা কৰা হয়। এই সকলক দেৱীক শক্তি বুলি কোৱা হয়। সাধাৰণতে কালী, দুৰ্গা, মনসা, ভদ্ৰাকালীক বলি পূজা দিয়া হয়। প্ৰবাদ আছে বা তন্ত্ৰ শাস্ত্ৰৰ মাজত বলী বিধান সম্পৰ্কে উল্লেখ কৰা হৈছে। পূৰ্বকালত নৰ বলি প্ৰথাৰ কিছু প্ৰমাণো তন্ত্ৰ শাস্ত্ৰত পোৱা যায়। সাধাৰণতে বৰ্ত্তমানত মহ, ছাগলী, হাঁহ, পাৰ, মাগুৰ মাছ ইত্যাদি বলি সমাজত ব্যৱহাৰ হৈ আছে। কামাখ্যা, উগ্ৰতৰা, বিল্বেশ্বৰ, পৰিহৰেশ্বৰ, ঘাটচৰ টিহু হালধীবাড়ী শিলা বা তেনে ধৰণৰ পীঠ সমূহত আজিয়ো বলি প্ৰথা প্ৰচলিত। শাক্ত ধৰ্মৰ মানুহ বা সমাজে বলি পূজা সদায় সমৰ্থন কৰে। বিল্বেশ্বৰ পৰিহৰেশ্বৰ মন্দিৰত খাহী ছাগলীৰ মাংসৰে শিৱ গোঁসাইক ভোগ দিয়াৰ বিধান এই দেৱালয়ত বৰ্ত্তমানো প্ৰচলিত। পূৰ্বতে মহাভাৰতত উল্লেখ থকা যুধিষ্ঠিৰে অশ্বমেধ যজ্ঞৰ ঘোৰা, দেশ ঘুৰি অহাৰ পিছত ঘোৰাটো বধ কৰি তাৰ মাংসৰে যজ্ঞত আহুতি দিছিল। সেই নীতি আজিৰ সমাজতো দেখা যায়। সমূহীয়া পূজাই হওঁক বা এঘৰীয়া পূজাই হওঁক বলি দিয়া পঠা ছাগলী মাংসৰে হোমত আহুতি দিয়া নিয়ম আমাৰ কালী পূজা বা শক্তি দেৱীৰ পূজাত এতিয়াও প্ৰচলিত হৈ আছে। হিন্দু ধৰ্মৰ প্ৰতিখনত জীৱ হিংসা মহাপাপ বুলি মত পোষণ কৰিছে। কথাটো সম্পূৰ্ণ একশ শতাংশই সত্য। জীৱ হত্যা মুঠেও গ্ৰহণযোগ্য হ'ব নোৱাৰে। কিন্তু বৈদিক পদ্ধতিত যিসকল দেৱীক বলিৰে পূজা কৰাৰ নিয়ম শাস্ত্ৰ সমূহে দাঙি ধৰিছে সেই শাস্ত্ৰ বা

সেই বৈদীক নীতিক উলঙ্ঘা কৰাৰ সামৰ্থও সমাজে ইচ্ছাকৃত বন্ধ কৰিব নোৱাৰে। প্ৰতিজন জ্ঞানী ব্যক্তি এই ক্ষেত্ৰত এক মত, জীৱ হিংসা মহাপাপ। এই ক্ষেত্ৰত আমি অকল বলিত ব্যৱহৃত জীৱৰ কথা চিন্তা কৰিলে নহ'ব। কাৰণ বৰ্ত্তমানৰ সমাজত হাটে বজাৰে বা চহৰবোৰৰ অলিয়ে-গলিয়ে মাংসৰ দোকান সমূহত কেইবা হেজাৰ জীৱ সদায় বধ কৰি থকা হৈছে। এই সকল জীৱৰ মৃত্যু ৰোধ কৰাৰ ব্যৱস্থা সমাজৰ হাতত আছেনে? পাৰিবনে আজিৰ সমাজে এই জীৱ হিংসাৰ পথৰ পৰা সমাজখনক আঁতৰাই আনিবালৈ? প্ৰাণীৰ প্ৰতি প্ৰেম কাৰ নাই। তাৰ কাৰণে কিছু ব্যক্তি প্ৰাণী প্ৰেমী সংগঠন কৰাৰ প্ৰয়োজনী কি? বলি বিধানৰ বিৰোধিতা কৰা প্ৰাণী প্ৰেমী ব্যক্তি সকলে দৈনন্দিন হৈ থকা জীৱ কুলৰ মৃত্যু ৰোধ কৰিবলৈ আগবাঢ়ি আহি মাত মাতিব পাৰিবনে? পাৰিবনে জীৱক লৈ ব্যৱসায় কৰা বজাৰখন বন্ধ কৰিবলৈ। বৰ্ত্তমান সময়ত জীৱজগত এচাম মানুহৰ জীৱন ধাৰণৰ আহিলা হৈ পৰিছে। বিস্ফোৰিত জন গাঠনি, সমাজত কৰ্মহীনতা, কৃষিক্ষেত্ৰত চৰকাৰৰ বদান্যতা। সকলোবোৰে সমাজখনক বিভিন্ন পথ অৱলম্বন কৰিবলৈ বাধ্য কৰিছে। এনে পৰিপ্ৰেক্ষিতত লাখ লাখ নিৰনুৱাই সংস্থান নেপাই জীৱ জগতক লৈ বৃত্তিমুখী হৈ পৰিছে। কোনোৱে ছাগলীৰ পাম, কোনোৱে হাঁহ-কুকুৰা, কোনোবাই মীন পালন কৰি জীৱন ধাৰণৰ ব্যৱস্থা কৰিছে। এই কাৰ্য্যত প্ৰত্যেক দিনে কেইবা হেজাৰ জীৱ বধ হোৱাতো স্বাভাৱিক। এই জীৱ হত্যা বন্ধ কৰাৰ বাবে কোনো বৈজ্ঞানিক ভিত্তিক কাৰণ বা তথ্য বিচাৰি পোৱা নেযায়। এই জীৱ হত্যা বন্ধ কৰাৰ কল্পনাই সমাজখনক বিভিন্ন দিশত দিশহাৰা কৰি

তুলিব। লক্ষ লক্ষ মানুহ সমাজত অন্ন-বস্ত্র হেৰুৱাব লাগিব। জীৱকুল গৃহচ্যুত হৈ অৰণ্যত বাস কৰিব লাগিব। জীৱকুলৰ মাজত হ'ব এক আকস্মিক মৃত্যুৰ বিভিষিকা। ক্ৰমান্বয়ে বিলুপ্ত হ'ব ঘৰচীয়া জীৱকুল।

সেয়েহে পূজা-পাৰ্বনত বলি বিধানত বাধাৰ সৃষ্টি কৰাৰ কোনো কাৰণ থাকিব নালাগে। পৰম্পৰা ৰক্ষা কৰি বৈদিক নিয়মক সন্মান জনাই বলি বিধানৰ সমৰ্থক সকলক ধৰ্মচ্যুত কৰিবলৈ যত্ন নকৰাটোৱে শ্ৰেয়। মহ, ছাগলী, হাঁহ, পাৰ আচলতে বলীৰ প্ৰতীক। আমি চাৰিমুঠি জীৱেই মাতৃৰ পৰা জন্ম লাভ কৰিছো চাৰিমুঠি জীৱই পুত্ৰৰ ৰক্ত মাতৃ কেতিয়াও গ্ৰহণ নকৰে। এই বলি আচলতে এক আসুৰিক শক্তিৰ দ্বাৰা চালিত বুলি ক'ব লাগিব।

## বলি কি?

বলি আচলতে এইবোৰ নহয়, বলিৰ মূল অৰ্থ ত্যাগ। আমাৰ দেহত থকা আসুৰিক, পৈশাচিক, প্ৰবৃত্তি সমূহ দেৱ-দেৱীৰ আগত ত্যাগ কৰিব পাৰিলে আমি প্ৰকৃত মানুহৰ শাৰীত প্ৰতিষ্ঠা হ'ব পাৰিম। মনৰ কলুসিষত ভাবধাৰাক দেৱীৰ আগত অন্তৰৰ নিভৃত কোণৰ পৰা বিদায় দিব পাৰিলে মানৱ জীৱনৰ সাৰ্থকতা অনুভৱ হ'ব। এই বলিহে দেৱীৰ আগত প্ৰকৃত বলি প্ৰদান কৰা হ'ব। বৈষ্ণৱ ধৰ্মত বলি বিধানৰ বিৰোধিতা কৰা হৈছে ওপৰত উল্লেখ কৰা কাৰণ সমূহ অনুধাৱন কৰি এক নৈতিক আদৰ্শত অনুপ্ৰাণিত হৈ চিন্তা কৰি চালে দেখা যাব যে বৰ্ত্তমানত ইয়াৰ বিৰোধিতা কৰা মানে সমাজখনক ভাঙোনমুখি কৰা হ'ব। গুৰুজনাৰ

অভিমত সমাজ একগোট কৰা। জাতি-ধৰ্ম নিৰ্বিশেষে একতাৰ বান্ধোনেৰে সমাজক এক কৰি বান্ধি ৰখাই গুৰুজনাৰ মহৎ উদ্দেশ্য। এনে আদৰ্শ যাতে বিঘ্নিত নহয় তাৰ বাবে সচেতন ব্যক্তি সকল সদায় সমাজৰ প্ৰতি চকু ৰাখিব লাগিব।

দেৱীৰ ষোড়শ পূজাৰ বিশেষ অঙ্গ বলি। বলি সমূহ দেৱীৰ আগত অৰ্পন কৰি মুণ্ডছেদ কৰি মুণ্ড দেৱীৰ পদত অৰ্পণ কৰা হয়। বাকী অৱশিষ্ট অঙ্গ দেৱীৰ ভোগত অৰ্পণ কৰা হয়। এই ভোগ সকলো মাতৃৰ অৱশিষ্ট হিচাবে গ্ৰহণ কৰে। এই ভোগৰ আন এটা দিশ পূজাৰ অনাহাৰী ভক্ত সকলে গ্ৰহণ কৰি সন্তুষ্টি লাভ কৰাটো পূজাৰেই অঙ্গ বুলি কলে ভুল কোৱা নহয়। কাৰণ প্ৰতিজনৰ অন্তৰত সুপ্ত ভগৱানে এই সন্তুষ্টি অনুভৱ কৰা মানে পূজাখনৰ সফলতাৰ ইঙ্গিত বহন কৰে। নিশা প্ৰায় এঘাৰ বজাৰ পৰা আৰম্ভ হয় পূজাৰ তৃতীয় কাৰ্য্যসূচী ভাতিয়ালী পদ।

ভাটীয়ালিক পূজাৰ পাঞ্চালী বুলিয়ো উল্লেখ আছে। পদ্ম পুৰাণৰ মূল অংশ ভাটীয়ালি চান্দ সদাগৰৰ পুত্ৰ লক্ষিন্দাৰক বিবাহ কৰাই আনি পূৰ্বে নিৰ্মিত লোহাৰ মেৰ ঘৰত দৰা-কইনাক থোৱা হয়। শিৱ কন্যা পদ্মাৱতী, ৰমনদ্বীপত থকা কালী নাগক আনি লক্ষিন্দাৰক দংশন কৰাই আৰু এঘাৰ বছৰীয়া কন্যাৰূপী বেউলাই তিনিমাহ কলৰ ভেলত মৰা স্বামীক দেৱৰ পূৰলৈ নি পুনৰ জীৱিত কৰি উভতি আহে। এই কাহিনী ভাগে ভটিয়াই ইয়াত নাৰী জাতিৰ গৌৰৱময় অধ্যায় বুলি নিসন্দেহ কব পাৰি। নাৰীৰ ধৈৰ্য্য, সাহস, কষ্টসহিষ্ণুতা, স্বামী ভক্তিৰ নিদৰ্শন বিশদভাৱে বৰ্ণনা কৰা আছে পদ্ম পুৰাণৰ ভাটীয়ালি খণ্ডত। যদি ওজাপালী শিল্পী

সকলে পদন সন্নিবিষ্ট ৰস সঞ্চাৰ কৰিবলৈ সক্ষম হয় তেনেহলে সভাসদৰ চকু সেমেকি উঠা, আন কিছুমানে মুখত কাপোৰ দি চকুলো টোকা সাধৰণতে দেখা যায়। ভাটীয়ালি পদৰ বন্ধাধৰা ৰাগ-ৰাগিনী সমূহ কালক্ৰমত হেৰাই যোৱাৰ উপক্ৰম হৈছে। বহু ওজাপালী দলত দেখা যায় কঠিন ৰাগ-ৰাগিনী সমূহৰ ঠাইত কিছু সহজ দিহা বা পদৰ মালিতাৰে পদবোৰ আগবঢ়াই নিয়ে। নতুন ওজাপালী দল সমূহত শুকন্নানীৰ সুৰৰ পৰিৱৰ্ত্তে কিছু আধুনিক সুৰ সংযোজন কৰা দেখা যায়। জ্ঞানী ব্যক্তি সকলে এইয়া প্ৰাচীনতম কলা বিধৰ মানদণ্ড নিম্নমানৰ কৰা বুলি আক্ষেপ কৰে। ভাটীয়ালি পদত যি মাদকতা আন কতো তাক উপলব্ধি কৰিব নোৱাৰি। গভীৰ নিশা যেতিয়া নীলক্ষ সাগৰত বেউলাই উপাই বিহীন হৈ দিকভ্ৰষ্ট কালত দেৱী মনসাক স্তুতি কৰিছিল।

দিহা ঃ অনে মাই তাৰা গো এভব সাগৰে
গৌৰী ৰাখাহা আমাৰে।

এই দিহাখন যেতিয়া পূৰ্ণ ৰসেৰে ওজাপালী গায়, নিদ্ৰামগ্ন জনেও এবাৰ কাণ ঠিয় কৈ এই ৰাগৰ ৰস আচ্ছাদন কৰে। ভাটীয়ালিত আছে শোকাকুলা মাতৃ হৃদয়ৰ করুণ বিননি। স্বামীহাৰা বেউলাৰ তিনিমাহে নিৰ্গত অ বিচিন্ন চকুৰ লোতক। তাৰ মাজে মাজে আছে হাঁহিৰ সফুৰা। ডাইনাপালিৰ ৰসাত্মক আলোচনাই কাব্যিক ৰসক বেছি শ্ৰুতি মধুৰ কৰি তোলে। আনহাতে কাহিনীভাগ সঁচাকৈ নাৰী সমাজৰ কু-সংস্কাৰবোৰ আঁতৰাই সুসংহত এখন সমাজত গঢ়াত বিশেষভাৱে অৰিহণা যোগায়। নাৰী সমাজৰ সৌৰ্য্য বিৰ্জৰ প্ৰতীক বেউলা। বেউলাৰ কৰ্মৰাজী অনুধাৱন

কৰিলে নাৰী সমাজে লাভ কৰে গভীৰ জ্ঞান। বাস্তৱ সমাজত নিজক সুনাৰী হিচাপে প্ৰতিপন্ন কৰিব পৰা, সুগভীৰ জ্ঞানতত্ত্ব নাৰী সমাজৰ বাবে অতি গ্ৰহণযোগ্য। নাৰীৰ কমনীয়তা আৰু সাহসৰ প্ৰতীক বেউলা। এই সাহসৰ বলত বেউলাই অদম্য সাহসেৰে পাকবোৰ অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন বিপৰ্য্যয়ৰ মাজেৰে বেউলাই স্বামীক জীৱিত কৰাৰ গভীৰ সংকল্প নাৰী সমাজৰ বাবে এটি আদৰ্শৰ সোণালী পথ।

দক ভাটীয়ালি পদত দক্ অপৰিহাৰ্য্য অৰ্থাৎ সৰ্প দংশনত যেতিয়া বেউলাৰ স্বামী লক্ষিন্দাৰৰ মৃত্যু হয়, সেই মৃতকৰ প্ৰতীক হিচাবে দক কৰা হয়। দকৰ দুটা ভাগ—

১। সাধাৰণ দক

২। অৰ্ধচন্দ্ৰ দক

সমূহ দকতেই আতা বা চাউলৰ গুৰি ব্যৱহাৰ হয়।

দকৰ দ্ৰব্য সমূহ—

১। আতা বা চাউলৰ গুৰি

২। চাৰিযোৰ তামোল পাণ

৩। চাৰিটা পকা কল

৪। ২ মিটাৰ বগা কাপোৰ, ২ খন গামোচা

৫। ধূপ চাকী, চোৰৰ পইচা দকৰ মুখ্য দ্ৰব্য।

এই দকক বৰদক ও বোলে।

যদিহে দেওধা বা দেওধনী থাকে, যদি দেওধা বা দেওধনী দকত পৰে তেনেহ'লে ওপৰোক্ত দ্ৰব্যবোৰৰ কিছু সাল-সলনি হয়। দুই মিটাৰ

বগা কাপোৰৰ পৰিৱৰ্ত্তে আঠ মিঠাৰ বগা কাপোৰ, বিচনাৰ চাদৰ, আঠুৰা, গাৰু আদি প্ৰয়োজন হয়। আনহাতে দেওধা বা দেওধনী নাথাকিলে চোৱৰ, কিছুমানে বলিকটা দা আদি দকত ব্যৱহাৰ কৰা দেখা যায়।

দক পাচ প্ৰকাৰৰ

১। শিৱ দক

২। দুৰ্গা দক

৩। কৃষ্ণ দক

৪। চায়া দক

৫। বৰ দক

## শিৱদক

শিৱ বীৰ্যৰ পৰা পাতালত জন্ম হোৱা দেৱী পদ্মাৰ ৰূপত বিভোল হৈ স্বয়ং তেওঁ পিতৃ মহাদেৱে কমল বনত পদ্মাৰ ওচৰত প্ৰেম ভিক্ষা কৰিছিল। বাৰে বাৰে পদ্মাৱতীয়ে কৈছিল মই তোমাৰ কন্যা। শিৱে এই কথা মানি ল'ব বিচৰা নাছিল আৰু শেষত ধৰিবলৈ উদ্যত হোৱত দেৱী, পিতৃ মহাদেৱক বিষ চকুৰ দৃষ্টিৰে মাৰি পেলাইছিল। দেৱীৰ এই কাৰ্যত দেৱতা সকল ভীত হৈ দেৱতা সকলে দেৱী পদ্মাক স্তুতি কৰি মহাদেৱক জীয়াই দিবলৈ কাকুতি কৰাত দেৱী অমৃত চকুৰ দৃষ্টিৰে মহাদেৱক জীয়াই তুলিছিল। এইয়াই শিৱদক বা গোহায় দক। শিৱ বাচি উঠাৰ পিছত দেৱী পদ্মাক নিজ কন্যা বুলি জানি লাজ-অপমানত ম্ৰীয়মান হৈ কন্যাক লগত লৈ কৈলাশৰ নিজ গৃহলৈ গৈছিল। কিন্তু দুৰ্গাদক শিৱৰ ভাৰ্য্যা চণ্ডিকা বা

দুৰ্গাই ভুল ধাৰণা লৈ দেৱী পদ্মাক নানান তৰ্জন গৰ্জন কৰি পদ্মাক সোণৰ কঙ্কন চকুত মাৰি পদ্মাক চকু কনা কৰিলে। শিৱে বাৰে বাৰে কৈছিল এইয়া আমাৰ কন্যা কিন্তু চণ্ডীকাই কথাযাৰ বিশ্বাস কৰা নাছিল। ভাবিছিল তেওঁৰ স্বামী পুনঃ এজনী সতিনী আনিছে। পুনৰ ক্ৰোধত জ্বলি উঠিল পদ্মা। সেই মুহূৰ্ততে সৰ্প ৰূপ ধাৰণ কৰি চণ্ডীকাক দংশন কৰি এজোপা সীজু গছত উঠি গ'ল। সেয়েহে দেৱীৰ পূজা মণ্ডপত সীজু গছ অপৰিহাৰ্য্য। ঢলি পৰিল চণ্ডীকা, এইয়া দুৰ্গা দক বা চণ্ডী দক। পুনৰ শিৱৰ কাতৰ অনুৰোধত চণ্ডীকাক পদ্মাৱতী, প্ৰাণময় কৰি তোলে। এইয়াই চণ্ডীদকৰ মূল কথা।

## কৃষ্ণ দক

কালিন্দ্ৰী হ্ৰদ বা কালীদহ সাগৰত থাকে কালী নাগ। তাতে কৃষ্ণই গৰখীয়া ল'ৰাবোৰ লৈ গৰু চৰাই। এদিন তাত কালীনাগৰ বিষত হ্ৰদৰ পানী বিসাক্ত হৈ পৰিছিল। সেই পানী গৰখীয়া সকলে খাই মূৰ্চ্ছা গৈছিল। সৰ্বজ্ঞানী কৃষ্ণ গোঁসাই নিজ শক্তিৰে গৰখীয়াবোৰক জীয়াই তুলিলে। জগত কৰ্ত্তা কৃষ্ণই ওচৰত থকা কদমৰ ডালত উঠি হ্ৰদত জপিয়াই পৰিল। ভয়ঙ্কৰ কালী নাগে কৃষ্ণক দংশন কৰি মেৰিয়াই ধৰিলে। এই কথা গোকুলত প্ৰচাৰ হ'ল গোপ-গোপী নন্দ-যোশোদা আতাইবোৰে হ্ৰদৰ পাৰলৈ আহি ইনাই বিনাই কান্দিব ধৰিলে। তেনে সময়তে তাত উপস্থিত হ'ল বলোৰাম। বলোৰামে হাঁহি হাঁহি সকলোকে সান্তনা দিলে। এইয়া কৃষ্ণৰ মায়া। অলপ পিছত দেখিবা কৃষ্ণই উঠি আহিব। সঁচাকৈ কৃষ্ণই

চেতন পাই কালীৰ মুৰত উঠি নৃত্য কৰিবলৈ ধৰিলে। ফলত কালী নাগৰ মুখেৰে হলা হল ৰক্ত পৰিবলৈ ধৰিলে। নাগকন্যা সকলে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। এইয়া কৃষ্ণৰ দক বা গোহায় দক বুলি কোৱা হয়।

## চায়া দক

চায়া দক চান্দ সদাগৰে পুত্ৰ লক্ষিন্দাৰক দৰা সজাই উজয়নী নগৰলৈ গ'ল। যেতিয়া দৰা কলৰ গুৰিৰ পৰা ৰভাৰ তলত আসনত বহে পূৰ্বাপৰ নীতি অনুসৰি বিবাহৰ প্ৰথম কাৰ্য্যসূচী মতে দৰাই দেৱ-দেৱীৰ পূজা কৰিব লাগে। সেইমতে লক্ষিন্দাৰেও পূজা কৰিছিল। কিন্তু পিতৃৰ বিবাদী দেৱতা বুলি পদ্মাক লক্ষিন্দাৰে পূজা নকৰিলে। তাৰ ফলত দেৱী পদ্মা ৰুষ্ট হৈ কোপ দৃষ্টিৰে লখিন্দাৰক ৰভাৰ তলত মাৰি পেলালে। ইয়াকেই চায়া দক বুলি কোৱা হয়। সতী বেউলাই এই কথা জানি ফুল জল লৈ কালীদহ সাগৰৰ মাজত দেৱীৰ মন্দিৰলৈ গৈ নিজৰ দেহৰ অঙ্গ প্ৰত্যঙ্গৰে দেৱীৰ পূজা কৰি এক বিৰল কৃতিত্ব দাঙি ধৰে। বেউলাৰ পূজাত সন্তুষ্ট হৈ দেৱী মনসাই বেউলাক অলপ ফুল জল দি কলে এই ফুল জল তোৰ স্বামীৰ শৰীৰত স্পৰ্শ কৰিলে তোৰ স্বামী পুনৰ জীৱন পাব। মই তোক আশীৰ্বাদ কৰিলো তোৰ কটা অঙ্গবোৰ জোৰা লাগিব। সেই ফুল জলেৰে বেউলাই লখিন্দাৰক জীয়াই তুলিছিল। এই কাৰ্য্যখিনি চায়াদক নামে জনাজাত।

## বৰদক

বৰ দকৰ আলোচনা ইতিমধ্যে কৰিছোঁ। এই বৰ দকত এটা বিশেষ দক কৰা হয়। এই দকক অৰ্ধচন্দ্ৰ দক বোলা হয়। এই দক বৰ কঠিন যদিও ইয়াৰ পদ বা পদ্ধতিৰ ত্ৰুটি হয় তেনেহলে দকত অজ্ঞান হৈ থকা দেওধা বা দেওধনীক স্মৃতি ঘূৰাই অনাত বৰ কঠিন হয় বাবে সাধাৰণতে ওজাপালী দল সমূহে এই অৰ্ধচন্দ্ৰ দক কৰা দেখা নেযায়। ত্ৰুটিপূৰ্ণ দক কাৰো বাবে উচিত নহয়। সেয়েহে ওজাপালী নতুন শিকাৰু সকলে অৰ্ধচন্দ্ৰ দক কৰিব নিবিচৰাটো ভাল প্ৰণালীৰ মাজেৰে সাধাৰণ দক কৰিলে একো ভুল নহয়। বিশেষকৈ দকৰ সময়চোৱাত শৌচ বা প্ৰচাব কৰি দক চুব নালাগে। দক তোলাৰ পিছত পানীৰে দকৰ ঠাই শুদ্ধ কৰিব লাগে। অৰ্ধচন্দ্ৰ দক তোলাৰ পিছত জল পৰা দি আৰোৱা চাউল দকৰ ওপৰত চতিয়াব লাগে। লক্ষিন্দাৰে প্ৰাণ পোৱাৰ পিছত এটা দান পৰ্ব হয়। কাৰণ যেতিয়া লক্ষিন্দাৰ জী উঠে সেই অৱস্থাত তেওঁ উলঙ্গ অৱস্থাত থাকে। সেয়েহে সেই অৱস্থাত দিয়া দান অতি উত্তম দান।

১। বস্ত্ৰ দান　　২। ফুলৰ মালা

৩। অৰ্থ　　৪। সুগন্ধী তেল ইত্যাদি

তাৰ পিছত দ্বিতীয় দিনৰ শেষ কাৰ্য্যসূচী সমাপ্ত হয়। এই কাৰ্য্যভাগ অৰ্থাৎ দকৰ সম্পূৰ্ণ কাৰ্য্যৱলী দৰ্শক বা সমাজে গোটেই নিশা উপভোগ কৰে। অনাদি কালৰ পৰা প্ৰতিখন তিনিদিনীয়া বা পাঁচ দিনীয়া মনসা পূজাত এই ভাটীয়ালি পদ দক পৰিৱেশন কৰা হয়। কিন্তু ভাটিয়ালীৰ এনে এটা মাদকতা আছে যাৰ বাবে ভাটীয়ালি নৃত্য নতুন অনুভৱ হয়।

কোনো ব্যক্তি বা সমাজে ভাটীয়ালিৰ পৰিৱৰ্ত্তে আন পদ পৰিৱেশন কৰাৰ কথা নকয়। কিয়নো ভাটীয়ালিৰ মাজত থকা অৰ্থপূৰ্ণ আৰু উপদেশময় কাহিনীয়ে মানুহৰ মন চিৰদিনে আপ্লুত কৰে।

ধৰ্মই সমাজ গঢ়ে, ধৰ্মই সমাজ পৰিত্ৰ কৰে। পৰিত্ৰতাই সমজুৱাক মনৰ কলুসিত ভাৱধাৰাক বহু দূৰলৈ আঁতৰাই লৈ যায়। উল্লেখ কৰিব পাৰি এই পূজাক কেন্দ্ৰ কৰি দুদিন ধৰি দৰ্শক বা সমাজ বা চুবুৰীয়াই এক পৱিত্ৰ মনেৰে পূজাৰ অনুষ্ঠান উপভোগ কৰে। কাৰো অন্তৰত এই সময়চোৱাত হিংসা-বিদ্বেষী ধালিনতা দেখা নাযায়। অনুভৱ হয় যেন ওজা পদসমূহ এখন জ্ঞানৰ বিশ্ববিদ্যালয়। শ্ৰেণীকোঠাত পাঠদান হৈ কৰি আছে আৰু বাধ্য ছাত্ৰ-ছাত্ৰীৰ দৰে সমাজে এই পদৰ গূঢ়াৰ্থবোৰ হৃদয়ঙ্গম কৰিছে। সেয়েহে এই প্ৰাচীনতম লোককলা ওজাপালীক সমাজৰ কু-সংস্কাৰবোৰ আঁতৰাই তাৰ ঠাইত এখন নিকা-শৃংখলাবদ্ধ সমাজ গঢ়াত মূল্যৱান উপাদান সমূহ ইয়াৰ মাজত নিৱদ্ধ হৈ থকা বুলি জ্ঞানী ব্যক্তি সকলে দৃঢ়তাৰে প্ৰকাশ কৰে।

তৃতীয় দিনৰ কাৰ্য্যসূচী ৰাতিপুৱা আনদিনা পূজা কৰা ফুল-বেলপাত, অলাগতিয়াল দ্ৰব্য সমূহ আঁতৰাই মণ্ডপ পৰিস্কাৰ কৰি নতুনকৈ মাহ-প্ৰসাদ আগবঢ়াই দেৱীৰ বিদায় পূজাভাগ কৰা হয়। গৃহসথ বা সেৱক সকলে স্নান কৰি পৱিত্ৰ কাপোৰ পৰিধান কৰি দেৱীৰ শেষ পূজাভাগত অংশগ্ৰহণ কৰি সভক্তিৰে দেৱীক পুষ্পাঞ্জলি প্ৰদান কৰে। তিনিদিনৰ এই সম্পূৰ্ণ কাৰ্য্যসূচীত সমাজৰ যি ভক্তিপূৰ্ণ সহযোগিতা ই অকল পূজা কৰ্ত্তাকে নহয় গোটেই সমাজখনক দেৱীৰ আশীষ প্ৰাপ্ত কৰে। সকলোৰে

লগ লাগি শংখ বৰকাহ, ভোৰতাল লৈ দেৱীক জলাশয়ত বিসৰ্জন দিয়া হয়। তাৰ পিছত যেন সকলোৰে মন অজানিত কাৰণত ভাৰাক্ৰান্ত হৈ উঠে। দেৱী মাতৃক বিদায়ৰ ব্যাথা মনত লৈ সকলোৱে ঘৰলৈ উভতি আহে। য়েন কোনোবা আপোন জনকহে বিসৰ্জন দি অহা হ'ল। এক নিৰৱতাই কিছু সময় যেন বিজাৰ কৰে।

ব্ৰাহ্মণ, পুৰোহিত ওজাপালী সকলক বিদায় দিয়া হ'ল। ওজাপালী দলটোৰ ছয় বা সাত জন মানুহক পাঁচ হেজাৰ বা ছয় হেজাৰ টকা দিয়া হ'ল। এতিয়া তিনিদিন পাৰিশ্ৰমিক লৈ এই শিল্পী সকলে পৰিয়ালৰ ভৰণ পোষণ, ল'ৰা-ছোৱালীক শিক্ষা কি ধৰণেৰে বহন কৰিব। সেই কথা ভাবিবলৈ ব্যস্ত বহুল সমাজখনৰ আহৰি নাই। যাৰ বাবে শিল্পী সকল সাধাৰণ দিন হাজিৰা কৰা মানুহৰ শাৰীলৈ পৰ্য্যবসিত হ'ব লগা পৰিৱেশ পাইছেগৈ। বৈদীক মাধ্যমৰ আন কোনো লোক কলা বিচাৰি পাবলৈ নাই। সম্পূৰ্ণ বৈদিক বেষ্টনিৰ মাজত চিৰকাল প্ৰৱাহিত ওজাপালী লোককলা সংস্কৃতি। ইয়াক কোনেও উলাই কৰিব নোৱাৰে। এই লোককলা বিধৰ নিজস্বতা আছে। প্ৰকৃতাৰ্থত ওজাপালী যদিওৱা লোক কলা ই আন লোক কলাৰ অনুকৰণীয় নহয়। নিজস্ব শৈলীৰ ওপৰত ওজাপালীৰ জন্ম। যদিওবা লোক কলা নামেৰে ওজাপালীক অভিহিত কৰা হৈছে, ই কোনো জাতি বা অঞ্চল বিশেষৰ কলা নহয়। বৈশিষ্ট ক্ষুদ্ৰ নহয়। অনাবিল আনন্দ, পৰিধি বিহীন জ্ঞান, সমাজ সংস্কাৰৰ গভীৰ তত্ত্ববোধ নিহিত হৈ আছে ওজাপালী মাধ্যমত। মনস্তাত্বিক জ্ঞান প্ৰভূত ভাবধাৰাৰ নতুন সংযোজনো ওজাপালীৰ মাজত প্ৰায় দেখা যায়। ডাইনাপালীৰ সহজবোধ্য

উপমাৰ জৰিয়তে তত্বগধুৰ বিষয়বস্তুই সামাজিকৰ হৃদয়ত গভীৰ সাচ অঙ্কন কৰে। ঈশ্বৰিক শক্তি সম্পন্ন বুলি এই বাবে ওজাপালীক দাবী কৰিব পাৰি যে আন কোনো কলাত এনেকুৱা ৰূপ দেখা নাযায়। ঘণ্টাৰ পিছত ঘণ্টা, চৈধ্য-পোন্ধৰ ঘণ্টালৈ কেৱল স্মৰণ শক্তিৰ ওপৰতে নিৰ্ভৰশীল হৈ ওজাপালী নৃত্যগীত পৰিৱেশন কৰা চিৰাচৰিত প্ৰথা। ওজাপালী একমাত্ৰ কলা যি কলা কেৱল মাত্ৰ মুখস্থ বিদ্যাৰ ওপৰত প্ৰতিষ্ঠিত। ভাবিলে আচৰিত হ'ব লগা বিষয়। আঠ দহ খণ্ড পদ যদি পৰিৱেশন কৰিব লগা হয় কোনেও ওজাপালী যাঠি-সত্তৰ ঘণ্টা মুখস্থ বিদ্যাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। সেয়েহে ওজাপালী লোককলাৰ দেৱ-দেৱীৰ শক্তিপ্ৰাপ্ত বুলি কলে ইয়াক উলাই কৰাৰ থল নাই। উল্লেখ কৰিব পাৰি সাধাৰণতে ওজাপালী সকলে প্ৰয়োজনীয় পদ সমূহ পৰিৱেশন কৰে এনেধৰণে—

১। সৃষ্টি পাতন (আদি পুৰাণ)

২। কুমাৰ হৰণ (পদ্ম পুৰাণ)

৩। দক্ষ যজ্ঞ (ভাগৱত)

৪। পৰিক্ষীত বধ (ভাগৱত)

৫। পক্ষীৰ আখ্যান (মাৰ্কণ্ডেয় পুৰাণ)

৬। চান্দৰ জন্ম (পদ্মপুৰাণ)

৭। নেটাৰ বিয়া (পদ্মপুৰাণ)

৮। কইনা ছোৱা (পদ্ম পুৰাণ)

৯। বাহী বিয়া (পদ্ম পুৰাণ)

১০। মেৰ নিৰ্মাণ (পদ্ম পুৰাণ)

১১। ভাটীয়ালি (পদ্ম পুৰাণ)

১২। উত্তৰ বণিজ (পদ্ম পুৰাণ)

১৩। দক্ষিণ বণিজ (পদ্ম পুৰাণ)

১৪। হাচান হুচেন (পদ্ম পুৰাণ)

১৫। চান্দৰ পূজা বা স্বৰ্গাৰোহন (পদ্ম পুৰাণ)

১৬। মহিষাসুৰ বৰ্ধ (মাৰ্কণ্ডেয় পুৰাণ)

১৭। সুম্ভ নিসুম্ভ বধ (মাৰ্কণ্ডেয় পুৰাণ)

১৮। সুৰথৰ লক্ষবলী (মাৰ্কণ্ডেয় পুৰাণ)

**ইয়াৰ উপৰিও লিখকৰ স্বৰচিত কিছুমান পদ যেনে-**

১। কৃষ্ণ যজ্ঞ (ব্ৰহ্মবৈৱৰ্ত্তেয় পুৰাণৰ পৰা)

২। দেৱী ওজাৰ যুদ্ধ (ব্ৰহ্মবৈৱৰ্ত্তেয় পুৰাণৰ পৰা)

৩। কাৰ্ত্যবীৰ্জ অৰ্জুন বধ (মাৰ্কণ্ডেয়ৰ তথ্যৰ পৰা)

৪। শুকৰ জন্ম (ভাগৱত আৰু ব্ৰহ্মবৈবৰ্ত্তেয় আৰু দেৱী পুৰাণৰ পৰা)

৫। শ্ৰীহৰিৰ মুণ্ডছেদ (ব্ৰহ্মবৈবৰ্ত্তেয় পুৰাণৰ আধাৰত)

বিৰল উদাহৰণৰ প্ৰতীক আমাৰ প্ৰাচীনতম লোক কলা ওজাপালী। এই পদ সমূহৰ উপৰিয়ো পদৰ লগত ৰজিতা খোৱা সংস্কৃত শাস্ত্ৰৰ বিভিন্ন উপমা, শ্লোক আদি পদৰ কাহিনী ভাগৰ লগত সংলগ্ন কৰি সমাজৰ অধিক মনোগ্ৰাহী আৰু বোধগম্য কৰি তোলে। দৰ্শকৰ ৰূপত থকা ডেকা-বুঢ়া সকলো শ্ৰেণীৰ সমজুৱাৰ মনত সমাজ সচেতনতা ধৰ্মৰ

প্ৰতি আকৰ্ষণ, নীতিবাচক ভাৱধাৰাৰ প্ৰকাশ ঘটাই মনত থকা সংকীৰ্ণতা বদান্যতাৰ অঙ্কুৰিত বীজবোৰ বিনাশ কৰে। এখন সুস্থ-সবল সমাজ গঢ়িবলৈ প্ৰথমে নিজক সংস্কাৰ কৰাৰ পথ লোক কলা সমূহৰ মাজত প্ৰাচীন কালৰ পৰা অনুভৱ হৈ আহি আছে।

সমাজ সংস্কাৰৰ মাধ্যম লোককলা বুলি কোৱাৰ থল আছে প্ৰতি জাতি-জনগোষ্ঠীৰ। লোককলাত জাতি-জনজাতিৰ বিকাশ হয়। ক্ৰমবৰ্ধমান সমাজখন আধুনিকতাৰ ৰহন লাগি নিজস্বতা হেৰুওৱাৰ সংকেত বিভিন্ন ক্ষেত্ৰত পৰিস্ফুত হৈছে। ই জাতিৰ বাবে শুভ লক্ষণ নহয়। তথাপি পৰীক্ষামূলকভাবে সকলোবোৰ কৃষ্টিৰ তুলনা কৰিলে দেখা যাব, সকলো কৃষ্টিৰ মূল ওজাপালী নিবদ্ধ হৈ আছে। কেৱল নৃত্য বা প্ৰকাশভঙ্গী বেলেগ। লোকগীত, ঝুমুৰ, জিকিৰ, বিহু, চাওতালী, মহোহো, হোলী গীত, নাওখেল গীত, পুতলা নাচ, বড়ো নৃত্য ইত্যাদি লোককলাবোৰে জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু জাতিৰ গৌৰৱ বুলি কলে বোধয় দ্বিমত নাথাকে। কিন্তু এই লোককলা সমূহৰ নৃত্যগীতবোৰ চুটি আৰু টুকুৰা টুকুৰা গীতৰ সমষ্টি। ইয়াত কবলৈ হলে ধাৰাবাহিকতা নাথাকে। গীতবোৰ ঘটনা বহুল বা কাহিনীৰ আধাৰত নহয়। আনহাতে ওজাপালি গীত একোটা মৌলিক কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত। বৈদিক আবেষ্টনিৰ মাজত ধাৰাবাহিকতা ৰক্ষা কৰি কাহিনীবোৰ সমাজত উপস্থাপন কৰা একমাত্ৰ লোককলা ওজাপালী। সেয়েহে তুলনাবিহীন এইবিধ লোককলা। বিভিন্ন পুৰাণ-উপপুৰাণৰ কাহিনী সমূহৰ উপৰিয়ো বাস্তৱত ঘটি থকা সমাজৰ কু-সংস্কাৰবোৰৰ পদ বা গীতৰ মাধ্যমেৰে সময়ে সময়ে

ওজাপালী উপস্থাপন কৰে।

এটা নামঘৰ যেনেকৈ সমাজৰ কেন্দ্ৰবিন্দু তেনেধৰণে লোককলা সমূহো এখন সুস্থ সমাজ গঠনৰ মূল আহিলা বুলি অভিহিত কৰিব পাৰি। কামিহাড়ৰ দুৰ্বলতাই যেনেধৰণে ৰাজহাড় নিশকতিয়া হয় তেনেধৰণে লোককলা কৃষ্টি সমূহে জাতি-জনজাতি বা সমাজৰ সংহতিৰ অনগ্ৰসৰতাৰ কাৰণ হ'ব পাৰে। কাৰণ কলাবোৰ মানুহৰ মনৰ আৱেগ-অনুভূতি, বৈষম্যতাৰ দৰে ৰিপুবোৰক দমন কৰিবলৈ সংস্কাৰৰূপী সংস্কৃতিৰ প্ৰয়োজন। ওজাপালী এনে এটা লোক সংস্কৃতি যাৰ মাধ্যমত সমাজৰ বিষাক্ত ৰিপু সমূহ দমনৰ যথেষ্ট নীতি বা আদৰ্শ দাঙি ধৰা হৈছে।

ওজাপালী অকল মনসা পূজাতেই সীমাবদ্ধ নহয়। হিন্দু সমাজৰ শাস্ত্ৰত উল্লেখিত দেৱ-দেৱী সকলৰ লগত জৰিত পূজা-অৰ্চনাৰ ক্ষেত্ৰত এই লোককলা বিধৰ অতিকৈ প্ৰয়োজন। ব্ৰাহ্মণ অবিহনে যেনে ধৰণে বৈদিক পূজা এভাগ কৰাটো সম্ভৱ নহয়, তেনেধৰণে ওজাপালী অবিহনে পূজা ভাগৰ সৌষ্ঠৱ উপলব্ধি নহয়। উল্লেখ কৰিব পাৰি—

১। দুৰ্গা পূজা

২। কালী পূজা

৩। গণেশ পূজা

৪। সৰস্বতী পূজা

৫। লক্ষ্মী পূজা

৬। বাসন্তী পূজা

৭। জগদ্ধাত্ৰী পূজা

৮। বাথৌ পূজা

৯। শিৱ পূজা

১০। হোম যজ্ঞ

১১। বিশ্বকৰ্মা পূজা

ইত্যাদি অনুষ্ঠানবোৰত ওজাপালীৰ প্ৰয়োজনীয়তা পূৰ্বকালৰে পৰা পালন হৈ আহিছে। প্ৰতিখন পূজা বা অনুষ্ঠানত বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি ওজাপালী শিল্পী সকলে উক্ত বিষয়ত সমাজক সম্যক জ্ঞান দিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। ইমানবোৰ বিষয়বস্তুৰ ওপৰত স্মৰণ শক্তিৰ জৰিয়তে যি জ্ঞান এই কলাবিধৰ জৰিয়তে সমাজ বা ব্যক্তিয়ে পাবলৈ সক্ষম হয় আন কোনো লোককলাই এই জ্ঞান বিতৰণ কৰিবলৈ সমৰ্থ নহয়। হিন্দু শাস্ত্ৰ সমূহত দেৱ-দেৱীৰ গুণানুকীৰ্ত্তন কৰাৰ যি নীতি বা পদ্ধতি তাক কেৱল ওজাপালী নৃত্য কলাৰ মাধ্যমতহে উপলব্ধ হয়। হিন্দু ধৰ্মৰ পুৰাণ সমূহে সমাজৰ অবিদিত বহু জ্ঞান ভড়ালপূৰ্ণ কৰি ৰাখিছে। প্ৰতিখন পুৰাণত শিক্ষা, ধৰ্ম, সমাজ ব্যৱস্থা আদি বিষয়বোৰ বহুলভাবে সন্নিবিষ্ট কৰি থৈছে। এই সমূহ ধৰ্মশাস্ত্ৰৰ প্ৰভাৱত সুস্থ-সৱল সমাজ গঠনত প্ৰয়োজনীয় জ্ঞান সমূহ সুন্দৰ কাহিনীৰ আধাৰত মনিষি সকলে প্ৰকাশ কৰি গৈছে। জ্ঞান পুষ্ট মনীষি সকলে চৰিত্ৰ অধ্যয়ন কৰিলে আমি দেখিবলৈ পাও যে কৰ্ম আৰু ধৰ্মৰ অবিচ্ছিন্ন সম্পৰ্ক। কৰ্মক বাদ দি ধৰ্ম কেতিয়াও প্ৰাপ্য নহয়। যদি হয় এই ধৰ্ম আত্মকেন্দ্ৰিক, সমাজ বা দহৰ সংস্কাৰ বা মুক্তি এই ধৰ্মই কৰিব নোৱাৰে।

ওজাপালীৰ গীত পদ সমূহ কিছুমান কাৰণত অৰ্থপূৰ্ণ নহয় যেন অনুমান হয়। কাৰণ আগতে উল্লেখ কৰা কাৰণ সমূহ

১। ওজাপালী লোক কলাৰ কোনো আনুষ্ঠানিক শিক্ষা কেন্দ্ৰ নথকাৰ বাবে ইয়াৰ পদ পুথিবোৰ ভুলৰ মাধ্যমতে চলি আছে।

২। এইবিধ কলাৰ কোনো লিখিত পুথি নাই। যাৰ জৰিয়তে শিল্পীসকলে শুদ্ধভাৱে আখ্যান বা দেৱ-দেৱীৰ বন্দনা সমূহ পৰিৱেশন কৰিব পাৰে।

৩। শিল্পী সকলৰ শিক্ষাগত অৰ্হতাৰ অভাৱত কলাবিধৰ গুণগত মানদণ্ডৰ উন্নতিৰ পথ অবৰুদ্ধ।

৪। শিল্পীসকলৰ আৰ্থিক অনাতনৰ বাবে বহুক্ষেত্ৰত শিল্পীসকল চিৰকালে সমাজত হেয় প্ৰতিপন্ন হৈ আহিছে।

৫। শিল্পী সকলৰ জীৱন ধাৰা অনুমান কৰিলে দেখা যায় কলাবিধৰ শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধ্য বাধকতা বা কোনো ধৰণৰ নীতিগত প্ৰণালী বা নিয়মাৱলী নথকাৰ বাবে এই লোককলাবিধৰ প্ৰচাৰ মাধ্যম সাধাৰণ সমাজখনৰ মাজতেই সীমিত।

৬। এইবোৰ কাৰণতে উচ্চ শ্ৰেণীৰ মানুহৰ সমাজখনৰ দৃষ্টিত এই লোককলাবিধ ক্ৰমান্বয়ে অপৰিচিত হৈ আহিব ধৰিছে।

৭। এই লোককলাবিধত সাধাৰণতে স্থানীয় ভাষা বহুলভাবে ব্যৱহাৰ হোৱাৰ বাবে উজনী অসম বা আমাৰ বাহিৰৰ কিছুমান ঠাইলৈ ইয়াৰ পৰিৱেশন কৰা অতি কঠিন আৰু অনাবশ্যক হৈ পৰা যেন অনুমান হৈছে। সেইবাবে কিছু ক্ষেত্ৰত গাঁও অঞ্চলৰ কৃষ্টি বুলি বহুতে মত পোষণ

কৰে।

৮। কোনো বিজ্ঞ ব্যক্তিৰ আশানুৰূপ সহানুভূতি, অন্তৰ্নিহিত গৱেষণাৰ অভাৱত কলাবিধৰ নতুনত্বৰ পথ সুগম হৈ উঠা দেখা নাযায়। কোনোৱে এই কলাবিধৰ পদ-পুথিবোৰ লিপিবদ্ধ কৰা বা শুধৰণি কৰাৰ কথা নভবা বাবেও আন কিছুমান কলাৰ দৰে ক্ৰমান্বয়ে মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈ আছে।

৯। ওজাপালী মাধ্যমত পৰিৱেশিত পুৰাণবোৰ সাধাৰণতে সংস্কৃত ভাষাত লিখা। দুই এখন পুৰাণ অসমীয়া ভাষালৈ ৰূপান্তৰিত হৈছে। বাকী পুৰাণ সমূহ বেছিভাগে বঙালী ভাষাত পোৱা যায়। সেইবাবে পদ পুথিবোৰত বঙালী শব্দ বা অন্যান্য ভাষাৰো কিছু ছা পৰা বুলি ক'ব লাগিব।

১০। অসমৰ লোক কলাৰ জনক এই ওজাপালী বিশ-একৈশ শতিকাত পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা হৈছে। এইয়া এখন দেশ, এটা জাতিৰ বাবে অতি শুভলক্ষণ। দৃঢ়তাৰে আমি ক'ব পাৰো পাঠ্যপুথিৰ এই পাঠে শিশু সকলৰ চৰিত্ৰ গঠন, সামাজিক দায়বদ্ধতা, ডাঙৰ বা পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ সুন্দৰভাৱে গঢ় দিব পাৰিব। ধৰ্ম চৰ্চাৰ কিছুমান উপদেশো শিশু সকলে বাল্যকালৰ পৰাই আহৰণ কৰিব পাৰিব। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ বিকাশত যথেষ্ট অৰিহণা যোগাব বুলি আমাৰ গভীৰ বিশ্বাস।

## ভুলৰ চমু আভাস

এখন দিহা

১। অগো বৰাই হেৰ মোৰ মন বিয়াকুল হৈলা ৰাধে বৰাই হেৰ মোৰ মন বিয়াকুল হৈলা ৰাধে।

২। প্ৰাণ কলিয়া হেৰ মোৰে জীৱ ধন বাচু আছা ৰণে মজিয়া ৰওক মন।

৩। অনে মোৰ বেউলানি আইলা কেমন কাজে ভব সাগৰৰ মাজে।

৪। শ্যম চাজৈ বচন বধুৰে ভাল, গৌৰাই চাজৈ বচন বধুৰে ভাল।

৫। গা মোৰ নাগৰী অ তৰুৱা কঙ্কালে বিনা বতাহে হালে গা মোৰ নগৰী ও।

৬। ৰাধেৰ বধুৱা ছয় শ্যম কানুৰ ঘৰে সাজে আমি চলিয়া যাও আপোনাৰ কাজে।

৭। এ অব ধিৰে হা অধিৰে চলে ঐ ৰাম কানু।

অগো বৰাই, ৰাধে বজাই, বাচু আছা ৰনে, বেউলানী আইলা, কেমন কাজে, বচন বধুৰে, গামোৰ নাগৰী, তৰুৱা কঙ্কালে, ৰাধেৰ বধুৱা চয়, অব ধিৰে হা ইত্যাদি শব্দবোৰৰ অসমীয়াত কোনো অৰ্থ বিচাৰি পোৱা নাযায় অথচ এই শব্দবোৰ চিৰদিন ব্যৱহাৰ হৈ আহিছে। কোনো কোনো ক্ষেত্ৰত ইয়াৰ মাজত কিছুমান বঙালী শব্দৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। গোটেই কাহিনীবোৰত যথেষ্ট পৰিমানে বঙালী শব্দৰে এটা মিশ্ৰণ শব্দৰ প্ৰকাশ, বন্দনা বা পদবোৰৰ মাজত দেখা যায়। কোনো

কোনো ক্ষেত্ৰত ব্ৰজবলী ভাষাৰ শব্দও দুই এটা প্ৰকাশ হয়। কিন্তু বৰ আচৰিত এই কলাবিধ যাক সকলো কলাৰ পিতৃ বুলি কোৱাৰ থল আছে, এই কলাবিধৰ ওপৰত কোনো পণ্ডিতে মনোনিৱেশ নকৰাটো অতি পৰিতাপৰ কথা। ভুলে ভুলে যুগ যুগ ধৰি সমাজৰ মাজত ভুলৰ অৱতাৰণা হৈয়েই আছে। বিজ্ঞ ব্যক্তি সকলে ইয়াৰ বাবে কোনো ধৰণৰ সমালোচনা বা শুধৰণিৰ ব্যৱস্থা কৰা দেখা নাযায়। ফলত এই কৃষ্টিৰ পৰিৱেশিত পদ বা বন্দনা সমূহ দিনে দিনে নিম্নমানৰ আৰু সংকোচন ব্যাধিৰ গৰাহত পৰা যেন অনুমান হয়।

## সংস্কৃতি আৰু সমাজ

অসমৰ বিভিন্ন সংস্কৃতি বা লোক কলাৰ সমাজ বান্ধোনৰ কেন্দ্ৰ হিচাবে চিহ্নিত হৈ আহিছে। তাৰ ভিতৰত বিহু, ভাওনা, লোকগীত আদিক জাতীয় কৃষ্টি হিচাবে সন্মান দিয়া হৈছে। এইবোৰৰ আধুনিকিকৰণ বা এইবোৰ কৃষ্টিৰ উন্নতিৰ বাবে যথেষ্ট প্ৰচাৰ, প্ৰসাৰ প্ৰণালীবদ্ধ শিক্ষা দিয়াৰ পটন্তৰ নতুন নহয়। এই বিষয়বোৰত নানা ধৰণৰ বটা দিয়া প্ৰথা আমি দেখা পাও। এইবোৰ কৃষ্টিৰ মাজত প্ৰতিযোগিতা আদিৰে তাৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰা দেখা যায়। কিন্তু শাস্ত্ৰীয় মাধ্যমৰ লোককলা। যাৰ মাজত সোমাই আছে সমাজ গঠন, জাতি গঠন, চৰিত্ৰ গঠনৰ মূল মন্ত্ৰবোৰ। এনেহেন সংস্কৃতি বা লোককলা অৱহেলিত হোৱা মানে যেন আকৌ আমি অৱনমিত হ'ব ধৰিছো আদিম যুগলৈ।

## পূৰ্বানুমান

বৰ্ত্তমান এই কলাবিধৰ যি সমস্যা দেখা দিছে এই কলাবিধ দীৰ্ঘস্থায়ী হ'ব বুলি ঠাৱৰ কৰিব নোৱাৰি। নতুন সমাজ খনৰ এই কলাবিধৰ প্ৰতি বিশেষ আকৰ্ষণ থকা বুলি অনুমান নহয়। অৱশ্যে ইয়াৰ কাৰণ সমূহ ফহিয়াই চালে দেখা যায় নতুন চামৰ আকৰ্ষণ নথকাটো স্বাভাৱিক।

কাৰণ সমূহ—

১। নতুনত্বহীন

২। নিম্নমানৰ মজুৰি

৩। চৰকাৰৰ অনিহা

৪। প্ৰচাৰ বা প্ৰসাৰৰ পথ সংকীৰ্ণ

৫। অনুষ্ঠানিক শিক্ষা

৬। নিম্নশ্ৰেণীৰ মাজত আৱদ্ধ

৭। শিক্ষাৰ বাবে পাঠ্যপুথিৰ অভাৱ

৮। অত্যাধিক পৰিশ্ৰমৰ কলা

৯। কিছু ক্ষেত্ৰত বাধ্য বাধকতা

১০। বৈষ্ণৱ পন্থী গ্ৰহণ নকৰা এবিধ কলা

১১। ওজাপালী কলাত মূৰ্ত্তি পূজাৰ ব্যৱস্থা থকা বাবে বৈষ্ণৱ পন্থী সকলে এই কলাবিধ গ্ৰহণ নকৰে।

১২। শিল্পী সকলৰ শেষ সময়খিনি অতি দুখৰ দেখা যায়।

১৩। দেশৰ সাংস্কৃতিক বিভাগেও এই ক্ষেত্ৰত নিস্ক্ৰীয় ভূমিকাৰ

অভিনয় কৰে।

১৪। এইবোৰ দেখি নতুন চামৰ মাজত উক্ত কলাবিধৰ বাবে মন ধাৱমান নোহোৱাটো স্বাভাৱিক।

১৫। এচামৰ মাজত দেখা যায় সাংস্কৃতিক সন্ধিয়া, হিন্দী গীতৰ পয়োভৰ ইত্যাদি কাৰণত মনবোৰ কৃষ্টিৰ বিপৰীতমুখী কৰি তুলিছে।

১৬। কৃষ্টি সংৰক্ষণৰ দাবী তুলি চৰকাৰ বা আন কোনো সংস্থাৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে যোগ্য শিল্পীৰ সৎ সাহসৰ অভাৱ।

১৭। প্ৰাচীনতম কলাবিধৰ শিল্পীসকলৰ মাজত কোনো ধৰণৰ সংস্থাৰ কাৰ্য্যকলাপ চকুত নপৰে।

১৮। চৰকাৰৰ ওচৰত দাবী প্ৰতিপন্ন কৰিব পৰা, কোনো ধৰণৰ চৰকাৰৰ পঞ্জীভূক্ত, নিয়মাৱলী সম্বলিত শিল্পী সমিতিৰ সংগঠন নোহোৱা বাবে ই চিৰকালে চৰকাৰৰ অৱহেলিত হৈ আহিছে।

১৯। শিল্পী সকলৰ মই বৰ ভাবধাৰাৰ বাবে সংগঠন দিৰ্ঘম্যাদি নহয়।

২০। অৰ্ধ শিক্ষাই শিল্পী সকলৰ উন্নতিৰ হেঙাৰ বুলি উল্লেখ কৰিব পাৰি।

২১। আনহাতে শিল্পী সকলৰ অহমিকা ভাবেৰে আনক অনুসৰণ নকৰাটো শিল্পী চামৰ এটা বিশেষ ব্যধিত পৰিণত হৈছে।

## ওজাপালীক পাঠ্যপুথিৰ পাঠত

এই কলাবিধৰ বাবে অতি শুভ লক্ষণ, এই সম্পৰ্কে আগত আলোচনা কৰা হৈছে। আলোচনা কৰিব খুজিছো আন এটা বিষয়ৰ ওপৰত।

১। পাঠ্যপুথিত ওজাপালী সম্পৰ্কে দিয়া পাঠ কেনে ধৰণে ছাত্ৰ-ছাত্ৰীক দান কৰা হয়।

২। ওজাপালী সম্পৰ্কে জ্ঞান দিবলৈ নিয়োজিত শিক্ষক সকল ওজাপালী সম্পৰ্কে কিমান সজাগ আৰু জ্ঞানী।

৩। ওজাপালীৰ শিল্পী সকলে ঐকান্তিক বাবে আঠ-দহ বছৰ লাগি থকাৰ পিছতো ওজপালী সম্পৰ্কে এটা ভাল বক্তৃতা বা তথ্য দাঙি ধৰিব নোৱাৰে।

৪। আমি আচৰিত ওজাপালী সম্পৰ্কে অনভিজ্ঞ শিক্ষকৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ওজাপালী সম্পৰ্কে ভূল বাখ্যাই ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰকৃত জ্ঞানৰ পৰিৱৰ্ত্তে কলাবিধৰ প্ৰতি ভুল ধাৰণাই স্থিতি হ'ব নেকি?

৫। শিক্ষা বিভাগক অনুৰোধ কৰা যায়, যিসকল শিক্ষকে ওজাপালী সম্পৰ্কে পাঠদান কৰে এই শিক্ষক সকলক কিছু আভাস দিয়াৰ উদ্দেশ্যে ওজাপালীৰ বিজ্ঞ শিল্পীৰ দ্বাৰা কৰ্মশালা অনুষ্ঠিত কৰিলে শিক্ষাগুৰুসকলে অতি সোনকালে ছাত্ৰ-ছাত্ৰীক দিবলগীয়া পাঠৰ আভাস গ্ৰহণ কৰিবলৈ সহজ হ'ব।

৬। কঠিন কলাবিধৰ আভ্যন্তৰিণ বিষয়বস্তু সমূহ, সহজভাবে গ্ৰহণ

কৰিলে সমাজৰ ক্ষতি আৰু কলা বিধৰ মানদন্দ নিম্নমানৰ হোৱাটো ধ্ৰুৰূপ।

৭। আগতে কোনো পাঠত শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাইছিল, ওজাপালী নৃত্য, গীত শ্ৰীমন্ত শঙ্কৰদেৱ সৃষ্টি কৰিছিল। কথাটো সমুলি সচা নহয়।

৮। ছাত্ৰ-ছাত্ৰী ভূল তথ্যত আগ্ৰহি হলে শেষত এই ভুলে ছাত্ৰ-ছাত্ৰীক কলাবিধৰ ওপৰত অনিহা আহিব পাৰে।

## অনিহা

বিচাৰ কৰি চালে দেখা যায় এই লোককলা ওজাপালী কিছুমান কৰ্মহিন মানুহৰ সংস্কৃতি হৈ জীয়াই আছে। আন কলাবোৰৰ তুলনাত ই এইবিধ কলাৰ শিল্পী সকল দিনে দিনে অনাদৃত হৈ আহিছে।

১। অৰ্থ নিম্ন

২। লাহে লাহে সমাজৰ গুৰুত্বহীন হ'ব খোজা এটা কৃষ্টি।

৩। পূজা সবাহত নিমন্ত্ৰিত ওজাপালী দলক প্ৰচাৰ মাধ্যমত ভাগ দিব নোখোজাটো এটা শিল্পী সকলক অপমান কৰা হোৱা নাইনে?

৪। ওজাপালীৰ নিৰূপিত কাৰ্য্যসূচী ২০ বা ২৫ মিনিট দেখুৱাই তাৰ ঠাইত কিছুমান অন্যান্য সন্নিবিষ্ট কৰা দেখা যায়।

৫। পাঠক-পাঠিকাৰ নাম-ঠিকনা, সময় কাৰ্য্যসূচীত সুন্দৰভাবে প্ৰকাশ কৰাৰ উপৰি তেওঁলোকৰ নাম বিভিন্ন ধৰণে ঘোষণা কৰা হয়। কিন্তু ওজাপালী দলৰ নাম ঘোষণা দুৰৰ কথা বহু পূজা সবাহৰ সমিতি কাৰ্য্যসূচীতও ওজাপালী নাম প্ৰকাশ নকৰে। কিছুমানত কেৱল ওজাপালী

বুলি উল্লেখ কৰে।

৬। চিৰ ব্যৱহাৰ্য্য লোক কলাবিধৰ ওপৰত সচেতন ব্যক্তি সকলে এইবোৰ অন্যায় কৰা নাইনে? এই পদ্ধতিত শিল্পীসকলৰ মন হতাশিত কৰি তোলা নাইনে?

৭। এই হতাশাই এদিন শিল্পী সকলৰ স্পৃহাৰ সংস্কৃতি হিয়া উজাৰি ভালপোৱা বিশ্ৰামবিহিন, বিৰাম বিহিন কলাবিধৰ শৱ কান্ধত তুলি শ্মশান ঘাটলৈ নিব লাগিব। এইয়া এখন দেশৰ বাবে হ'ব অপূৰণীয় ক্ষতি।

## লোককলা সমূহৰ মৃত্যুৰ কাৰণ

১। সংৰক্ষকৰ অভাৱ

২। চৰকাৰৰ হিন মন্যতা

৩। আধুনিকৰণৰ অভাৱ

৪। সমাজৰ অনিহা

৫। আধুনিকৰণত অৰ্থাভাব

৬। প্ৰয়োজনৰ বিশ্লেষণৰ নাটনি

৭। বিভিন্ন অঞ্চলৰ বিভিন্ন কলাৰ ওপৰত সেই স্থান বা অঞ্চলৰ প্ৰতিনিধি গৰাকীৰ অদুৰদৰ্শিতা বা হিনজ্ঞানে কলা সমূহৰ মৃত্যুৰ কাৰণ হ'ব পাৰে।

৮। আন কিছু ক্ষেত্ৰত শিল্পী সকলৰ নৈতিক চৰিত্ৰই ভদ্ৰ সমাজখনৰ পৰা কলাকাৰ বা শিল্প প্ৰতিভাক আঁতৰলৈ লৈ যায়।

৯। বাস্তৱ সমাজত দেখা যায় আন বহু লোক কলাৰ মৃত্যুৰ বাখ্যা দুই এজনে দণ্ডি ধৰে যেনে পুতলা নাচ, ঢুলীয়াৰ চং

১০। হয়তো এদিন এই লোককলা শিল্পী ওজাপালী পাহৰণিৰ গৰ্ভত হেৰাই যাব। এদিন হয়তো পুতলা নাচৰ দৰে ওজাপালী আলোচ্য বিষয় হ'ব। তেতিয়া যাক বিচাৰিলে পৰ্বতত কাচকনিৰ সদৃশ হ'ব।

১১। বৰ্ত্তমানৰ ওজাপালী পৰিৱেশন ধাৰণাটো যি ধৰণে সংকোচন আৰু বিশ্ৰুতিপূৰ্ণ হ'ব ধৰিছে হয়তো কিছু বছৰ পিছত ওজাপালীৰ মূল তত্ত্ব বা সুৰ তাল মান বিচাৰিলে পোৱা নাযাব।

১২। ওজাপালীৰ মূল তত্ত্ব ৰাগ ৰাগিনী যদি হেৰাই যায়। তাৰ বাবে কুৰি শতিকাৰ সক্ৰিয় ওজাপালী শিল্পী সকল জগৰীয়া হ'ব লাগিব।

## লোককলা ওজাপালীত নাৰীৰ মৰ্য্যদা

লোককলা ওজাপালীৰ পৰিৱেশ্য শাস্ত্ৰ সমূহত নাৰীক এখন উচ্চ মৰ্য্যদা সম্পন্ন আসন প্ৰদান কৰা হৈছে। এই কলাৰ মাজত উল্লেখিত নাৰী সমাজখনক যেনেকৈ স্বকীয় মৰ্য্যদাৰে বিভূষিত কৰা হৈছে আন কোনো শাস্ত্ৰ বা কলাৰ মাজত বিচাৰি পাবলৈ নাই। এই লোককলাৰ শাস্ত্ৰ সমূহ অধ্যয়ন কৰিলে দেখা যায় নাৰী জাতি সৰ্বশক্তিমান।

১। সৃষ্টি

২। স্থিতি

৩। বিনাশ

তিনিটি ক্ষেত্ৰত নাৰী মূৰ্ত্তমেয় আৰু শ্বাশ্বত। ধৰ্মগ্ৰন্থ সমূহে সদায় সকিয়াই যেতিয়া জগতত দুস্কৃতিৰ প্ৰদুৰ্ভাৱ বেছি হয়। অন্যায়, অধৰ্ম গা কৰি উঠে তেতিয়াই এইবোৰ বিনাশৰ বাবে এখন সুস্থ শান্তিপূৰ্ণ সমাজ গঢ়িবলৈ প্ৰয়োজন হয় নাৰী শক্তিৰ। এই কথা আজিৰ নহয় অনাদি কালৰ পৰা নাৰী শক্তিৰ বিৱৰণ ধৰ্মগ্ৰন্থ সমূহে দাঙি ধৰিছে।

**দুস্কৃতি নাশত নাৰীৰ ভূমিকা ঃ**

সৃষ্টিৰ আদি পাতনিত মধুকৈতভ অসুৰ বধৰ সময়ত মহামায়া আদিম প্ৰকৃতিৰ ভূমিকা আছিল উল্লেখনীয়। যুদ্ধত পৰিশ্ৰান্ত আদি নিৰঞ্জনে মহামায়াৰ শক্তিত মধুকৈতভ অসুৰত নিধন কৰিবলৈ সক্ষম হৈছিল।

মহিষা অসুৰ বধত মা দুৰ্গাৰ অপৰিসীম শক্তিৰ কথা সৰ্বজন বিদিত। চন্দ, মুণ্ড, ৰক্তবীজ, সুম্ভ, নিশুম্ভ আদি দৈত্যবোৰ যেতিয়া স্বেচ্ছাচাৰী হৈ উঠিছিল এই দৈত্য মানৱবোৰ নাৰীৰ বিভিন্ন ৰূপৰ হাতত মৃত্যু বৰণ কৰিছিল। এই কাহিনীবোৰে নাৰীৰ চিৰ গৌৰৱময় মহিমামণ্ডিত কাহিনী।

**ভগৱানৰ দশ অৱতাৰ ঃ**

ভগৱানৰ দশ অৱতাৰ সম্পৰ্কে নতুনকৈ কোৱাৰ প্ৰয়োজনবোধ কৰা নাই। ই সৰ্বকালে সৰ্বজনবিদিত। কিন্তু নাৰী শক্তিৰ উদ্ভৱ হোৱা দশ অৱতাৰ সম্পৰ্কে কেৱল ওজাপালী মাধ্যমতহে প্ৰকাশ কৰা হয়। শিৱ ভাৰ্য্যা সতী, দক্ষ দুহিতাৰ জগত বিদিত ভয়ঙ্কৰ দশাৱতাৰ—

১। কালী    ২। তাৰা

৩। মহাবিদ্যা    ৪। ভূৱনেশ্বৰী

৫। ভৈৰবী ৬। চিন্নমস্তা

৭। ধূম্ৰাৱতী ৮। বগলা

৯। মাতঙ্গী ১০। কমলা

এই দশ অৱতাৰ নাৰী জাতিৰ শক্তিৰ এক গৌৰৱউজ্জ্বল ইতিহাস। প্ৰতিক্ষেত্ৰত উপলব্ধি কৰো শক্তিময়, স্থিতপ্ৰজ্ঞ নাৰীৰ সম্মোহনি বিশাল নাৰীত্ব। নাৰী পুৰুষ শ্ৰী, নাৰী উজ্বলতা, নাৰী আদৰ্শ।

কেতিয়াবা নাৰী পৰা সুখ আৰু নীতি বহিৰ্ভূত চৰিত্ৰৰ প্ৰতীকো নোহোৱা নহয়। পৰিৱেশৰ দাস জনজীৱন। কেতিয়াবা পৰিৱেশৰ ওপৰত নতী স্বীকাৰ কৰি বহু নাৰী অজ্ঞান এন্ধাৰত ডুব যায় এখন অন্ধকাৰ জগতত বাস কৰি নাৰীৰ প্ৰকৃত গৌৰৱ ভূলণ্ঠিত কৰে। এইয়া এক ব্যতিক্ৰম আৰু মুস্তিমেয়।

## নাৰী চৰিত্ৰ গঠনত সচেতনতা ঃ

শৈশৱৰ পৰা নাৰী চৰিত্ৰ গঠন হয় একমাত্ৰ পিতৃ-মাতৃৰ অনুকৰণীয় চৰিত্ৰৰ ওপৰত। তাৰ কিছু উদাহৰণ এনে ধৰণৰ। যেতিয়া বেউলা লক্ষিন্দাৰৰ বিৱাহ সম্পন্ন হ'ল যেতিয়া বেউলা এখন নতুন ঘৰৰ বোৱাৰী হৈ যাবলৈ ওলাই তেতিয়া তেওঁৰ পিতৃ উজ্জয়িনীৰ ৰজা সাহে জীয়ৰী বেউলাক বুজাই কৈছিল—

দিহা ঃ শিক্ষাবুদ্ধি লৌ বাচা মনত ৰাখিলৌ
আমাৰ ঘৰৰ কথা পাচ কৰি থৌ।।

পদ ঃ আমি যেন পিতা তোৰ চান্দ সেহি মত।
মাতৃ হেন সনেকাক ভাবিবা মনত।।
ৰজনী প্ৰভাতে বাচা শুই নাথাকিবা।
ছয় জাঁৱৰ লগত আই পানীৰ ঘটে যাব।
আগত নাযাবা আই পিছত নেজাবা
আগ পাচ চাই আই পানীত নামিবা
স্নান কৰিবা পিন্ধিবা উত্তম বসন।
পাৱ পখালিয়া পুনু চলাবা ৰন্ধন।।
অন্ন ব্যঞ্জন আই যতনে ৰান্ধিবা।
প্ৰথমৰ চাউল মুঠি শিৱ নামে দিবা।
অন্ন হলে অন্ন দিবা শহুৰ সদাগৰে।
তাৰ পিছত অন্ন দিবা অতিথিৰ গোচৰে।।
তাৰ পিছত আন্ন দিবা সোনাই শাহুৰী।
ছয় জনক দিবা অন্ন ভিন্ন ভিন্ন কৰি।
তাৰ পৰা দিবা অন্ন স্বামী লক্ষিন্দাৰ।
পীৰা পানী দি স্বামীৰ ধৰিবা যোগাৰ।।

এই উপদেশ অকল বেউলাৰ বাবে নহয় সমস্ত নাৰী জাতিৰ বাবে। এনে মহত্বপূৰ্ণ আদৰ্শ চিৰ গ্ৰহণযোগ্য। নাৰী জাতিৰ স্বকীয় স্বাভীমানত এনেবোৰ আদৰ্শই সোণত সুৱগা চৰাই।

হিন্দু বিবাহিত নাৰীৰ ক্ষেত্ৰত তেনে কিছু উপদেশ এই কলাই প্ৰকাশ কৰে।

উদং হাত উদং কপাল উদং গল
সেই নাৰীৰ স্বামীৰ আয়ুস যায় ৰসাতল।।

কথাযাৰ বহুলভাবে বিশ্লেষণ কৰিলে দেখা যায় নাৰী জাতিৰ মহিয়ান চৰিত্ৰৰ আনুসঙ্গিক কিছুমান উপদেশ এইবোৰৰ মাজত নিহিত হৈ আছে। আগেয়ে উল্লেখ কৰা হৈছে পুৰুষ বা স্ত্ৰী চৰিত্ৰ গঠনত পিতৃ-মাতৃ আৰু সমাজৰ চৰিত্ৰ সদায় শিশু কালৰ পৰা গ্ৰহণযোগ্য হোৱা বাবে পিতৃ-মাতৃ সদায় সচেতন হোৱা উচিত। শিশু কালৰ চৰিত্ৰ গঠন অকল উপদেশত সীমাবদ্ধ নহৈ আৰ্হিৰ বিশেষভাবে প্ৰয়োজন। হিন্দু শাস্ত্ৰত নাৰীক মাতৃ জাতি আখ্যা দিয়া হৈছে।

**নাৰী মহত্বত পুৰুষৰ ভূমিকা ঃ**

১। নাৰী সমাজৰ বা পুৰুষৰ দুৰ্ব্যৱহাৰৰ ফলত হতাশাত ভাগি পৰে।

২। কোমলাঙ্গী নাৰীৰ কাম্য হৃদয়ৰ প্ৰকৃত মৰম, আৱদাৰ।

৩। নিসঙ্গতাই নাৰীৰ দৈহিক, মানসিক সকলো দিশত ক্ষতিকাৰক হ'ব পাৰে।

৪। মহানুভৱতাই নাৰী শক্তিক উচ্চ শিখৰত আৰোহন কৰাব পাৰে।

সৃষ্টি, স্থিতি, প্ৰলয় যি নাৰীৰ হাতত বুলি শাস্ত্ৰ সমূহে দঢ়াই দঢ়াই কৈছে কোনো কোনো ক্ষেত্ৰত তেনে নাৰীক ধৰ্মৰ ভিত্তিত হীনমন্য কৰাও দেখা যায়। নাৰীক অৱহেলিত কৰা মানে নিজৰ মাতৃক অৱহেলিত কৰা হৈছে। উদাহৰণ স্বৰূপে ক'ব পাৰি নদীৰ গৰাখহনীয়াৰ দৰে ভদ্ৰ সমাজখনত খহনীয়া আৰম্ভ হৈছে। সাধাৰণ মানুহৰ কথা বাদে বহু নামী

দামী পৰিয়ালৰ পিতৃ-মাতৃ আজি বৃদ্ধাশ্ৰমৰ আলহী হ'ব লগা হৈছে। সচেতন ব্যক্তিসকলে সমাজৰ এই স্খলন সহজভাবে গ্ৰহণ কৰিব পাৰিছেনে।

পিতা স্বৰ্গ, পিতা ধৰ্ম
পিতাহি পৰমংঃ তপঃ
পিতৰি প্ৰীতিমা পন্নে
প্ৰিয়ন্তে সৰ্বদেৱতাঃ
জননী, জন্ম ভূমিস্ব
সৰ্গাদপি গৰীয়সী।।

যি সমাজত এনেবোৰ গুৰুত্বপূৰ্ণ শাস্ত্ৰীয় নীতি চিৰাচৰিত ভাবে প্ৰৱাহমান তেনে সমাজৰ এই নীতি বহিৰ্ভূত কৰ্মই কিমান দিনলৈ পিতৃ-মাতৃ শব্দত সন্মান জনাব পাৰিব। সমাজখনৰ বাবে ই অকল দুখজনকে নহয় লজ্জাজনকো। পিতৃ-মাতৃক চিনি নোপোৱা ব্যক্তিৰে গঠিত সমাজখনত কিহৰ ছাঁ পৰিছে? কি মূল্যৰ বিনিময়ত জন্মদাতা পিতৃ-মাতৃক অনাদৰ কৰি ঘৰৰ পৰা বহিৰ কৰি দিয়া হৈছে।

সমাজৰ এই স্খলন বিচাৰ কৰিবলৈ কাৰো আহৰি নাই। সমাজ ব্যৱস্থাত ঘূণে ধৰিছে। উচ্চ শিক্ষাই পাহৰাই পেলাইছে নৈতিক অধঃপতনৰ কথা। পাহৰাই পেলাইছে সকলোৱে এদিন পিতৃ হ'ব। যদি বৃদ্ধ বয়সত বৃদ্ধাশ্ৰমলৈ যোৱাতো পৰম্পৰা হৈ উঠে এই চিন্তা জ্ঞানপুস্থ সমাজৰ ব্যক্তি সকলে এবাৰ কৰি চাইছেনে?

মাৰ্কণ্ডেয় পুৰাণত শুক্ৰিয নামৰ মুনিজনে তেওঁৰ পুত্ৰ চাৰিজনক

ওপৰত উল্লেখ কৰা মন্ত্ৰ দুফাকি দি কৈছিল যদি তোমালোকে পিতা স্বৰ্গ, পিতা ধৰ্ম মন্ত্ৰ দুফাকি হৃদয়ঙ্গম কৰি ল'ব পাৰা এই মন্ত্ৰৰ বলত তোমালোকে অসাধ্য সাধন কৰিব পাৰিব। এনেহেন সংস্কাৰমূলক অৰ্থপূৰ্ণ জ্ঞানৰ ভড়াল ওজাপালী সকলে সদায় প্ৰচাৰ কৰি আহিছে। এই সংস্কাৰ অনুধাৱন নকৰা সকলে জ্ঞান আৰু ধনৰ গৌৰৱত আপোন পাহৰা সকলৰ ঘৰতেই এনেকুৱা নীতি বিৰুদ্ধ কথাবোৰ ঘটিব ধৰিছে। কাৰবাৰ পিতৃ-মাতৃক অৱজ্ঞা কৰি ঘৰৰ পৰা উলিয়াই দিয়া, সকলোৰে এই ক্ষতি নহয়। এই দৃশ্যমান আদৰ্শৰ বাবে সমাজখনত ই এক ব্যধি হিচাবে পৰিগণিত হৈছে।

অন্ধ পিতৃ-মাতৃক পাচিত বহুৱাই ভাৰ কৰি নিয়া দৃশ্য আমাৰ শাস্ত্ৰত উল্লেখ কৰিছে আৰু ঠাই ঠাই দেখা গৈছে পিতৃ আজ্ঞা পালি শ্ৰীৰাম চন্দ্ৰই ভাতৃ ভাৰ্য্যাক লগত লৈ বনবাসলৈ যোৱা কাহিনী কাৰো অবিদিত নহয়। এই কাহিনীবোৰো ওজাভাওৰীয়া এনেকি পুতলা নাচত দেখুওৱা হৈছে।

তেনে স্থলত সমাজৰ এনে অধঃপতন কোনো জ্ঞানী ব্যক্তিৰ কাম্য নহয়।

লোককলা ওজাপালী বা ভাওৰীয়া শিল্পী সকলৰ পৰিৱেশ্য অনুষ্ঠানত স্থানীয় ভাষাৰ প্ৰভাৱ বাৰুকৈয়ে অনুভৱ কৰিব পাৰি। লিখিত ভাষাৰ পৰিৱৰ্ত্তে গাৱলীয়া কথাৰ ঠাচ বা ধৰণে দলটোৰ স্থানীয় ভাষাৰ সুন্দৰ প্ৰতিফলন ঘটাই। আমি যদি কবলৈ যাওঁ দৰঙ্গীয়া ওজাৰ লগত কামৰূপ বা নলবাৰী, বৰপেটাৰ শিল্পী সকলৰ যথেষ্ট পাৰ্থক্য দেখা যায়।

উদাহৰণস্বৰূপে—

দৰঙ্গীয়া ওজাই গায়— সুকবি নাৰায়ণ দেৱৰ
সুৰয পাচালী
প্ৰয়াৰ পবন্ধে পদ
একবৈ লেচাৰী।।

নামনিৰ ওজাই গায়— সুকবি নাৰায়ণ দেৱৰ
শুৰয পাচালী
প্ৰয়াৰ প্ৰবন্ধে পদ
একই লেচাৰী।।

উকৌ, আকোতি, সেঙ্কে, ভালকে, উটি, তঠে, হলিহা ইত্যাদি থলুৱা ভাষাৰ বহুল প্ৰচাৰ ওজা-ভাওৰীয়াৰ পৰিৱেশিত পদ সমূহত বাৰুকৈ প্ৰচলিত। ইয়াৰ আন এটা কাৰণ শিল্পী সকলৰ নিৰক্ষৰতা বা অৰ্দ্ধ শিক্ষাৰ প্ৰভাৱ বুলিও ক'ব পৰা যায়। আনহাতে নামনিৰ ওজাৰ মাজত নেদেখা (লিখকৰ ৫২ বছৰীয়া অভিজ্ঞতা) কিছুমান ব্যৱস্থা দৰঙীয়া ওজা দলত দেখিবলৈ পোৱা যায়। একেখন পদ্ম পুৰাণৰ পদৰ মাজত বৰ ডাঙৰ পাৰ্থক্য দেখা যায়।

মনসা পূজাৰ ভড়ৰ দিনাখন ন ভাটীয়ালি পদ পৰিৱেশনৰ মাজত কিছু নতুনত্ব দৰঙীয়া ওজাদলে পৰিৱেশন কৰে। জাকৈ লৈ শিল্পীবোৰে (ওজাত বাহিৰে) তিৰোতাৰ বেশ ধাৰণ কৰি বিভিন্ন ভঙ্গিত মাছ মৰা আদি নৃত্য কৰা দেখা যায়। সন্মানীয় শিল্পী সকলে এনে ধৰণে তিৰোতা মানুহে মেখেলা বুকুত পিন্ধাৰ দৰে ধুতি দুজাপ কৰি বুকুত পিন্ধি খোপা

বান্ধি নৃত্য কৰাৰ এই অধ্যায় নামনিৰ ওজাপালী সকলে নকৰে। এই অনুষ্ঠান কৰোতে (খোলা, খল্টাৰ) মাজত ঢোল, জুলুকি তামোল পান পৰি মণ্ডপ তৈয়াৰ কৰা হয়। যদিওৱা মই আজিলৈ ৫২ বছৰ ওজাপালী পৰিৱেশন কৰিছো নামনিৰ কোনো ওজাদলৰ সংস্কৃতিৰ লগত এই সংস্কৃতি পৰিলক্ষিত হোৱা নাই। মই এই সম্পৰ্কে বিভিন্ন বিজ্ঞ পণ্ডিতৰ লগত আলাপ-আলোচনা কৰিয়ো সিদ্ধান্তত উপনিত হ'ব পৰা নাই। যদি এইয়া বাহ্যিকতা আমাৰ ক'বলগীয়া একো নাই, যদি শাস্ত্ৰৰ অঙ্গ হয় তেনেহলে নামনিৰ ওজাপালী সকলে ভুলৰ মাজত ডুব গৈ আছে। দেখা যায় এই নৃত্য কৰা সময়ত ওজাজনে বহি বহি পদ আওৰাই থাকে।

এইবোৰৰ কাৰণেও সমাজত কিছু বিৰূপ মন্তব্য কৰাৰ থল আছে। একে ধৰণৰ সংস্কৃতিত ইমান তাৰতম্য কিয়? যদি এইবোৰ থলুৱা কোনো পৰম্পৰা বুলি কোৱা হয় তেনেহ'লে নতুন চামৰ ওপৰত ইয়াৰ কেনে ধৰণৰ প্ৰভাৱ পৰিব। লোককৃষ্টি বৈদিক প্ৰণালীৰে প্ৰৱাহিত। ইয়াক পৰম্পৰা বা ব্যক্তিগত বুলি কবলৈ গলে সংস্কৃতিৰ প্ৰতি নতুন সমাজখনৰ মন দোদুল্যমান হৈ পৰিব। দৰঙ্গীয়া বা নামনি বা নলবৰীয়া কৃষ্টি হ'ব নোৱাৰে। এই কৃষ্টি আমাৰ থলুৱা লোককলা কৃষ্টি। আগেয়ে উল্লেখ কৰা হৈছে স্থান বা অঞ্চলভেদে ভাষাৰ বা কথোপ কথনৰ তাৰতম্য হোৱাটো নুই কৰিব নোৱাৰি, কিন্তু মূল ৰাগ ৰাগিনী বা শাস্ত্ৰ সন্মত প্ৰণালীৰ হিনদেৰি হলে কলাবিধৰ ক্ষতি হোৱাটো নিশ্চিত।

আন এটা দিশত দেখা যায় ওজাপালী ভাগ তিনিটা—

১। ওজা

২। ডাইনাপালী

৩। পালী

ইয়াৰ প্ৰথমে ওজাই লগাই দিব

দিহা — ঐ এ জগত

ডাইনাপালি — জীৱন ৰাম

পালী — হৰে হৰে শেষলৈ হহয়া ইত্যাদি

ওজাৰ লগত ডাইপালী পদৰ ভাঙনি কৰিব। সেই সময়ত পালী সকলে সৰু সৰুকৈ তাল বজাই তালৰ মান জঙ্কাৰ আদি দি থাকিব। পদ ভাঙনি সময়ত পালী শিল্পীসকলে অন্য মনস্ক হৈ বা আন কোনো দৰ্শকৰ লগত কথা পাতি থকা বা বিড়ি আদি হুপি থকা সমাজৰ বাবে অশোভনীয় আৰু অবজ্ঞাসূচক।

ডাইনাপালী তাল, মুদ্ৰা আৰু পদৰ বাখ্যা কৰিব পাৰে। ডাইনাপালীৰ অবৰ্ত্তমানত পালী এজনে ভাঙনী কৰা বা মুদ্ৰা আদি দিয়াৰ থল আছে।

প্ৰায়বোৰ ওজা দলত সমপোচাক ব্যৱহাৰ কৰা হয়।

পাৰ্থক্য দেখুৱাবলৈ হলে দৰঙ্গীয়া ওঝাসকলে ধুতি গেঞ্চি আৰু পালী সকলৰ মুৰত আৰু হাতত দুখনকৈ গামোচা ব্যৱহাৰ কৰা হয়। ডাইনাপালী জনেও চেলেং চাদৰৰ পৰিৱৰ্ত্তে গামোচা ব্যৱহাৰ কৰা দেখা যায়। ডাইনাপালীৰ দৰে পিচৰ শাৰীত থকা পালী সকলে হাতত গামোচা এখন লৈ হাতেৰে অঙ্গি ভঙ্গি কৰা দেখা যায়। সিচৰিত হৈ নৃত্য বা দৰ্শকৰ

ওচৰলৈ আগবাঢ়ি যোৱা, কেতিয়াবা কেতিয়াবা ওজাজনেও সমাজৰ মাজত সুমাই পদ দিয়া দেখিবলৈ পোৱা যায়।

এইবোৰ যি কি নহওক আমাৰ পৰম্পৰাক শ্ৰদ্ধা জনাই বৈদীকক অৱহেলা কৰিলে কলাবিধৰ বিস্তৰ ক্ষতি হোৱাৰ থল আছে। বেদ উপনিষদৰ মাধ্যমত শাস্ত্ৰীয় আদৰ্শ আগত লৈ সমাজখনক আগবঢ়াই নিয়াৰ দায়িত্ব শিল্পী সকলে গ্ৰহণ কৰিব লাগিব। এখন সুসংহত সমাজ গঢ়িব পৰাটো শিল্পী সকলৰ বাবে পৰম সৌভাগ্য। কাৰণ শিল্পী সকল দেৱতুল্য (গন্ধৰ্ব সদৃশ)। সমাজখন দেৱ সমাজ, এই চিন্তা শিল্পীসকলে সদায় মনত ৰখা উচিত। সমাজখনক আগবঢ়াই নিবলৈ হলে প্ৰথমে আমি শিল্পী সমাজ সচেতন হ'ব লাগিব। লোক কলাক সমাজ গঠনত প্ৰধান ভূমিকা দিব পৰাকৈ কলাবিধৰ সংস্কাৰ আৰু শিল্পীসকল সজাগ আৰু সচেতন হলে লোককলা, সমাজ, ভাষা, সাহিত্য আৰু দেশৰ উৎকৰ্য সাধন হ'ব।

লোক কলাই বিশেষকৈ স্থানীয় ভাষা, কথাৰ ওপৰত বিশেষ প্ৰভাৱ পেলাই। সমাজত চলি থকা আচাৰ-ব্যৱহাৰ, নিয়ম-নীতি, মাত-কথা সকলোবোৰ সংৰক্ষণ, প্ৰচাৰ কেৱল লোক কলা সমূহৰ জৰিয়তে হৈ আছে। ইয়াৰ ভিতৰত ওজাপালী আৰু ঢুলীয়া চং বিশেষভাবে উল্লেখনীয়। ওজাপালীৰ পদবোৰ যদিওবা লিখিত ভাষাত আছে পদৰ ভাঙনিৰ সময়ত সাধাৰণতে থলুৱা মাত-কথাৰ অৱতাৰণা কৰে ডাইনাপালীয়ে। ফলত কথাবোৰ বেছি শ্ৰুতি-মধুৰ হৈ পৰে। সেইকাৰণে থলুৱা ভাষা কথাবোৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত ওজা, ভাওৰীয়া বা ঢুলীয়াই

অগ্রণী ভূমিকা গ্রহণ কৰি আহিছে। অসমীয়া ভাষা হিচাবে লিখিত ভাষাক স্কুল-কলেজ, বিশ্ববিদ্যালয়ত স্বীকৃতি দিয়া হৈছে। কিন্তু থলুৱা ভাষা সংৰক্ষণৰ ব্যৱস্থা কোনো লিখক বা সাহিত্যিকে আজিলৈ কৰা দেখা নাই। লোককলা বা লোক কৃষ্টি সমূহ জীয়াই থাকিবলৈ হলে থলুৱা মাত-কথা বা ভাষাক সংৰক্ষণ কৰাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। ঢুলীয়াৰ ভাওৰীয়া, ওজা বা ভাওৰীয়াৰ ডাইনাপালী কিছুমান শব্দ ব্যৱহাৰ কৰে। যিবিলাক শব্দ লিখিত ভাষাত ব্যৱহাৰ নহয়।

দাউনাচলি

নাহয

নষ্ট য

গজমুৰা

মাননাই মাৰা

ভিঠিমৈৰা

ভিঠাত দুৰৰী গাজা

ধেমনী

লালে মাইহে

ভকোলোকো

সেফলোৰ দেখি

বাৰভাতেৰী

ৰহাত্তলে য

সাপ্তাসাপ্তী

সঙ্কেফেলে

সেণ্ঠোৰ দেখি

খুণ্ডে

ধেখলোৰ বাৰ

হামলা হামলি

সলপি সলপি

জেইঠে

এনেকুৱা শব্দবোৰৰ ব্যৱহাৰে লোক কলাৰ মাধুৰ্য্য চিৰদিন বহন কৰিছে। শিক্ষাৰ প্ৰভাৱত এনেবোৰ শব্দ ক্ৰমান্বয়ে হেৰাই গৈ আছে। লোককলা স্থানীয় সংস্কৃতিৰ ক্ষেত্ৰত এইয়া শুভ লক্ষণ বুলি ক'ব নোৱাৰি। ওজাপালী সকলে সম্পূৰ্ণ লিখিত ভাষাত পদৰ ভাঙনি বা বিশ্লেষণ কৰাটো অসম্ভৱ নহয় কিন্তু তাৰ ফলত ক্ৰমে অতীজৰ পৰা ব্যৱহৃত থলুৱা শব্দবোৰ লোপ পাই যাব। সংস্কৃতি ৰক্ষাৰ লগে লগে থলুৱা মাত-কথাবোৰো জীয়াই ৰাখিবলৈ লোক কলাৰ শিল্পী সকলে অহোপুৰুষাৰ্থ কৰি আহিছে। ইচ্ছাকৃতভাবে ডাইনাপালীবোৰে এনে ধৰণৰ যতুৱা ঠাঁচ আৰু হেৰাই যাব ধৰা কথা বতৰাবোৰ ধৰি ৰখাৰ প্ৰয়াস কৰি ডাইনাপালীবোৰে পাৰ্য্যমানে থলুৱা ভাষা ব্যৱহাৰ কৰে।

| | |
|---|---|
| ইফলে আহ | বল্লিমাছ |
| | বাল্লিমাছ |
| উককো আহ | সথলি মাছ |
| চাহ কৰা | চাহ মাৰা |

এনে ধৰণৰ শব্দবোৰ ব্যৱহাৰ কৰি ওজাপালীক থলুৱা ভাষা কথা সংৰক্ষণৰ মুখ্য ভূমিকাত নিয়োজিত কৰি ৰাখিছে। ইচামৰ পিছত সিচাম ওজাপালী এনেধৰণে নিজৰ অঞ্চলৰ ভাষা-কথাবোৰ ওজাপালীৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। আনহাতে নাটকৰ হাস্যৰসৰ ক্ষেত্ৰত ডাইনাপালীৰ দৰে হাস্যৰসিক অভিনেতাবোৰে এনে শব্দৰে কিছু ৰসৰ সঞ্চাৰ কৰা দেখা যায়।

## ওজাপালীত বাহ্যিকতা

ওজাপালীত বাহ্যিকতা কেতিয়াবা কিছুমান সমাজত বিতৰ্কৰ বিষয় হৈ উঠে। ইয়াৰ মূল কাৰণ দুটা।

১। পদৰ কাহিনী, চলিত ৰসৰ লগত খাপ নোখোৱা বাহ্যিক কথা বা কাহিনী অৱতাৰণা কৰিলে প্ৰকৃত শ্ৰোতাৰ ৰসভঙ্গ হয়। ফলত শ্ৰোতাজনৰ বিৰূপ প্ৰতিক্ৰিয়া হ'ব পাৰে। সেইবাবে বিশেষকৈ ডাইনাপালীজন সাৱধান হ'ব লাগে যাতে পদৰ মাজত চলি থকা ৰসত ভাঙনি কৰোতে আন ৰস সঞ্চাৰ নহয়। পদৰ ভাঙনিত দিব খোজা উপমা পদৰ কাহিনীভাগৰ লগত মিলা হ'ব লাগে। পদত যদি কৰুণ ৰসৰ পদ আলোচনা হৈ আছে তাত হাস্যৰস কোনো কালে অৱতাৰণা কৰিব নালাগে। ইয়াৰ ফলত দলৰ সুনাম হোৱাতকৈ দুৰ্নাম হোৱাতোৱেই স্বাভাৱিক। আন এটা কথা মন কৰিবলগীয়া সমাজখনত কেনে ধৰণৰ সমাজুৱা আছে। যদি কম বয়সীয়া ল'ৰা-ছোৱালী বা তিৰোতা বেছি পৰিমানে আছে তেনেকুৱা সমাজত উপদেশমূলক পদ আৰম্ভ কৰিব লাগে।

উদাহৰণ স্বৰূপে যদিহে তিৰোতা সমাজ বেছি দেখা যায় সাধাৰণতে তেনে সমাজত

লক্ষীন্দাৰৰ কইনা চোৱা

মেৰ কামানি

বাহি বিয়া

এনেকুৱা পদ নাৰী সমাজে সহজে বুজি পায় আৰু এইবোৰ কাহিনীৰ মাজত নাৰী সমাজৰ বাবে যথেষ্ট শিকিবলগীয়া কথা আছে। তাৰ উপৰি সমাজত থকা ব্যক্তি সকলক বিশেষকৈ ডাইনাপালীজনে বেছি গুৰুত্ব দিব লাগিব। সমাজখনে কি বিচাৰিছে, কেনে ধৰণৰ কথা বা কাহিনী সমাজৰ মনোগ্ৰাহী হ'ব সেই কথাৰ ওপৰত ভিত্তি কৰিহে পদ বা ভাঙনি উপস্থাপন কৰিব।

২। বাহ্যিকতা ওজাপালী পৰিৱেশনৰ এটা অঙ্গ। বিনা বাহ্যিকতাই ওজাপালী পৰিৱেশন কৰা সম্ভৱ নহয়। কিন্তু এই বাহ্যিকতাই যাতে অৰ্থপূৰ্ণ ৰূপেৰে বাহ্যিকতা হয় তাৰ প্ৰতি মনোনিৱেশ কৰিব লাগিব। অৰ্থশূন্য কথা বা উক্তিৰে সমাজৰ মন জয় কৰিব নোখোজায় ভাল। কাৰণ অৰ্থশূন্য কথাবোৰে শিল্পী বা সমাজ কাৰোৱেই উপকাৰ সাধন নকৰে। বৰং বহুমূলীয়া সময়বোৰ নষ্ট কৰে। সেইবাবে সদায় হাস্যৰস উপস্থাপন কৰোতে সাৱধান হ'ব লাগিব। যাতে ই অৰ্থশূন্য বাহ্যিকতাৰ ৰূপ নলয়। ওজাপালীত পৰিৱেশিত প্ৰতিখন পুথি, প্ৰতি খণ্ড পদত বন্ধা ধৰা ৰূপত হাস্যব্যঙ্গ, কৰুণ, বীৰ ৰস আদি নৱৰস সঞ্চাৰ হৈ আছে। কেৱল পৰিৱেশন কালত তাক ভাগ কৰি দেখুৱাব পাৰিব লাগিব। তেতিয়াহ'লে বাহ্যিক কথাবোৰ

সমাজৰ মনত বাহ্যিক নহৈ অৰ্থপূৰ্ণ আৰু গ্ৰহণযোগ্য হৈ উঠিব। পৰিৱেশনকালত মাৰ্জিত শ্ৰুতিমধুৰ ভাষা ব্যৱহাৰ কৰিব পাৰিলে বেছি ভাল। পদৰ মাধ্যমত যেনে ধৰণৰ পদত সংস্কাৰমূলক কথা আছে তেনেক্ষেত্ৰত সংস্কাৰমূলক কাহিনী উপস্থাপন কৰি সমাজক বুজাব লাগিব। এনে ভুল কৰিলে এনে ধৰণৰ পৰিণতি ভোগ কৰিব লাগে। বয়োজ্যেষ্ঠ মানুহৰ সমাজত তত্বগধুৰ কাহিনী বা ধৰ্মমূলক কথা উপস্থাপন কৰা ভাল। ইয়াৰ বাবে ওজা ডাইনাপালী দুয়োজন বাকপটু আৰু মিষ্টভাষি হ'ব লাগিব। ইয়াৰ বাবে ওজা বা বিশেষকৈ ডাইনাপালীজনে অধ্যয়ন কৰিব লাগিব। বিভিন্ন শাস্ত্ৰ, বিভিন্ন পুৰাণ, বিভিন্ন ব্যক্তিৰ সান্নিধ্যই প্ৰয়োজনীয় জ্ঞান আহৰণত ইন্ধন যোগায়। লোক সমাজত প্ৰচলিত বহু অলিখিত কাহিনী বা কিম্বদন্তি ডাইনাপালীক যথেষ্ট পৰিমানে সহায় কৰে। হেৰাই যাব খোজা, মুখে মুখে বাগৰি অহা ভাল ভাল কাহিনী ওজাপালীৰ মাধ্যমত ব্যৱহাৰ কৰিব পাৰিলে আমাৰ থলুৱা মাত-কথা বা কাহিনীবোৰ জীয়াই থাকিব। কিন্তু এইবোৰ কাম বেছি পৰিমানে অৰ্থপূৰ্ণ হোৱা ভাল। বহু ক্ষেত্ৰত দেখা যায় ওজাই ডাইনাপালী পদৰ ওপৰত গুৰুত্ব নিদি কথাই কথাই বাহিৰা কথা বা ৰগৰ কৰিব খোজে। এইটো ভাল কথা নহয়। তেনে ক্ষেত্ৰত প্ৰচাৰ কৰিব খোজা পদাংশ নিম্নমানৰ হৈ পৰে। আনহাতে ওজা ডাইনাপালী পদ ভাঙনি কৰা সময়ত পালী শিল্পী সকলে কি কৰা উচিত তাৰ কিছু উদাহৰণ দাঙি নধৰিলে কথাবোৰ আধৰুৱা হ'ব। সেই সময়খিনিত পিচৰ শাৰীত থকা পালী শিল্পী সকলে ওজা ডাইনাপালীৰ সহায়ক হৈ প্ৰয়োজনবোধে তালৰ ঝংকাৰ বা একেবাৰে সৰু সৰুকৈ

তালৰ মান ৰাখি থাকিব লাগে যাতে ওজাজনে পদ দিব খোজোতে তাল ভঙ্গ নহয়। কিছু ক্ষেত্ৰত কোনো কোনো ওজা দলৰ ক্ষেত্ৰত দেখা যায় পালী শিল্পী সকলে সুযোগ বুজি সমাজৰ সন্মুখতে ধুম্ৰপান আদি কৰাৰ দৰে গাঢ়িত কাম কৰে। এনে কৰ্মই শিল্পীৰ মৰ্য্যদা হানিকৰ হয়। আন কিছুমান শিল্পী নিজৰ খেয়াল খুচিমতে বহি থকা, ইফালে সিফালে মানুহৰ লগত কথা পাতি থকা দলৰ সন্মান হানিকৰ কথা।

এষাৰ কথা আছে—

মানীজানে মানক
কাঠৰ ঢেকী কি জানে
বানি মৰে ধামক

সন্মান দিব পাৰিলে সন্মান পোৱাৰ যোগ্যতা অৰ্জন হয়। গাওঁৰ মানুহে অতীজতে কৈছিল, বৰ্ত্তমানেও কয় যে ৰজা হ'ব পাৰি কিন্তু ওজা হোৱা বৰ টান। কথাষাৰৰ সত্যতা চিৰ যুগমীয়া। অতি কঠিন কলা। আনহাতে ওজাপালী শিল্পী সকলৰ দৰে সন্মান আন কোনো কলাৰ দেখা পোৱা নাযায়। যদি আমি অলপ চিন্তা কৰি চাও ওজাপালীৰ দৰে মণ্ডপৰ সন্মুখত আসন কোনো কলাৰ নাই। পৰিস্কাৰ-পৰিচ্ছন্নতা সেইবাবে ওজাপালীৰ নিত্যান্তই প্ৰয়োজন।

এনেকুৱা ধৰ্মীয় আৰু সন্মানজনক সংস্কৃতি ওজাপালী। কিন্তু দুৰ্ভাগ্য এই কলাবিধে কোনো ধৰণৰ নতুন ৰূপ লবলৈ সক্ষম হোৱা নাই। ইয়াৰ মূল কাৰণ শিল্পী সকলৰ অন্য মনস্কতা। নৃত্য-গীত পৰিৱেশন কৰি অলপ ধন উপাৰ্জন কৰাই যেন তেওঁলোকৰ কৰ্ত্তব্য। এনে মনোভাৱৰ বহু

শিল্পী আছে। ভৱিষ্যত চিন্তা এইসকল শিল্পীৰ নিস্প্ৰয়োজন। এই শিল্পী সকলৰ সৰ্বসন্মত কোনো ভাল অনুষ্ঠান নাই। যি অনুষ্ঠানৰ জৰিয়তে শিল্পী সকলৰ দুখ-দুৰ্গতি কাৰোবাক অৱগত কৰিব পাৰিব। এনেকুৱা অনুষ্ঠান সংঘ-সমিতি এওঁলোকৰ মাজত দেখা নাযায়। ফলত দল সমূহৰ মাজত বিশৃংখল মনোভাব।

## আভ্যন্তৰ ঃ

শিল্পী সকলৰ কোনো ধৰণৰ বন্ধা ধৰা নীতি, বাধ্য বাধকতাৰ ব্যৱস্থা নথকা বাবে থঠাচ যেনে, মন তেনে ধৰণেৰে নিজৰ স্বাৰ্থ পূৰণ কৰে।

কোনো এটা দলে যদি এখন পূজাৰ পাৰিশ্ৰমিক পাঁচ হেজাৰ টকা নিৰ্ধাৰণ কৰে, আন এটা দলে সেই পূজাখন তিনি বা চাৰি হেজাৰ টকাত পৰিৱেশন কৰে। ইয়াৰ ফলত সমাজৰ মাজতো উচ্চ-নীচ ভাবৰ সৃষ্টি হয়। কম পইচাত পোৱা দলবোৰক নিমন্ত্ৰণ দি পূজা সেৱাৰ কাম চলাই নিয়ে। ফলত উচ্চ খাপৰ পাৰদৰ্শীতা থকা দলবোৰে হয় বহি থাকিব লাগিব নতুবা নিম্নমানৰ শিল্পী সকলক অনুকৰণ কৰিবলগীয়া হয়। যি নীতি শিল্পী সকলৰ সন্মান লাঘৱ কৰে তেনে ধৰণৰ কিছুমান কাম শিল্পীৰ এটা চামে চিৰদিন কৰি আহিছে। মানুহৰ ঘৰে ঘৰে গৈ অনুষ্ঠান বন্দবস্ত কৰা, পাৰিশ্ৰমিক নিৰ্ধাৰণ নকৰাকৈ আপোনালোকে যি দিব বুলি ভালৰি লগাই ভৱিষ্যতৰ পথ সুগম কৰি থোৱা ইত্যাদি।

শিল্পী সকলে ঐক্যবদ্ধ হ'বলৈ বহু শিল্পীৰ অনিচ্ছুকতা। ৯০ দশকৰ

পৰা লিখকে নিজে অহোপুৰুষাৰ্থ কৰিয়ো শিল্পী সকলক এক গোট কৰিব নোৱাৰিলো। লিখকৰ লোক কলাৰ সাঁঙী নামৰ গ্ৰন্থখনত বহুলভাবে তথ্যভিত্তিক প্ৰমাণ সমূহ দাঙি ধৰা হৈছে। প্ৰায় ত্ৰিশ বছৰ কাল বিভিন্ন ধৰণে চিন্তা কৰিয়ো সফল হ'ব পৰা নাই।

কাৰণ সমূহ ঃ

১। শিক্ষাৰ অভাৱ

২। বিশ্বাসহীনতা

৩। সময়ৰ অভাৱৰ উজুহাত

৪। সুশৃংঙ্খল জীৱন ভাল নোপোৱা

৫। অৰ্থৰ অভাৱ

৬। নিজে সংশোধন নোহোৱা

৭। নীতি আদৰ্শ নমনা

এই কাৰণবোৰৰ বাবে শিল্পী সকল চিৰকালে একোটা স্তৰতে ৰৈ থাকিব লগা হৈছে।

ওজাপালীৰ কাহিনীবোৰে যেতিয়া নাট্য ৰূপত প্ৰকাশ হৈছে, বিভিন্ন থিয়েটাৰৰ মঞ্চত অভিনয় হৈছে, তেনে অৱস্থাতো ওজাপালীৰ কোনো ধৰণৰ নতুনত্ব নোহোৱাতো বৰ পৰিতাপৰ কথা।

যি সময়ত ওজাপালী, পাঠ্যপুথিৰ অঙ্গ হিচাপে পৰিগণিত হৈছে তেনে সময়তো ওজাপালী দল, শিল্পী সকলে যেন অনুভৱ কৰিব পৰা নাই। ওজাপালী যেন এটা ধেমালী, কেইটামান পইচাৰ বিনিময়ত সমাজক হুহুৱাবলৈ যোৱা এটা উপাৰ্জনৰ ৰাস্তা। এই ধাৰণা ত্যাগ কৰি ওজাপালীৰ

তাতপৰ্য্য বুজি গৌৰৱান্বিত হোৱা উচিত। এই কলা সাধাৰণ নহয় ইয়াৰ মাহাত্ম্য বিশ্লেষণ অতি কঠিন বিষয়। আমি এইবিধ কলাৰ লগত জড়িত শিল্পী সকল মাৰবান্ধি থিয় হ'ব লাগিব। ঐক্যবদ্ধ শক্তিৰে চৰকাৰৰ মুখামুখি হ'বলৈ আগবাঢ়ি আহিব লাগিব। অন্যথা এই লোককলা ওজাপালী সমাজৰ মাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। যিবিলাক ব্যক্তিৰ তিলমানো কলা-কৃষ্টিৰ প্ৰতি অনুকম্পা আছে, যিসকলে লোক কলাক সামাজিক জীৱনৰ অঙ্গ বুলি ভাবে তেনে ব্যক্তি সকলৰ কৰণীয় নিৰ্বোধ শিল্পী সকলক হাতত ধৰি পোহৰলৈ আগুৱাই দিয়ক। ব্যক্তি বিশেষৰ যত্নত হয়তো শিল্পী সকলে প্ৰাণ পাব। জীয়াই থাকিব প্ৰাগ ঐতিহাসিক যুগৰ কলা শ্ৰেষ্ঠ ওজাপালী।

ওজাপালী অবিহনে এখন পূজাৰ সৌন্তৱ আন একোৰে দ্বাৰা পূৰণ নহ'ব। সেয়েহে সমাজ থকালৈ কৃষ্টি থাকিব, কৃষ্টি থকালৈ ন্যায়-অন্যায়, সঁচা-মিছাৰ বিচাৰ থাকিব। সমাজখনক এটা নতুন পথৰ সন্ধান ধৰ্মীয় অনুভূতিৰ মাজেৰে কেৱললোককলা সমূহে চিৰকাল দাঙি ধৰি আহিছে। যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ইতিহাসবিহীন, শ্ৰেণীবিহীন, মঞ্চবিহীন লোক কলাৰ দুৰ্ভাগ্য। কিয়নো এই শিল্পী সকলে জীৱনৰ শেষ সময়লৈকে কেৱল সংস্কৃতিৰ নামত নিজক বিলাই দিছে। কিন্তু ইয়াৰ কোনো শিল্পী কোনো ধৰণৰ বটা পাবলৈ সক্ষম হোৱা নাই। ভদ্ৰ সমাজখনৰ লগত এই সকল শিল্পীক চিনাকী কৰি দিয়াৰ প্ৰয়োজন কোনোৱে অনুভৱ নকৰিলে। শাস্ত্ৰীয় সঙ্গীতৰ গণ্ডিৰ ভিতৰতো এইসকল শিল্পীক ধৰা নহয়। অথচ শাস্ত্ৰৰ মাধ্যমত গীত-নৃত্য পৰিৱেশন কৰা এই

কলাবিধক কি বুলি কোৱা হ'ব। পৰিতাপৰ কথা অনিচ্ছুক প্ৰশাসন, অনিচ্ছুক চৰকাৰ, অনিচ্ছুক সাংস্কৃতিক বিভাগৰ পৰিক্ৰমা যুগে যুগে অৱহেলিত লোককলা ওজাপালী, কৃষ্টিৰ, জয় ঢাক বজোৱা বৰমূৰীয়া সকলে উত্তৰ দিবলৈ উত্তৰ নেপাব। প্ৰাগ ঐতিহাসিক যুগৰ লোককলা ওজাপালীৰ কোনজন শিল্পী ৰাষ্ট্ৰীয় বঁটা পাবলৈ সক্ষম হৈছে। বিভিন্ন শিল্পীৰ নামত শিল্পী বঁটা প্ৰদান কৰা হয়। তেনে কোনো ধৰণৰ বঁটা এই শিল্পী সকলে পাবলৈ সক্ষম হোৱা নাই। এই শিল্পী সকলক উদ্‌গনি দিয়াতো দেশীয় চৰকাৰে উদ্যোগ কিয় গ্ৰহণ নকৰে। যাৰ ফলত নতুন চাম শিল্পী দিনে দিনে হতাশাত ভূগিছে। যাৰ বাবে নামনি অসমত আজি পাঁচ বছৰে এটা ওজাপালী দলৰ জন্ম হোৱা নাই। প্ৰতিভা থাকিয়ো, যোজ্ঞতা থাকিয়ো শিল্পী সকলে স্বীকৃতি লাভ নকৰি অনাকাংক্ষিক মৃত্যুৰ গৰাহত পৰে। সচেতন ব্যক্তি, সচেতন সমাজে যদি এই শিল্পী সকলক শিল্পী হিচাবে স্বীকৃতিৰ ব্যৱস্থা নকৰে। চৰকাৰে যদি এই চাম শিল্পীক তুলনামূলকভাবে যোগ্যতাৰ ভিত্তিত বঁটা আদিৰে উৎসাহ নিদিয়ে এদিন কলাবিধ জনমানসৰ পৰা ক্ৰমে হেৰাই যাব। পূজাৰ বেদীৰ দেৱ-দেৱীৰ বন্দনা অনুষ্ঠান বিলুপ্ত হ'ব। তাৰ ঠাইত হিন্দী গীতৰ নৃত্যৰে ভৰি পৰিব। শেষ হৈ যাব যুগে যুগে পূজাৰ বেদীত প্ৰৱাহিত থলুৱা সংস্কৃতিৰ হিয়াৰ আমঠু ওজাপালী নৃত্য।

— সমাপ্ত —

# স্মৃতিৰ সুবাস












# লিখকৰ অন্য গ্ৰন্থসমূহ—

১। ১৯৭৯-৮০ চনৰ ৰক্তাক্ত ইতিহাস
২। বিল্বেশ্বৰ দেৱালয়ৰ আদিকথা
৩। বিল্বেশ্বৰ
৪। সৰাপাত
৫। সৰাপাহি
৬। জীৱন যুদ্ধৰ সংবাদ
৭। মা দুৰ্গা
৮। জ্ঞান মঞ্জুৰী
৯। আধাৰশিলা
১০। নীতি কথা
১১। অলেখ ঢৌ
১২। স্মৃতিৰেখা
১৩। ধৰ্মপক্ষী
১৪। পূৰ্ণাহুতি
১৫। আত্মহত্যাৰ জীয়া কাহিনী
১৬। এটা কবিতা
১৭। প্ৰতিবিম্ব
১৮। বন্দনামালা
১৯। লোক কলাৰ সাঁচী
২০। লোককলা ওজাপালী আৰু সমাজ
২১। হাঁহিৰ টোপোলা
২২। বংশমালা প্ৰকাশৰ পথত
২৩। পদমঞ্জুৰী প্ৰকাশৰ পথত
২৪। পুৰাণৰ সাধু প্ৰকাশৰ পথত
২৫। নতুনৰ সাধু প্ৰকাশৰ পথত
২৬। পোহৰৰ যাত্ৰা প্ৰকাশৰ পথত
২৭। বুৰবুৰণি (কবিতা পুথি)